*বিশ্বমুখী*

# যুগবাৰ্তা

বাৰ্তালোচনী

RNI No: ASSASS01376

❑ BISHWAMUKHI JUGABARTA ❑ 3RD YEAR ❑ 5TH ISSUE ❑ FRIDAY ❑ 5TH SEPTEMBER, 2019

তৃতীয় বৰ্ষ ❍ পঞ্চম সংখ্যা ❍ শুক্ৰবাৰ ❍ ১৮ ভাদ ❍ ১৯৪১ শক ❍ চিনামৰা, যোৰহাট ❍ অৰিহণা ঃ ১০ টকা




শিক্ষক দিৱসৰ পৱিত্ৰ ক্ষণত সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি

## কেন্দ্ৰীয় চৰকাৰৰ এক দুঃসাহসিক পদক্ষেপ

❑ বিকাশ চন্দ্ৰ দাস




5 আগষ্ট, 2019 তাৰিখটো সমগ্ৰ ভাৰতবাসীৰ বাবে এক ঐতিহাসিক দিন হিচাপে পৰিগণিত হৈ ৰ'ব। কাৰণ এই দিনটোতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই জম্মু-কাশ্মীৰৰ পৰা বিগত 72 বছৰে প্ৰযোজ্য হৈ থকা সংবিধানৰ 370 নং অনুচ্ছেদ আৰু 35 (এ') ধাৰা বাতিল কৰি ৰাজ্যখনে ইমানদিনে লাভ কৰি অহা বিশেষ ৰাজ্যৰ মৰ্য্যদা কৰ্তন কৰাৰ কথা ৰাজ্যসভাত ঘোষণা কৰিছিল। একে সময়তে ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে জাৰি কৰা এখন অধিসূচনাৰ দ্বাৰা জম্মু-কাশ্মীৰৰ পূৰ্ণাংগ ৰাজ্যৰ মৰ্য্যদা প্ৰত্যাহাৰ কৰি ৰাজ্যখনক দ্বিখণ্ডিত কৰি দুখন কেন্দ্ৰীয় শাসিত অঞ্চল হিচাপে গঠন কৰাৰ সিদ্ধান্ত লোৱা হৈছে বুলিও ঘোষণা কৰা হয়। এখন এখন বিধানসভা থকা 'জম্মু-কশ্মীৰ' আৰু আনখন বিধানসভা নথকা 'লাডাখ' কেন্দ্ৰীয় শাসিত অঞ্চল। ২ পৃষ্ঠাত...

## মুখ্য উপদেষ্টাৰ কলম

## বিশিষ্ট শিক্ষাবিদ, ভাষাবিদ, সাহিত্যিক টাবুৰাম টাইদৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি

❑ আনন্দ শইকীয়া



যোৱা ১৭ আগষ্টত অসমৰ সাহিত্য জগতৰ উজ্জ্বল নক্ষত্ৰ স্বৰূপ টাবুৰাম টাইদ ৭৮ বছৰ বয়সত পৰলোকগামী হয়। কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত



উত্তীৰ্ণ হৈ স্বাস্থ্যজনিত কাৰণত ভাৰতীয় বিদেশ সেৱাত যোগদান কৰিব নোৱাৰা মেধাশক্তিৰ ব্যক্তি, অসম উচ্চ শিক্ষা সঞ্চালক, মাধ্যমিক শিক্ষা সঞ্চালক, ছেবাৰ অধ্যক্ষ, আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি প্ৰতিষ্ঠানৰ সঞ্চালক, ৰাজ্যিক বাছনি পৰিষদৰ অধ্যক্ষ, গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আদিৰ পৰিচালনা সমিতিৰ সদস্য আদিৰ দৰে অসমৰ শিক্ষা জগতৰ বহু গধুৰ দায়িত্ব তেখেতে বহন কৰিছিল। তেখেতৰ ওপৰত চৰকাৰে সময়ে সময়ে যি দায়িত্ব অৰ্পণ কৰিছিল সেয়া নিষ্ঠা আৰু দায়িত্ব সহকাৰে যে তেখেতে পালন কৰিছিল সেই কথা চিৰস্মৰণীয় হৈ থাকিব, তাত কোনো সন্দেহ নাই।

উল্লেখিত গধুৰ দায়িত্ববিলাক পালন কৰাৰ সমান্তৰালভাৱে তেখেতে অসমীয়া সাহিত্য জগতখনলৈ বিশেষকৈ অসমীয়া জাতিৰ এক অপৰিহাৰ্য অঙ্গ মিচিং জনগোষ্ঠীক বিশ্ব দৰবাৰত পৰিচয় কৰাত তেখেতে যি অৱদান আগবঢ়ালে সেয়া অনস্বীকাৰ্য। ১৯৭২ চনত মিচিং আগম কৌবাং প্ৰতিষ্ঠা কৰি ১৯৮০ চনলৈকে একেৰাহে উক্ত অনুষ্ঠানৰ সভাপতিৰ আসন ১৩পৃষ্ঠাত...

## জি -৭ শীৰ্ষ সন্মিলন

### *অমাজ'নৰ বনজুইৰ বাৰ্তা*

❑ পদ্মেশ্বৰ কাটনি




১৫ শতিকাতে গ্ৰীক প্ৰবাদপ্ৰতীম পুৰুষ (দেৱতা) অমাজন(*Amazon*)ৰ মূখাবয়ৱৰ সাদৃশ্য থকা অমাজন উপত্যকাত বসবাস কৰা জনজাতীয় লোকসকলক পোন প্ৰথমে আৱিস্কাৰ কৰিছিল স্পেনিচ প্ৰব্ৰজনকাৰী ৰিঅ' চাণ্টা মাৰিয়া ডি লা মাৰডু লচছ -এ। শেহতীয়াকৈ আমাজ'ন বিশ্ব প্ৰেক্ষাপটলৈ আহিছে যোৱা ১৫ আগষ্টৰ পৰা। পৃথিৱীৰ হাওঁ ফাওঁ সদৃশ অমাজ'নত হোৱা বনজুইৰ বিভীষিকাৰ বাবে। পৃথিৱীৰ বায়ুমণ্ডলৰ ভাৰসাম্য ৰক্ষাত অমাজ'ন বৰ্ষাৰণ্যই মূখ্য ভূমিকা লয় বুলি কলেও ভুল কোৱা নহয়। সেই অমাজ'ন ২ পৃষ্ঠাত...

## বৌদ্ধ দৰ্শন: এক চমু আলোকপাত

❑ *আকাংক্ষা শইকীয়া*

ছাত্ৰী, চিনামৰা মহাবিদ্যালয়

বৌদ্ধ ধৰ্মৰ প্ৰৱৰ্তক আছিল গৌতম বুদ্ধ। তেওঁ খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাত অৰ্থাৎ খ্ৰীষ্টপূৰ্ব 567ত হিমালয়ৰ পাদদেশত অৱস্থিত উত্তৰ প্ৰদেশৰ ওচৰৰ নেপালৰ তৰাই অঞ্চলৰ কপিলাবস্তু ৰাজ্যৰ লুম্বিনী গাঁৱৰ শাক্য বংশৰ এক ৰাজপৰিয়ালত জন্ম হৈছিল। তেওঁৰ পিতাকৰ নাম আছিল শুদ্ধোধন আৰু মাকৰ নাম আছিল মায়াদেৱী। বাল্যকালতেই তেওঁ মাকক হেৰুৱাই মাহীমাক প্ৰজাপতিৰ যত্নত ডাঙৰ-দীঘল হয়। সৰুৰে পৰাই তেওঁ চিন্তাশীল আৰু ৰাজ্যৰ শাসনৰ প্ৰতি নিৰাসক্ত আছিল। সেয়ে পিতাক শুদ্ধোধনে তেওঁ কেনেবাকৈ সন্ন্যাসী হৈ পৰাৰ আশাংকা কৰিয়েই মাথো যোল্ল বছৰ বয়সতে ১২ পৃষ্ঠাত...

## বিগত সময়চোৱাৰ কেতবোৰ উল্লেখযোগ্য বাৰ্তা

❑ অভিষেক হাজৰিকা

আন্তঃৰাষ্ট্ৰীয় বাৰ্তা

**বিশ্বৰ অস্তিত্বলৈ সংকট: জ্বলিছে আমাজান**

আমেৰিকাৰ মহাকাশ গৱেষণা কেন্দ্ৰ নাছাই জনোৱা মতে 2019 বৰ্ষত দক্ষিণ আমেৰিকাত বৃহৎ সংখ্যক এলেকা অগ্নিয়ে গ্ৰাস কৰিছে। শেহতীয়া খবৰ অনুসৰি আমাজান 1 হেক্টৰ ভূমিক অগ্নিয়ে গ্ৰাস কৰিছে আৰু গছ-গছনি জ্বলি ছাই হোৱাৰ লগতে হাজাৰতকৈও অধিক পশু-পক্ষীৰ মৃত্যু হৈছে। উল্লেখযোগ্য যে আমাজানক বিশ্বৰ হৃদয় বুলি কোৱা হয় কিয়নো পৃথিৱীৰ 20 শতাংশ অক্সিজেন ইয়াৰ পৰা উৎপন্ন হয়।

**ব্ৰিটেইনৰ গৃহমন্ত্ৰী হ'ল ভাৰতীয় কন্যা**

ভাৰত স্বাধীন হোৱাৰ 72 বছৰৰ পিছত 2019 বৰ্ষত ভাৰতে ব্ৰিটেইন দখল কৰিবলৈ সক্ষম হৈছে। ভাৰতৰ সুকন্যা পাটেল ব্ৰিটেইনৰ গৃহমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈ নিযুক্তি লাভ কৰিছে।

**ক্ষীপ্ৰ গতিত গলিছে গ্ৰীনলেণ্ড**

নাছাই জনোৱা অনুসৰি ক্ষীপ্ৰ গতিত গলিছে গ্ৰীনলেণ্ডৰ বৰফ আৰু ইয়াৰ ফলত পৃথিৱীৰ অস্তিত্বলৈ সংকট আহি পৰিছে কিয়নো বিশ্বৰ বৃহত্তম দ্বীপটোৰ 21, 66, 086 বৰ্গ কিলোমিটাৰ এলেকাৰ বৰ্তমান 83.1 শতাংশয়ে পানী হৈছে। যদি ইয়াৰ পৰিমাণ ভৱিষ্যতে আৰু বাঢ়ে তেন্তে সকলো জীৱকুল পানীৰ তলত বুৰ যাব।

**মোদীৰ যাদু চলিল বাহৰেইনৰ প্ৰিন্সৰ ওপৰত**

ভাৰতীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ যাদু বাহৰেইনৰ প্ৰিন্স চলমান বিন হামিদ ১৪পৃষ্ঠাত...

১ পৃষ্ঠাৰ পৰা

## কেন্দ্ৰীয় চৰকাৰৰ এক দুঃসাহসিক পদক্ষেপ . . .

কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, পি জি পি, নেচনেল কনফাৰেন্সকে ধৰি কিছুমান বিৰোধী দলে চৰকাৰৰ এই সিদ্ধান্তৰ ঘোৰ বিৰোধিতা কৰাৰ বিপৰীতে এ' আই এ' ডি এম কে, বিজু জনতা দল, বি এছ পি, আম আদমী পাৰ্টী, তেলেংগানা ৰাষ্ট্ৰ সমিতি, ৱাই এছ আৰ কংগ্ৰেছ আদি বিৰোধীৰে অধিকাংশ দলে চৰকাৰৰ এই পদক্ষেপৰ প্ৰতি সমৰ্থন আগবঢ়ালে। লক্ষণীয়ভাবে, কংগ্ৰেছৰ কিছুমান নেতাই এই সিদ্ধান্তক সমৰ্থন জনালে।

দেশে স্বাধীনতা লাভ কৰাৰ সময়ত কাশ্মীৰৰ সেই সময়ৰ মহাৰাজা হৰি সিঙে ভাৰত বা পাকিস্তানত অন্তৰ্ভূক্ত নহৈ স্বাধীন ৰাষ্ট্ৰ হিচাপে থাকিবলৈ বিচাৰিছিল। ইয়াৰ বিপৰীতে সেই সময়ৰ কাশ্মীৰৰ আঞ্চলিক দল নেচনেল কনফাৰেন্সৰ নেতা আৰু ফাৰুক আব্দুল্লাৰ পিতৃ প্ৰয়াত শ্বেখ আব্দুল্লাই মহাৰজা হৰি সিঙৰ বিৰুদ্ধে 'কাশ্মীৰ ত্যাগ' আন্দোলনৰ নেতৃত্ব দিছিল। কিন্তু 1947 চনৰ 22 অক্টোবৰত পাকিস্তানে হঠাৎ কাশ্মীৰ আক্ৰমণ কৰাত বিতত হৈ মহাৰজা হৰি সিঙে ভাৰতৰ সহায় বিচাৰে আৰু 26 অক্টোবৰত ভাৰতৰ সৈতে কাশ্মীৰৰ চামিলকৰণ চুক্তিত স্বাক্ষৰ কৰে। অৱশ্যে ইতিমধ্যেই পাকিস্তানে কাশ্মীৰৰ এক বৃহৎ অংশ, প্ৰায় 78,114 বৰ্গ কিলোমিটাৰ নিজৰ দখললৈ নিয়ে যাক আজিও আমি সকলোৱে 'পাক অধিকৃত কাশ্মীৰ' বুলি জানো।

এনে এক ৰাজনৈতিক পৰিস্থিতিত দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু আৰু মহাৰজা হৰি সিঙে 1947 চনত শ্বেখ আব্দুল্লাক জম্মু-কাশ্মীৰৰ প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিছিল। শ্বেখ আব্দুল্লা নিজে জম্মু-কাশ্মীৰত স্থায়ী স্বায়ত্ব শাসনৰ পক্ষপাতী আছিল আৰু তেওঁৱেই 370 ধাৰাৰ খচৰা প্ৰস্তুত কৰিছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰে সেয়া মানি লোৱা নাছিল আৰু এক অস্থায়ী ব্যৱস্থা বিচাপেহে সংবিধানত 370 অনুচ্ছেদটো অন্তৰ্ভূক্ত কৰিছিল যাৰ দ্বাৰা জম্মু-কাশ্মীৰে লাভ কৰিছিল বিশেষ ৰাজ্যৰ মৰ্য্যদা। কিন্তু তাৎপৰ্য্যপূৰ্ণভাৱে ভাৰতীয় সংবিধানৰ পিতৃস্বৰূপ ড$^{0}$ বি আৰ আম্বেদকাৰ ডাঙৰীয়াই এই 370 নং অনুচ্ছেদৰ বিৰোধী আছিল।

সংবিধানৰ এই 370 নং অনুচ্ছেদৰ অধীনত জম্মু-কাশ্মীৰ ৰাজ্যখনৰ বাবে এক সুকীয়া সংবিধান, সুকীয়া পতাকা, নাগৰিকসকলৰ বাবে দ্বৈত নাগৰিকত্ব ইত্যাদি ব্যৱস্থা কৰা হ'ল। ভাৰতীয় সংবিধানৰ অন্যান্য সকলো বাধা দেশৰ আন অংশত প্ৰযোজ্য হ'লেও জম্মু-কাশ্মীৰত সেয়া প্ৰযোজ্য হোৱা নাছিল। প্ৰতিৰক্ষা, বিত্ত, বিদেশ আৰু যোগাযোগ ব্যৱস্থাক বাদ দি আন কোনো বিষয়ত ভাৰত চৰকাৰে জম্মু-কাশ্মীৰত হস্তক্ষেপ কৰাৰ অধিকাৰ নাছিল। আনকি ভাৰতৰ সাংসদে জম্মু-কাশ্মীৰৰ বাবে কোনো আইন প্ৰনয়ণ কৰাৰ অধিকাৰো লাভ কৰা নাছিল। আইন প্ৰনয়ন কৰিবলৈ হ'লে জম্মু-কাশ্মীৰ বিধানসভাৰ অনুমোদনৰ প্ৰয়োজন হৈছিল।

370 নং অনুচ্ছেদৰ অধীনত 1954 চনৰ 14 মে'ত সংবিধানত 35 (এ') ধাৰা বা উপবিধিটো সংযোজন কৰা হৈছিল। এই ধাৰাৰ অধীনত জম্মু-কাশ্মীৰৰ স্থানীয় বাসিন্দাসকলে কেতবোৰ বিশেষ সা-সুবিধা লাভ কৰি আহিছিল। সেই অনুসৰি- জম্মু-কাশ্মীৰৰ স্থায়ী বাসিন্দাক বাদ দি ভাৰতৰ আন কোনো ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ লোকে জম্মু-কাশ্মীৰত মাটি-বাৰীকে ধৰি কোনো ধৰণৰ স্থাৱৰ সম্পত্তি ক্ৰয় কৰিব নোৱাৰিছিল। কিনিবলৈ হ'লে অতি কমেও দহ বছৰ স্থায়ীভাৱে কাম কৰিব লাগিছিল। একেদৰে ৰাজ্যখনৰ বাহিৰৰ কোনো লোকে ৰাজ্যখনত চাকৰিৰ বাবে আবেদন কৰিব নোৱাৰিছিল, ভোটাধিকাৰো লাভ কৰা নাছিল, ব্যৱসায়-বানিজ্য কৰিব নোৱাৰিছিল।

কাশ্মীৰী মহিলাই আন ৰাজ্যৰ পুৰুষক বিয়া কৰালে ৰাজ্যখনত তেনে মহিলাই সা-সম্পত্তিৰ অধিকাৰ হেৰুৱাই। আনকি তেনে মহিলাৰ উত্তৰাধিকাৰীয়েও সম্পত্তিৰ মালিকীস্বত্ব বা অধিকাৰ নাপাইছিল। তদুপৰি দেশৰ অন্যান্য ৰাজ্যসমূহত বিধানসভাসমূহৰ 5 বছৰীয়া কাৰ্য্যকালৰ বিপৰীতে জম্মু-কাশ্মীৰৰ বিধানসভাৰ কাৰ্য্যকাল আছিল 6 বছৰ। কোন স্থায়ী বাসিন্দা হয় আৰু কোন নহয় সেয়া নিৰ্ণয় কৰাৰ অধিকাৰ আছিল কেৱল জম্মু-কাশ্মীৰ বিধানসভাৰহে। কাশ্মীৰত বৌদ্ধ আৰু হিন্দু শৰনাৰ্থীয়ে আশ্ৰয় নাপায়, তাৰ বিপৰীতে আশ্ৰয় পায় ৰোহিংগিয়া মুছলমানে। শিখ, হিন্দু আদি সংখ্যালঘু সম্প্ৰদায়ৰ বাবে কোনো ধৰণৰ আসন সংৰক্ষণৰ ব্যৱস্থা নাছিল।

ৰাজনৈতিক কাৰণত স্বাধীনতাৰ পিছত জম্মু-কাশ্মীৰত অস্থায়ীভাৱে দিয়া বিশেষ সা-সুবিধাসমূহ ৰাজ্যখনৰ বাসিন্দাসকলে যোৱা 72 বছৰে ভোগ কৰি অহাৰ পাছতো ৰাজ্যখনৰ কিন্তু বিশেষ উন্নতি বা পৰিবৰ্তন পৰিলক্ষিত নহ'ল। বৰং ৰাজ্যখনৰ একাংশ পাক সমৰ্থিত সন্ত্ৰাসবাদী আৰু বিচ্ছিন্নতাবাদীৰ ঘাটিহে হৈ পৰিল। স্বাভাৱিকতে, পাকিস্তানে ভাৰতৰ এই সিদ্ধান্তৰ বিৰুদ্ধে যুদ্ধৰ ভাবুকি দিছে, চীনেও লাডাখক কেন্দ্ৰীয় শাসিত অঞ্চল কৰাৰ বিৰোধিতা কৰিছে। ইতিমধ্যেই আন্তঃৰাষ্ট্ৰীয় মঞ্চত পাকিস্তানে মুখ থেকেচা খাইছে।

কেন্দ্ৰীয় চৰকাৰৰ 370 নং অনুচ্ছেদ আৰু 35 (এ') ধাৰা বাতিলৰ ঘোষণাৰ দ্বাৰা কাশ্মীৰী জনগণ ওপৰত উল্লেখ কৰা সকলো বিশেষ সা-সুবিধা তথা অধিকাৰৰ পৰা বঞ্চিত হ'ব যদিও দেশৰ অন্যান্য নাগৰিকসকলে লাভ কৰি অহা সকলো সা-সুবিধা আৰু অধিকাৰ লাভ কৰিব। দেশৰ অন্যান্য অংশৰ লোকসকলেও এতিয়াৰ পৰা জম্মু-কাশ্মীৰত মাটি-বাৰী, সা-সম্পত্তি ক্ৰয় কৰিব পাৰিব, ব্যৱসায়-বানিজ্য কৰিব পাৰিব। ইয়াৰ যোগেদি চৰকাৰে "এক দেশ, এক সংবিধান, এক পতাকা" নীতি প্ৰৱৰ্তনৰ জৰিয়তে কাশ্মীৰী জনসাধাৰণ যাতে দেশৰ মূল সুঁতিৰ লগত অন্তৰ্ভূক্ত হৈ মিলি যাব পাৰে তাৰ আশা কৰিছে। কাৰণ কাশ্মীৰ সমস্যা মাথোন পাক সমৰ্থিত সন্ত্ৰাসবাদেই নহয়, ৰাজ্যখনত গঢ় লৈ উঠা বিচ্চিন্নতাবাদো এক ডাঙৰ সমস্যা। দেশৰ উচ্চতম ন্যায়ালয়েও ঢুকি নোপোৱা এই ৰাজ্যখনত আইন শৃংখলা পৰিস্থিতি মোকাবিলা কৰিবলৈ আৰু সীমান্তৰ সুৰক্ষাৰ বাবে চৰকাৰে দিনে প্ৰায় 6 কোটিকৈ টকা ব্যয় কৰিব লগা হৈছে। ৰাজ্যখনৰ পৰা সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদ উৎখাত কৰি ৰাজনৈতিক তথা আৰ্থসামাজিক সংস্কাৰ সাধনৰ জৰিয়তে উন্নয়নৰ কাৰ্য্যসূচীৰ দ্বাৰা কাশ্মীৰীসকলক বৃহত্তৰ ভাৰতীয় সমাজৰ অংশীদাৰ কৰি এখন অখণ্ড ভাৰতবৰ্ষ গঢ়ি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সঠিক সময়ত এক যুগান্তকাৰী দুঃসাহসিক পদক্ষেপ গ্ৰহণ কৰাটো সঁচাকৈয়ে আদৰণীয়।

১ পৃষ্ঠাৰ পৰা

## জি -৭ শীৰ্ষ সন্মিলন. . .

অৱবাহিকাৰ অৰণ্যত বনজুইয়ে যি বিভিষিকাৰ সৃষ্টি কৰিলে তাক নিয়ন্ত্ৰণৰ পৰ্য্যায় পাইছেহি যদিও প্ৰায় ৯ খন ৰাষ্ট্ৰ আগুৰি থকা আৰুব্ৰাজিলৰেই মুখ্য অংশ অন্তৰ্ভুক্ত হৈ থকা অমাজন বৰ্ষাৰণ্যৰ জুইকলৈও আৰম্ভ হৈছে আন্ত ৰাষ্টীয় ৰাজনীতি। বহুতে ব্ৰাজিলক সন্দেহৰ চকুৰে চোৱাৰ বিপৰীতে আন কিছুমানে আকৌ কোনো আন্তঃ জাৰ্তিক দুষ্ট চক্ৰই অমাজ'নৰ বনজসম্পদৰ ওপৰত শেন চকু পেলোৱা বুলি ক'ব বিচাৰিছে। সেয়া যিয়েই নহওঁক অমাজ'নৰ বনজুইৰ ধোঁৱা আৰু ইয়াৰ পৰৱৰ্তী সময়ত পৰিব পৰা স্বাস্থ্যজনিত অলেখ সমস্যা আমাৰ হৃদয়তো যে সোমাবহি সেয়া নিশ্চিত।

যোৱা ২৪ পৰা ২৬ আগষ্টলৈ (২০১৯) তাৰিখলৈকে ফ্ৰান্সৰ বিয়াৰিটজত অনুস্থিত হোৱা জি -৭ শীৰ্ষক সন্মিলনত পৰিৱেশ সম্পকীয় গুৰুত্বপূৰ্ণ ঘোষণা কৰাৰ লগতে ব্ৰাজিলৰ অমাজ'ন অৱবাহিকাৰ বিধ্বংসী বনজুইয়ে সৃষ্টি কৰিব পৰা ভয়াৱহ ভৱিষ্যতৰ কথাও আলোচনা কৰা হয়। জি - ৭ শীৰ্ষ সন্মিলন (৪৫ সংখ্যক) ৰ প্ৰাক্‌ক্ষণত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনে অমাজ'নৰ বনজুই সম্পৰ্কে কয় যে "পৃথিৱীৰ ২০ শতাংশ মুক্ত বায়ুৰ যোগান ধৰা অমাজ'ন বনাঞ্চলৰ জুয়ে ভৱিষ্যত পৰিৱেশ প্ৰদূষণত ভয়াৱহতাৰ ইংগিত বহন কৰিছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতিজনে কয় যে অমাজ'নৰ বনজুই এটা আন্তৰাষ্ট্ৰীয় সমস্যা। গতিকে এই সমস্যাৰ বিষয়ে আলোচনাই- মুখ্য স্থান পাব লাগে জি- ৭ বৈঠকত। অৱশ্যে ইমানুৱেল মেক্ৰণৰ ঘোষণাই ব্ৰাজিলক ক্ষুণ্ণ কৰিলে আৰু ফ্ৰান্সক ঔপনিৱেশিকতাৰ পোষকতা কৰা ৰাষ্ট্ৰ আৰু তেনে ৰাষ্ট্ৰ থকা সংস্থাৰ পৰা ফুটাকড়ি এটাও নলওঁ বুলি ব্ৰাজিলৰ পৰিৱেশ মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে। জি -৭ বৈঠকে তিনি দিন ধৰি কৰা আলোচনাৰ অন্তত ব্ৰাজিল চৰকাৰলৈ আগবঢ়োৱা ২০মিলিয়ন ডলাৰ সাহাৰ্য্য প্ৰত্যাখ্যান কৰি কৈছে যে এইয়া ব্ৰাজিলৰ প্ৰতি কৰা অপমান। জুই নিৰ্বাপিতকৰণৰ বাবে খৰছ কৰাৰ বাবে আগবঢ়োৱা উক্ত ২০ মিলিয়ন ডলাৰ ইউৰোপৰ বনানিকৰণত খৰছ কৰাৰহে প্ৰয়োজনীয় আছে বুলি ব্ৰাজিলৰ মন্ত্ৰী গৰাকীয়ে কটাক্ষ কৰে।

জি-৭ ৰ ৪৫ সংখ্যক শীৰ্ষ সন্মিলনত অন্যান্য প্ৰস্তাৱৰ লগতে গ্ৰহণ কৰা অমাজ'ন সম্পৰ্কীয় তৎকালীন প্ৰস্তাৱত ব্ৰাজিলে গ্ৰহণ কৰা ভূমিকাত অসন্তুষ্ট হৈ আয়াৰলেণ্ড আৰু ফ্ৰান্সে ইউৰোপীয়ান ইউনিয়ন আৰু দক্ষিণ আমেৰিকাৰ ৰাষ্ট্ৰসমূহৰ লগত থকা মুক্ত বাণিজ্য চুক্তি বাতিল কৰিব বুলি ভাবুকি দিছে ,যদিহে অমাজ'ন অঞ্চলত নিৰ্বনানিকৰণ কাৰ্য্য বাদ নিদিয়ে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব, পাৰি বহুতো ৰাষ্ট্ৰই এই বনজুইৰ বাবে ব্ৰাজিলকে দোষাৰোপ কৰিব বিচাৰে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতিগৰাকীয়েও যি সদিচ্ছাৰে প্ৰস্তাৱটো আগ ঢ়াইছিল তাক লৈ অপব্যাখাৰে ব্ৰাজিল আৰু জি-৭ বৈঠক অনুষ্ঠিত কৰা ৰাষ্ট্ৰখনৰ মাজত ব্যক্তিগত কাজিয়ালৈ পৰ্যবসিত হ'ল। ইমানুৱেল মেক্ৰণৰ ব্যক্তিগত অনুৰোধত যোগদান কৰা ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়েও পৃথিৱীৰ আটাইতকৈ ধনী দেশ কেইখনৰ ৰাষ্ট্ৰপ্ৰধানক জলবায়ু পৰিৱৰ্তন আৰু ডিজিটেল ট্ৰেন্সফৰ মেচনৰ ওপৰত বক্তব্য ৰাখে। দুটা উদ্দেশ্য আৰু অভিপ্ৰায় লৈ ফ্ৰান্স ভ্ৰমণ কৰা ভাৰতৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্প, ৰাষ্ট্ৰ সংঘৰ সচিব প্ৰধান এণ্টিনিও গুটাৰেছৰক শেহতীয়াকৈ জম্মু আৰু কাশ্মীৰৰ পৰা অনুচ্ছেদ ৩৭০ প্ৰত্যাহাৰ কৰা আৰু পৰৱৰ্তী পৰিস্থিতিৰ সম্পৰ্কত ব্যাখ্যা দিয়ে। বিশেষকৈ পাকিস্তানৰ প্ৰতি থকা সহানুভূতিৰ বাবেই কাশ্মীৰ বিষয়ত মধ্যস্থতা কৰিবলৈ উদ্যত হৈ থকা আমেৰিকাৰ ৰাষ্টপতিক ৰাজ্য খনৰ শেহতীয়া পৰিৱেশ পৰিস্থিতি সম্পৰ্কে বুজাই দিয়াটো মোডীৰ প্ৰধান উদ্দেশ্য আছিল, য'ত আলোচনাকালত আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কাশ্মীৰ সম্পৰ্কত পূৰ্বতে তেওঁ আগবঢ়োৱা মন্তব্য প্ৰত্যাহাৰ কৰিবলৈও ইচ্ছা প্ৰকাশ কৰে। পৃথিৱীৰ ৭খন অৰ্থনৈতিক ভাৱে উন্নত ৰাষ্ট্ৰ-ফ্ৰান্স্, কানাডা, জাৰ্মানী, ইটালী, জাপান, ইংলেণ্ড আৰু আমেৰিকাক জি -৭ বুলি জনা যায়। ২০১৪ চনত ৰাছিয়াক বহিস্কাৰ কৰাত এই গোটটো জি-৮ ৰ পৰা জি - ৭ হিচাপে পৰিচিত।

২০ মিলিয়ন ডলাৰ আগবঢ়াই দায়িত্ব সামৰা পৃথিৱীৰ ধনাঢ্য দেশকেইখনে অমাজ'নৰ জুই নিৰ্বাপিতকৰণৰ উপৰিও পৰৱৰ্তী পদক্ষেপ দূৰদৃষ্টিসম্পন্নভাৱে প্ৰস্তাৱ আকাৰে লোৱা হ'লে ব্ৰজিলেই নহয় বাকী ৮ খন ৰাষ্ট্ৰই ইয়াক সহযোগিতা কৰিলেহেঁতেন নিশ্চয়, যিটো জি -৭ গোটে কৰাৰ সদিচ্ছা নেদেখুৱালে। কেৱল ব্ৰজিলক বাচি লোৱাত ঔপনিৱেশিক চৰিত্ৰ গন্ধ বিয়পাটো স্বাভাৱিক, কিয়নো বাকী ৮ খন দেশৰ ৬ খনেই অৰ্থনৈতিক ভাৱে অনুন্নত ৰাষ্ট্ৰ। অৱশ্যে অমাজ'নৰ সেউজীয়া অঞ্চল যাক পৃথিৱীৰ হাওঁ ফাওঁ বুলি জনা যায়, ইয়াৰ ৫৬.৪ শতাংশ অঞ্চল আগুৰি থকা ব্ৰাজিলৰ ভূমিকা সন্দেহৰ উৰ্দ্ধত নহয়।

# ড° দীনেশ চন্দ্ৰ গোস্বামী: জীৱন আৰু কৃতি

❑ শেৱালি শইকীয়া বৰদলৈ

ড$^0$ দীনেশ চন্দ্ৰ গোস্বামীদেৱ বৰ্তমান অসমৰ এটি সমাদৃত আৰু পৰিচিত নাম। অসমৰ জনগণৰ অতিশয় আপোন এইগৰাকী ব্যক্তি অসমী আইৰ সু-সন্তান। বহুগুণী, কৰ্মোদ্যমী ড$^0$ গোস্বামীদেৱ স্বকীয় চিন্তা, কৰ্ম, প্ৰোজ্জ্বল প্ৰতিভাৰে মহিমামণ্ডিত আৰু প্ৰেৰণাৰ অমল উৎস। শিক্ষকতাৰ পৰা আঞ্চলিক গৱেষণা কেন্দ্ৰৰ সঞ্চালকৰ আসন অলঙ্কৃত কৰালৈকে এই দীঘলীয়া কৰ্মময় জীৱনৰ মাজতে অসমৰ সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানো অতুলনীয়।

জন্ম: নলবাৰী জিলাৰ উলুবাৰী সত্ৰত 1949 চনৰ 1 মাৰ্চ তাৰিখে ড$^0$ দীনেশ চন্দ্ৰ গোস্বামীৰ জন্ম হয়। পিতৃ স্বৰ্গীয় অনন্তনাথ গোস্বামী আৰু মাতৃ স্বৰ্গীয় গিৰিবালা গোস্বামী।

শিক্ষা-দীক্ষা: কৰ্মসূত্ৰে পিতৃৰ বদলিকৰণ হৈ থকাত ড$^0$ গোস্বামীদেৱে তিনিখনকৈ প্ৰাথমিক বিদ্যালয় সলাইহে প্ৰাথমিক শিক্ষা সাং কৰে। 1956 চনত নলবাৰীৰ দাহুদী প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ আৰম্ভণি ঘটে। সেই একে বছৰতে ধুবুৰীৰ দক্ষিণ শালমৰা প্ৰাথমিক বিদ্যালয়ত শিক্ষা লাভ আৰু 1956 চনত মঙ্গলদৈ 1 নং প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক পৰীক্ষাত উত্তীৰ্ণ হয়। সৰুৰে পৰা অত্যন্ত মেধাৱী ছাত্ৰৰূপে পৰিচিত ড$^0$ গোস্বামীদেৱে প্ৰাথমিক বৃত্তি লাভ কৰি মেধাৰ পৰিচয় দিছিল। পৰৱৰ্তী সময়ত 1956–59 চনৰ সময়চোৱাত তেখেতে মঙ্গলদৈ হাইস্কুলত শিক্ষা গ্ৰহণ কৰে যদিও পিতৃৰ বদলিকৰণ হোৱাত পুনৰ ৰঙিয়া হাইস্কুলত নামভৰ্তি কৰে। 1963 চনত ৰঙিয়া হাইস্কুলৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত প্ৰৱেশিকা পৰীক্ষাত দুটা বিষয়ত লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত সু-খ্যাতিৰে উত্তীৰ্ণ হয়। ইয়াৰ পাছৰ বছৰতে প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষাত অসমৰ ভিতৰতে সপ্তম স্থান লাভ কৰি উত্তীৰ্ণ হয়। পদাৰ্থ বিজ্ঞান বিষয়ক সন্মান হিচাপে গ্ৰহণ কৰি ড$^0$ গোস্বামীদেৱে অসমৰ আগশাৰীৰ কটন মহাবিদ্যালয়ত নাম ভৰ্তি কৰে আৰু 1967 চনত সু-খ্যাতিৰে প্ৰথম শ্ৰেণীৰ দ্বিতীয় হৈ স্নাতক ডিগ্ৰী লাভ কৰে। থিক তেনেদৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাই 1969 চনত প্ৰথম শ্ৰেণীৰ দ্বিতীয় হৈ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি কলিকতাৰ সাহা ইনষ্টিটিউট অব্ নিউক্লিয়াৰ ফিজিক্সৰ পৰা পদাৰ্থ বিজ্ঞানত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিপ্ল'মা লাভ কৰে। ইয়াৰ উপৰি ভাষা অধ্যয়নৰ প্ৰতিও ড$^0$ গোস্বামীদেৱৰ তীব্ৰ আগ্ৰহ থকাৰ বাবে সেই শিক্ষাও গ্ৰহণ কৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ফৰাছী ভাষাত পাৰদৰ্শিতাৰ মানপত্ৰ  লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ত ড$^0$ কিশোৰী মোহন পাঠকৰ অধীনত গৱেষণা কাৰ্য সম্পন্ন কৰি 1976 চনত বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ সন্মান পি এইচ ডি ডিগ্ৰী লাভ কৰে। তেখেতৰ গৱেষণাৰ বিষয় হ'ল "মহাজাগতিক ৰশ্মি"।

কৰ্মজীৱন: ড$^0$ দীনেশ চন্দ্ৰ গোস্বামীদেৱৰ কৰ্ম জীৱন আৰম্ভ হয় অধ্যাপকৰূপে। 1970 চনত তেখেতে গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ত প্ৰৱক্তাৰূপে দুবছৰ কৰ্মজীৱন অতিবাহিত কৰাৰ পাচত 1972 চনত কটন মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰৱক্তাৰূপে যোগদান কৰি চাৰিবছৰ ধৰি স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষাদান কৰে।

ড$^0$ গোস্বামীদেৱৰ কৰ্মজীৱনৰ দ্বিতীয় অধ্যায়ৰ সূচনা হয় এজন দায়িত্বশীল বিজ্ঞানী স্বৰূপে 1976 চনত। নতুন দিল্লীস্থ চি এচ অই আৰৰ বিজ্ঞানী 'বি' পদত নিয়োজিত হোৱাৰ পাছত বিজ্ঞানী 'চি', বিজ্ঞানী 'ই-1', বিজ্ঞানী 'ই-2', বিজ্ঞানী 'এফ', বিজ্ঞানী 'জি' আৰু আঞ্চলিক গৱেষণাগাৰ, যোৰহাটৰ ভাৰপ্ৰাপ্ত সঞ্চালক আৰু শেষত সঞ্চালক উপদেষ্টা হিচাপে তেখেতে অৱসৰ গ্ৰহণ কৰে।



কৰ্মজীৱনৰ দুয়োটা অধ্যায়ত ড$^0$ দীনেশ চন্দ্ৰ গোস্বামীদেৱ অতি সফল ব্যক্তি। বিজ্ঞানী স্বৰূপে আগবঢ়োৱা অৱদানৰ বাবে তেখেতক সময় প্ৰৱাহে সদায় মনত ৰাখিব কিয়নো গৱেষণা উন্নয়নৰ ক্ষেত্ৰত তেখেতে চি এচ আই আৰ আৰু নেইষ্টত 30 বছৰ গৱেষণাৰ পৰিকল্পনা, মূল্যায়ন আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠাত মুখ্য ভূমিকা পালন কৰে।

সাহিত্যিক জীৱন: সাহিত্যিক হিচাপে ড$^0$ দীনেশ চন্দ্ৰ গোস্বামীদেৱৰ এক সুকীয়া পৰিচয় আছে। গল্প, উপন্যাস, শিশু সাহিত্য ৰচনা কৰাৰ উপৰিও তেখেতৰ বিশেষ কীৰ্তি বিজ্ঞান লেখক হিচাপেহে। বিজ্ঞান বিষয়ক জনপ্ৰিয় কৰিবলৈ তেখেতে সাহিত্যক মাধ্যম হিচাপে গ্ৰহণ কৰি সফলতা লাভ কৰা দেখা যায়। পদাৰ্থ বিজ্ঞান, জ্যোৰ্তিবিজ্ঞানৰ জটিল তত্ত্বক সহজতে উপ স্থাপন কৰি পাঠক সমাজলৈ আগবঢ়াই জনপ্ৰিয়তাৰ দিশলৈ লৈ যোৱাৰ বাবেই তেখেত এগৰাকী জনপ্ৰিয় বিজ্ঞান লেখক। তেখেতে জনপ্ৰিয় বিজ্ঞানৰ প্ৰায় 47 খন প্ৰবন্ধ, গ্ৰন্থাদি ৰচনা কৰে। তাৰ ভিতৰত উল্লেখযোগ্য কেইখনৰ নাম হ'ল- অভিনৱ আৱিস্কাৰ (1947), মানুহ আৰু মহাকাশ (1976), বিশ্বব্ৰহ্মাণ্ড (1977), আমাৰ বেলিটো (1977), দেৱতা পৃথিৱীলৈ আহিছিল নেকি? (1977), Our Wonderful Universe (1995), বিজ্ঞানীৰ লগত কাল্পনিক সাক্ষাৎকাৰ (1995), বিজ্ঞানৰ সৰু সৰু কথা- চিৰিজ 1ৰ পৰা 10 লৈকে (1995 চনৰ পৰা 2004 চনৰ ভিতৰত ৰচিত), পদাৰ্থ বিজ্ঞানৰ মনোৰম জগতখন (1996), পুতুল খুৰাৰ আজৱ কাণ্ড (1997) ইত্যাদি।

ইয়াৰ বাহিৰেও তেখেতে নৱম-দশম শ্ৰেণী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক শাখাৰ বাবে বিজ্ঞান বিষয়ক পাঠ্যপুথিও প্ৰণয়ন কৰিছে।

ড$^0$ দীনেশ চন্দ্ৰ গোস্বামীদেৱে কল্প-বিজ্ঞান বিষয়ক বহুবোৰ অনুবাদ গ্ৰন্থ ৰচনা কৰিছে। তাৰ ভিতৰত অতিশয় জনপ্ৰিয় কেইখনমান অনুবাদ গ্ৰন্থ হ'ল জুল ভাৰ্নৰ Twenty thousand leagues under the seaৰ অসমীয়া অনুবাদ সাগৰৰ তলিয়েদি কুৰি হাজাৰ লিগ (1982), আৰ্থাৰ চি ক্লাৰ্কৰ এখন মহাকাশ অডিচি (1996), বাল ফোণ্ডকেৰ It happened tomorrowৰ অসমীয়া অনুবাদ কালিলৈ এনে ঘটিছিল (1996) ইত্যাদি।

ড$^0$ গোস্বামীদেৱ এজন জনপ্ৰিয় বিজ্ঞান, কল্প-বিজ্ঞানৰ অনুবাদকৰ উপৰিও মৌলিক সাহিত্যৰ নিৰ্মাতাও। তেখেতে জোনাকীৰ জিলিকনি (1992), শব্দ, নিৰন্তৰ শব্দ (1992), উষ্ম প্ৰৱাহ (193), প্ৰতি বিশিষ্ট সমাজ (2004), আত্মজীৱনীৰ প্ৰয়াস (2007), দিব্য উপবন (2009), আত্মজীৱনীৰ দ্বিতীয় প্ৰয়াস (2014)ৰ দৰে উপন্যাস আৰু ট্ৰাইটনৰ অভিযান (1992) নামৰ শিশু নাটিকাৰ লগতে ভালেমান এনেধৰণৰ সাহিত্য ৰচনা কৰিছে।

তেখেতৰ উল্লেখনীয় গল্প সাহিত্যৰ নিৰ্মাণ হ'ল ভদ্ৰতামাপক যন্ত্ৰ (1985), পোৰ্টেবল স্মেল এব্জৰ্বাৰ (1986), এক তৰঙ্গৰ দৰে (1995), অভিন্ন হৃদয় (2004), কল্পজগত (2004)।

মৌলিক সাহিত্য ৰচনাৰ উপৰি তেখেতে এজন গ্ৰন্থ সংকলক আৰু সম্পাদকো। বৰ্তমানলৈকে ড$^0$ গোস্বামীদেৱে প্ৰায় 240 খন গ্ৰন্থ সম্পাদনা কৰিছে। সেইবোৰৰ বিষয়- বিশ্বকোষ, বিজ্ঞান সাহিত্য, পাঠ্যপুঠি আৰু অন্যান্য ভিন্ন বিষয়ক।

সদস্য আৰু পদৱী: ড$^0$ দীনেশ চন্দ্ৰ গোস্বামীদেৱ বহুবোৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ সৈতেও সম্পৰ্কিত হৈ আছে। সেইবোৰৰ ভিতৰত অসম বিজ্ঞান সমিতিৰ সভাপতি, অসম বিজ্ঞান লেখক সন্থাৰ সভাপতি, আমেৰিকাস্থ আন্তৰ্জাতিক বিজ্ঞান লেখক সংস্থাৰ সদস্য, ভাৰতীয় বিজ্ঞান লেখক সংস্থাৰ আজীৱন সদস্য, হিতৈষী সভ্য, অসম সাহিত্য সভাৰ আজীৱন সভ্য, অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি, ভাৰতীয় কল্প বিজ্ঞান লেখক সংস্থাৰ সৈতেও জড়িত হৈ আছে।

ৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্যিক সন্মান: সাহিত্য আৰু কৰ্ম জীৱনৰ কৃতিত্বৰ বাবে ড$^0$ দীনেশ চন্দ্ৰ গোস্বামীদেৱ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটাৰে ইতিমধ্যে বহুবাৰ সন্মানিতও হৈছে। শিশু সাহিত্যৰ বাবে অসম সাহিত্য সভাৰ দ্বাৰা তেখেত তিনিবাৰকৈ সন্মানিতও হৈছে আৰু শিশু সাহিত্যৰ বাবেই পুনৰ 1980 চনত ৰাষ্ট্ৰীয় সন্মানেৰেও সন্মানিত হৈছে। গনমাধ্যমৰ যোগেদি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জনপ্ৰিয়কৰণত উল্লেখনীয় অৱদান আগবঢ়োৱাৰ বাবে 1997 চনত তেখেত ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত হয়।

ড$^0$ দীনেশ চন্দ্ৰ গোস্বামীদেৱ কৰ্মৰে উদ্ভাসিত এজন নিৰলস সাধক, কৰ্মজীৱন প্ৰাপ্তি আৰু পুৰস্কাৰেৰে সমাহিত হোৱাৰ উপৰিও বৰ্তমানে সামাজিক কামত নিজকে নিয়োজিত ৰাখিছে। বৃক্ষ ৰোপণ, কৰ্মশালা সঞ্চালনা, বক্তৃতা প্ৰদানৰ জৰিয়তে নিজৰ কৰ্মৰ প্ৰেৰণা সকলোৰে মাজত বিয়পাই দি আনকো অনুপ্ৰাণিত কৰিছে।

অন্যান্য: পত্নী ড$^0$ ৰূপশ্ৰী গোস্বামী, পুত্ৰ প্ৰাঞ্জল গোস্বামী, কন্যা ডাঃ প্ৰণালী গোস্বামীৰে সৈতে তেখেতৰ এখন সুখেৰে আৰৱা সংসাৰ আছে।

জনতাৰ হৃদয়ত সোমাই থকা এইজন বৰেণ্য ব্যক্তিৰ জীৱন দৰ্শন সম্পৰ্কে দুখনকৈ গ্ৰন্থ বৰ্তমানে প্ৰকাশিত হৈছে। এখন হ'ল প্ৰতিভা দেৱীৰ বিশিষ্ট বিজ্ঞান লেখক আৰু প্ৰচাৰক ড$^0$ দীনেশ চন্দ্ৰ গোস্বামী আৰু আনখন হ'ল ড$^0$ প্ৰমোদ চন্দ্ৰ নেওগৰ মুখ্য সম্পাদনা আৰু ড$^0$ মণ্টু ভূএগাৰ সম্পাদিত ড$^0$ দীনেশ চন্দ্ৰ গোস্বামী- ভৱিষ্যতৰ মানুহ, শিক্ষক দিৱসৰ এই পবিত্ৰ দিনটোত শিক্ষক তথা আজীৱন বিজ্ঞানগুৰুগৰাকীৰ সু-স্বাস্থ্য আৰু দীৰ্ঘজীৱনৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

্বিঃদ্ৰ: লেখাটি যুগুত কৰিবৰ বাবে সদায় ড$^0$ দীনেশ চন্দ্ৰ গোস্বামী চাৰ আৰু ড$^0$ ৰূপশ্ৰী গোস্বামী বাইদেৱে তথ্য দি সহায় নকৰা হ'লে এই লেখা সম্ভৱ নহ'লহেতেন। দুয়োগৰাকী ব্যক্তিলৈ শেষহীন কৃতজ্ঞতা জনালো।

# সম্পাদকীয়

## শিক্ষক দিৱসত এজন মহান শিক্ষকৰ কথাৰে

এজন মহান শিক্ষক। মহান শিক্ষকৰ সংজ্ঞা যিয়েই নাথাকক, আমি ভাৱো যি নিজে গলি গলি আনক পোহৰ দি দি নিঃশেষ হৈ যায় তেৱেঁই মহান, যি দেশ, জাতি তথা মানুহৰ বাবে নিজৰ সৰ্বস্ব বিসৰ্জন দিব পাৰে তেৱেঁই মহান, যি দাৰ্শনিক দৃষ্টিৰে ভৱিষ্যতক দৰ্শন কৰি নতুন চামক পথ দেখুৱাব পাৰে তেৱেঁই মহান, যি কষ্টকো কষ্ট বুলি নাভাৱি নিজৰ দুখতো আনৰ জীৱনলৈ হাঁহিৰ ৰেঙনি ছটিয়াব পাৰে তেৱেঁই মহান, যি মৃত্যুক অমৃতলৈ ৰূপান্তৰ কৰিব পাৰে তেৱেঁই মহান। সেইজন মহান শিক্ষাবিদ চিনামৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত আনন্দ শইকীয়া ছাৰ। তেখেতলৈ প্ৰণাম যাচিছো। অসমতে এনে ব্যক্তিত্ব বিৰল। চিনামৰা অঞ্চলত দুখনকৈ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি অঞ্চলটোক উজ্জ্বল কৰি তুলিলে। তেখেতে নিজে গৱেষণা আধাতে সামৰিলে, কিন্তু, বহুজনৰ গৱেষণাৰ পটভূমি নিৰ্মাণ কৰি দিলে। তেখেতৰ প্ৰতিষ্ঠিত মহাবিদ্যালয়ৰপৰা বছৰি শ শ লোকে উচ্চশিক্ষা গ্ৰহণ কৰি ওলাই গৈছে। কেৱল শিক্ষাই নহয়, গাঁৱৰ শিল্পীৰ বাবে মহাবিদ্যালয়ত ৰাস-ভাওনাৰ মঞ্চ, বৈষ্ণৱৰ বাবে হৰিনামৰ মঞ্চ, শিশুৰ বাবে প্ৰতিভা বিকাশৰ ক্ষেত্ৰ নিৰ্মাণ কৰি দিছে। নিজে বিভিন্ন সভা-সমিতিত সমাজখনৰ শান্তি-শৃংখলাৰ উদ্দেশ্যে ভাষণ দিছে, কৰ্ম কৰি দেখুৱাইছে। নিজে বঁটা বিচৰা নাই, কিন্তু শতাধিক লোকক তেখেতে গুণৰ শলাগ লৈছে, বঁটাৰে সন্মান যাচিছে। শিক্ষক-কৰ্মচাৰী, মিস্ত্ৰী, মালি, ব্যৱসায়ী সকলোকে তেওঁ পেটৰ ভাত দিছে, জ্ঞানান্ধজনক জ্যোতি দিছে, দুৰ্বলীক বল দিছে, অসহায়ক সহায় কৰিছে, হাজাৰজনৰ ঘৰত আশাৰ প্ৰদীপ জ্বলাইছে, যুগবাৰ্তাৰে তেখেতে যুগ সৃষ্টি কৰিছে, মানুহৰ চিন্তাক বিশ্বমুখী কৰিছে, গোলকীয় উষ্ণতাৰ বিৰুদ্ধে সজাগ হৈ গাঁৱে গাঁৱে বৃক্ষৰোপণ কৰাইছে, পৰিৱেশ দিৱস পাতিছে, মানুহৰ হাতৰ মৰণাস্ত্ৰ গুচাই হাতত কলম দিছে, পৃথিৱীৰ এটা বৃহৎ অঞ্চলৰ মানুহক জ্ঞান-সভ্যতাৰ পোছাক পিন্ধাই পৃথিৱীক শান্ত কৰি ৰাখিছে। এখেত জ্ঞানৰ পূজাৰী, পৃথিৱীত শান্তিৰ দূত, জাতি-ধৰ্ম-বৰ্ণ-সম্প্ৰদায়ৰ সংকীৰ্ণতাৰ উৰ্দ্ধৰ এইজন পূণ্যাত্মা শ্ৰীযুত আনন্দ শইকীয়া মহোদয়, আজি শিক্ষক দিৱস উপলক্ষত আপোনাক শতকোটি প্ৰণাম।

## যুগবাৰ্তাৰ কথা

◆ ৰাজনীতি, ধৰ্ম, সম্প্ৰদায়, ব্যক্তি আদিৰ প্ৰতি উদ্দেশ্য প্ৰণোদিত আক্ৰোশযুক্ত সমালোচনামূলক লেখাৰ বিপৰীতে গঠনমূলক, চিন্তাশীল,মৌলিকতা থকা প্ৰৱন্ধহে যুগবাৰ্তাৰ বাবে প্ৰেৰণ কৰিব।

◆ যিকোনো বিষয়ৰ শৈক্ষিক বিশ্লেষণমুক্ত লেখাই যুগবাৰ্তাত অগ্ৰাধিকাৰ পাব।

◆ বিভিন্ন অঞ্চলৰ সংস্কৃতিবান ব্যক্তিৰ কৰ্মজীৱনৰ পৰিচয় প্ৰকাশৰ বাবে ফটোসহ চমু লেখা প্ৰেৰণ কৰিব।

# ২০১৯ ৰ বাজেটত গ্ৰামীন ভাৰত

❑ ৰঞ্জু কুমাৰ ভৰালী

২০১৯ চনৰ ৫ জুলাইত ভাৰতবৰ্ষৰ প্ৰথম পূৰ্ণকালীন বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত পূৰ্ণাংগ বাজেট প্ৰস্তুত কৰে। এই বাজেটত ভাৰতীয় অৰ্থনীতিক ৫ ট্ৰিলিয়ন অৰ্থনীতিলৈ আগুৱাই নিয়াৰ বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। যিখন দেশৰ মুঠ জনসংখ্যাৰ প্ৰায় ৬৫ শতাংশ গ্ৰাম্য অঞ্চলত বাস কৰে সেইখন দেশত গ্ৰাম্য উন্নয়নৰ অবিহনে এই লক্ষ্যত উপনীত হোৱাটো সম্ভৱেই নহয়। সেয়েহে গ্ৰাম্য উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই বাজেটত উন্নয়ন (Growth) আৰু অন্তৰ্ভুক্তিকৰণ (Inclusiveness) এই দুয়োটা উদ্দেশ্য পূৰণৰ অৰ্থে আঁচনি গ্ৰহণ কৰা হৈছে। এই বাজেটত সকলো ক্ষেত্ৰৰ উন্নয়নত বহনযোগ্যতাৰ (Sustainability) ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

গ্ৰাম্য অঞ্চলক বসবাসৰ বাবে অধিক উপযোগী কৰি তুলিবলৈ এই বাজেটত গাঁৱৰ কৃষক আৰু দৰিদ্ৰ শ্ৰেণীৰ সমতাপূৰ্ণ উন্নয়নৰ বাবে ‘গাঁও, গৰীৱ আৰু কিচান’ৰ ধাৰণাটোৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। গ্ৰাম্য উন্নয়নৰ সকলোবোৰ আঁচনি এই ধাৰণাটোক কেন্দ্ৰ কৰিয়ে লোৱা হৈছে। ইয়াৰ বাবে গ্ৰাম্য জনসাধাৰণৰ মৌলিক প্ৰয়োজনীয়তা, যেনে— আৱাস, বিশুদ্ধ খোৱাপানী, বিদ্যুৎ শক্তি আৰু বিশুদ্ধ ৰন্ধন ব্যৱস্থাৰ ওপৰত এই বাজেটত গুৰুত্ব আৰোপ কৰি আঁচনি গ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰী আৱাস যোজনা- গ্ৰামীণৰ অধীনত ২০২২ চনৰ ভিতৰত ‘সকলোৰে বাবে ঘৰ’ৰ (Housing for all) লক্ষ্য হাতত লোৱা হৈছে। এই ঘৰবোৰ সকলো আনুসাংগিক সুবিধা, যেনে— শৌচাগাৰ, বিজুলী শক্তি ইত্যাদি থাকিব। তদুপৰি ২০২২ চনৰ ভিতৰত সকলোৰে ঘৰত বিজুলী শক্তি আৰু বিশুদ্ধ ৰন্ধনৰ সুবিধা প্ৰদানৰ লক্ষ্য লোৱা হৈছে। এই লক্ষ্যত উপনীত হ’ব পাৰিলে ইন্ধন আৰু শক্তিৰ বাবে বনাঞ্চলৰ ধ্বংস যথেষ্ট পৰিমাণে ৰোধ কৰিব পৰা যাব। ২০২২ চনক এনেবোৰ লক্ষ্য পূৰণৰ বাবে বাছি লোৱাৰ মূল কাৰণটো হ’ল এই বছৰটো ভাৰতবৰ্ষৰ স্বাধীনতাৰ হীৰক জয়ন্তী বৰ্ষ। তদুপৰি ‘জলজীৱন অভিযান’ (Jala Jeevan Mission) অধীনত ২০১৪ চনৰ ভিতৰত সকলো গ্ৰাম্য পৰিয়াললৈ বিশুদ্ধ পানী যোগানৰ লক্ষ্য লোৱা হৈছে।

কৃষকসকলৰ আৰ্থিক বহনযোগ্যতাৰ বাবে এই বাজেটত অনাকৃষি কাৰ্যৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি আঁচনি গ্ৰহণ কৰা হৈছে। মৎস্য পালকসকলক সকাহ প্ৰদান কৰি এই বাজেটত এটা নতুন আঁচনি ‘প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনা’ ঘোষণা কৰা হৈছে। এই আঁচনিৰ প্ৰধান লক্ষ্য হ’ল উন্নত মৎস্য আন্তঃগাঁথনি, মৎস্য পালন পৰিচালন পদ্ধতি আৰু মৎস্য উৎপাদন বৃদ্ধিৰ জৰিয়তে মৎস্য পালকৰ আয় বৃদ্ধি কৰা। এই আঁচনিখন অসমৰ দৰে মৎস্য পালনৰ প্ৰচুৰ সম্ভৱনা থকা ৰাজ্যৰ বাবে লাভজনক হ’ব পাৰে। অসমত প্ৰাকৃতিক জলাশয় আৰু বিলবোৰ প্ৰচুৰ পৰিমাণে থকা বাবেএই আঁচনিখনে মৎস্য উদ্যোগৰ বাবে আশাৰ ৰেঙনি কঢ়িয়াই আনিছে।

অনাকৃষিখণ্ডৰ উন্নয়নৰ বাবে আৰু এখন নতুন আঁচনি এই বাজেটত ঘোষণা কৰা হৈছে। আঁচনিখন হ’ল “SFURTI” (Scheme of Fund for Upgradation and Regeneration of Traditional Industries), যাৰ লক্ষ্য হ’ল পৰম্পৰাগত উদ্যোগবোৰক অধিক উৎপাদনশীল আৰু লাভজনক কৰি তোলা যাতে এই উদ্যোগবোৰে গ্ৰামাঞ্চলত উৎপাদনশীল নিয়োগ সৃষ্টি কৰিব পাৰে। এই আঁচনিৰ অধীনত প্ৰথমে বাঁহ-বেতৰ উদ্যোগ, মৌ পালন আৰু খাদী উদ্যোগৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ’ব। এই আঁচনিখনেও উত্তৰ-পূৰ্বাঞ্চল, বিশেষকৈ অসমৰ বাবে বিশেষ তাৎপৰ্য বহন কৰিছে। কাৰণ, এই অঞ্চলত প্ৰচুৰ পৰিমাণে বাঁহ-বেতৰ উৎপাদন হয় আৰু বাঁহ-বেতৰ উদ্যোগে ইতিমধ্যে অসমত পৰম্পৰাগত ঘৰুৱা উদ্যোগ হিচাপে প্ৰতিষ্ঠা লাভ কৰি আহিছে। তদুপৰি গ্ৰাম্য কৃষি উদ্যোগী সৃষ্টিৰ বাবে ASPIRE (Scheme for Promotion of Inovation, Rural Industry and Entrepreneurship) নামৰ এখন নতুন আঁচনি প্ৰৱৰ্তন কৰা হৈছে। এই আঁচনিখনে প্ৰায় ৭৫০০০ দক্ষ গ্ৰাম্য কৃষি উদ্যোগী সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

*১৩পৃষ্ঠাত...*

# মোদী চৰকাৰৰ সংকল্প আৰু কৰ্ম

❑ *মৃণাল হাজাম*

‘আকৌ এবাৰ মোদী চৰকাৰ’ শ্লগানেৰে কেন্দ্ৰত দ্বিতীয়টো কাৰ্যকালৰ বাবে পুনৰবাৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে শেষ হাঁহি মাৰিবলৈ সক্ষম হ’ল। দ্বিতীয়টো কাৰ্যকালৰ বাবে এন ডি এ’ চৰকাৰে 542 খন আসনৰ ভিতৰত ইতিহাস সৃষ্টিৰে পোনপ্ৰথমবাৰৰ বাবে সৰ্বোচ্চ 352 খন আসনেৰে দেশত চৰকাৰ গঠন কৰে। নিৰ্বাচনৰ পূৰ্বে জনসাধাৰণক আকৰ্ষিত কৰিবলৈ চৰকাৰৰ সংকল্প আৰু শেষ হাঁহি মৰাৰ পিছত সেই সমূহৰ কাৰ্যকৰী কিমান দূৰ হৈছে বা নাই হোৱা এজন ছাত্ৰ হিচাপে মই সমালোচনা কৰিবলৈ লোৱা নাই বৰঞ্চ এজন ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ হিচাপে সেই সংকল্পসমূহ কিমানদূৰ কৰ্মলৈ পৰিৱৰ্তন হৈছে বা নাই হোৱা তাকেই এক সম্যক আলোচনা কৰা উদ্দেশ্য।



মাননীয় প্ৰধান মন্ত্ৰীগৰাকী পুনৰবাৰ ক্ষমতালৈ অহাৰ আঁৰত তেওঁৰ বহু সংকল্প ৰূপায়িত কৰাৰ কাৰণেও। যেনে-

(ক) আয়ুষ্মান ভাৰত: 2018 চনৰ 23 চেপ্তেম্বৰত উদ্বোধন কৰা স্বাস্থ্য সম্পৰ্কীয় আঁচনি ‘আয়ুষ্মান ভাৰত’ ইতিমধ্যে ভাৰতৰ 10 লাখ দুখীয়াক সহায় কৰিছে। যিসকল লোকে কেন্সাৰ, হৃদৰোগৰ দৰে জটিল ৰোগৰ চিকিৎসাৰ পৰা বিৰত আছিল এতিয়া এই আঁচনিৰ জৰিয়তে তেনেলোকেও চিকিৎসা কৰি আৰোগ্য লাভ কৰিছে।

(খ) জি এচ টি: ক’লা ধন ৰোধ কৰাৰ উদ্দেশ্যে সমগ্ৰ দেশতে মোদী চৰকাৰে দ্ৰব্য আৰু সেৱা কৰ (জি এচ টি) প্ৰয়োগ কৰে যি কেলেংকাৰী ৰোধ কৰাৰ এক প্ৰধান আহিলা হৈ পৰিল আৰু মোদীৰ জনপ্ৰিয়তা বৃদ্ধি কৰিলে।

(গ) শৌচাগাৰ নিৰ্মাণ: স্বচ্ছ ভাৰত অভিযানৰ অন্যতম প্ৰধান শৌচাগাৰ নিৰ্মাণৰ সংকল্প গ্ৰহণ কৰে 2014 চনতে আৰু 2014 চনৰ অক্টোবৰৰ পৰা বৰ্তমানলৈ সমগ্ৰ দেশত প্ৰায় 92 মিলিয়ন শৌচাগাৰ ইতিমধ্যে নিৰ্মাণ হৈছে আৰু প্ৰায় 500 মিলিয়ন মানুহক সাঙুৰি লোৱা এই প্ৰকল্প বিশ্বৰ ভিতৰতে বৃহত্তম কাৰ্যকৰী প্ৰকল্প হিচাপে পৰিগণিত হৈছে।

(ঙ) বিনামূল্যে এল পি জি যোগান: ‘উজ্বলা যোজনা’ৰ অধীনত প্ৰায় 60 মিলিয়ন বিনামূল্যে এল পি জি যোগান ধৰা হয় দৰিদ্ৰ লোকসকলক। যাৰ জৰিয়তে জুহালত ৰান্ধি খোৱা ৰান্ধনীসকলে গেছত ৰান্ধিবলৈ সুবিধা পাইছে। যি স্বাস্থ্য আৰু অৰ্থনীতি উভয়ে উন্নতি কৰিছে।

ইয়াৰোপৰি যাতায়ত ব্যৱস্থা সুচল কৰাৰ অৰ্থে ৰাস্তা-ঘাট উন্নীতকৰণ, গাঁৱে-চহৰে বিদ্যুৎ শক্তিৰ যোগান, গৃহহীন লোকক প্ৰধান মন্ত্ৰী গ্ৰাম্য আৱাস যোজনাৰ অধীনত গৃহ নিৰ্মাণ. খোৱা পানীৰ যোগান, সামৰিক আৰু সুৰক্ষা ব্যৱস্থা, বিদেশী ৰাষ্ট্ৰৰ লগত মিত্ৰতা স্থাপন, দেশৰ নাম মহাকাশত উজ্জ্বল, স্বাস্থ্যক্ষেত্ৰ, কৃষিক্ষেত্ৰ, শিক্ষা সকলোক্ষেত্ৰতে নতুন নতুন পদক্ষোপ গ্ৰহণ কৰি দেশৰ অৰ্থনৈতিক ব্যৱস্থা আগুৱাই নিছে।

# চনুৰা আচেবৰ ঃ ঔপনিৱেশিক বিৰোধী সবল কণ্ঠ

❑ ৰুবুল মাইবেলা

নাইজেৰিয়াৰ স্বাধীনতাৰ পূৰ্বে ১৯৫৮ চনত প্ৰকাশ হৈছিল চি নুৱা আচেবৰ প্ৰথনখন উপন্যাস *Things Fall Apart* ।পাঁচখনকৈ কালজয়ী উপন্যাসৰ স্ৰষ্টা আচেবৰ বাকী তিনিখন উপন্যাস স্বাধীনতাৰ পিছত ৬০ দশকত প্ৰকাশ হৈছিল। উপন্যাস কেইখন হ'ল— আনহাতে *No Longer at Ease* (১৯৬০), *Arrow of God* (১৯৬৪)আৰু *A Man of the People* (১৯৬৬) আনহাতে ১৯৮৭ চনত উপন্যাস *Anthills of the Savannah* প্ৰকাশ হয়। সময় গতি কোন দিশে ধাৱিত তাক সুন্দৰভাবে পৰ্যাবেক্ষণ কৰি সাহিত্য সৃষ্টিত মনোনিৱেশ কৰা আচেবৰ লেখনিৰ মাজত দেখা যায়— সাম্প্ৰতিক ঘটনাসমূহৰ বিশ্লেষণ কৰিছেৰাজনৈতিক, ঐতিহাসিক আৰু সামাজিক প্ৰেক্ষাপটত। লগতে স্বাক্ষৰ বহন কৰিছে দেশৰ ক্ষমতাৰ পট পৰিৱৰ্তন, চৰকাৰৰ উত্থান-পতনৰ, জনগণৰ ব্যৰ্থতা আৰু হতাশা। লগতে উপন্যাসসমূহৰ মাজত দেখা যায় ইতিহাসৰ প্ৰতি দায়ৱদ্ধতাৰে কাহিনীৰ বৰ্ণনা। আচবেৰে এগৰাকী সময়সচেতন লিখক হিচাপে দেখিছে যে- আফ্ৰিকাৰ সমাজ-সংস্কাৰকসকলে সংগ্ৰাম কৰিছে স্পষ্টৰূপত ঔপনিবেশিকতাবাদৰ বিৰুদ্ধে, কিন্তু তাৰ দ্বাৰা তেওঁলোকে কাক সেই স্থানত প্ৰতিষ্ঠা কৰিব তাকে স্পষ্টকৈ নাজানে। ফলত স্বাধীনতা ব্যৰ্থ হৈছে, গোত্ৰ বিবাদৰ সূত্ৰপাত ঘটিছে, কোনা ধৰণৰ অৰ্থনৈতিক উন্নয়ন হোৱা নাই, সামাজিক ন্যায় বিচাৰ অৰণ্যৰোদনত পৰিণত হৈছে আৰু ৰাজনৈতিভাবে সচেতন নোহোৱা সৰ্বসাধাৰণৰ আশা-আকাঙ্খা নিমজ্জিত হৈছে নৈৰাশ্যৰ অমানিশাত আৰু তেওঁলোকৰ দুৰ্বল প্ৰতিৰোধ-প্ৰচেষ্টাক জোকাৰি যায় সীমাহীন দুৰ্নীতি আৰু স্বজন প্ৰীতিয়ে। এচাম ক্ষমতাৰ খকত থকা দানৱে যেন বাৰে বাৰে কাঢ়ি নিছে মানুহৰ গণতান্ত্ৰিক অধিকাৰ। ইয়াৰ বাবে কোন দায়ী? ঔপনিবেশিক নে নিজৰ নেতৃবৃন্দ? আত্মসমালোচনা বা আত্মজিজ্ঞাসাৰ পৰাই এই প্ৰশ্নৰ উদ্ৰেক ঘটে আৰু ঔপন্যাসিক আচবেৰে এইখিনিতে অৱস্থান গ্ৰহণ কৰিছে। যি ঔপনিবেশিকতা বিৰোধী মনোভাবৰ বাবে বিশ্বজুৰি সুপৰিচিত।*There was a country* গ্ৰন্থখনত নাইজাৰ নৈৰ নামনি অঞ্চলত ঔপনিৱেশিকসকলৰ আগ্ৰাসনৰ বিভিন্ন উপষঙ্গৰ ইতিবাচক দিশ আৰু প্ৰাসংগিকতাৰ বিষয়ে উল্লেখ কৰিছে। সমালোচকসকলে এইখিনিতে তেওঁৰ ঔপনিবেশিকতাবিৰোধী মনোভাৱ বা অৱস্থানক কেন্দ্ৰ কৰি প্ৰশ্নৰ উত্থাপন কৰিছে। ১৯৯০ চনত আচবেৰৰ গ্ৰন্থখন প্ৰকাশ হোৱাৰ সময়ত তেওঁ মাতৃভূমি নাইজেৰিয়া সামৰিক শাসনৰ তলত আছিল। জনগণৰ অংশগ্ৰহণেৰে গঠিত তথাকথিত নিৰ্বাচিত চৰকাৰ স্বাধীনতাৰ মাত্ৰ ছয় বছৰৰ ভিতৰত ব্যৰ্থ হয় আৰু ইয়াৰ পিছত দুবাৰ অভ্যুত্থানৰ মাজেদি নাইজেৰিয়া সামৰিক শাসনৰ শৃংখলত আৱদ্ধ হয়। নজিৰবিহীন দুৰ্নীতি, নিৰ্বাচনৰ অবৈধ কাৰ্য-কলাপ, স্থানীয় ৰাজনীতিকসকলৰ অসততা, অদক্ষতা আৰু জনগণৰ আশা-আকাঙ্খাৰ গতিপ্ৰকৃতিৰ উপলদ্ধিৰ ব্যৰ্থতা আদিয়ে তথাকথিত গণতান্ত্ৰিক চৰকাৰৰ পতন অনিবাৰ্য কৰি তোলে।

১৯৬০চনৰ ১ অক্টোবৰত নাইজেৰিয়াৰ স্বাধীনতা লাভ কৰে ঔপনিবেশিক ইংৰাজ আধিপত্যৰ পৰা। সাধাৰণ ৰাইজে আশা আৰু সপোনবোৰ পূৰণ দায়িত্ব অৰ্পণ কৰে স্থানীয় নেতৃত্বৰ ওপৰত। কিন্তু নেতাসকলে হতাশ কৰে জনসাধাৰণক, বিদেশৰ বেংকত জমা হ'ব ধৰিলে কোটি কোটি কলাধন। লাহে লাহে গণতন্ত্ৰ এক প্ৰসহনত পৰিণত হয়। স্থানীয় নেতাসকল অভিনেতা হৈ পৰিল। নাইজেৰিয়া চৰকাৰৰ এটা নতুন সংজ্ঞা নিদ্ধাৰণ হ'ল— 'নাইজেৰিয়াৰ চৰকাৰ হ'ল ঠিকাদাৰৰ চৰকাৰ, ঠিকাদাৰৰ দ্বাৰা নিৰ্বাচিত চৰকাৰ আৰু ঠিকাদাৰৰ বাবে এই চৰকাৰ।' আব্ৰাহাম লিংকনৰ 'গেটিছবাৰ্গ ভাষণ'ত উল্লেখিত সৰ্বজনগৃহীত গণতন্ত্ৰৰ সংজ্ঞাটো ভৰিৰে মোহাৰি পেলালে নাইজেৰিয়াৰ স্থানীয় প্ৰশাসকসকলে।

চাৰিওফালে অৰাজকতাই দেখা দিলে, উন্নয়ম-প্ৰগতি স্থৱিৰ হৈ পৰিল। গ্ৰম্য অৰ্থনীতি প্ৰায় ধ্বংস হ'ল, ক্ৰমান্বয়ে বৃদ্ধি হ'ব ধৰিলে ধনী-দুখীয়া ব্যৱধান। এই অৰাজকতাৰ সুযোগ গ্ৰহণ কৰিলে সামৰিক বাহিনীয়ে। এইবিলাকৰ নিৰ্মোহ বিশ্লেষণেৰে কলম দাঙি ল'লে আচেবেৰে। এইগৰাকী লেখৰ বাহিৰে আন কোনো নাইজেৰিয়ানৰ লেখনি মাজত বিচাৰি পোৱা নাযায় নাইজেৰিয়ানসকলৰ সঁচা কাহিনী, সেয়া সাংস্কৃতিক প্ৰেক্ষাপটত হওঁক বা ৰাজনৈতিক অৱস্থানতেই হওঁক- ইমান বিশ্লেষণাত্মক দৃষ্টিৰে আন কোনোৱে পৰ্যালোচনা কৰা নাই।

নাইজেৰিয়াৰ স্বাধীনতাৰ দুবছৰৰ আগতে ১৯৫৮ চনত প্ৰকাশ হৈছিল চিনুৱা আচেবৰ *Things Fall Apart* নামৰ উপন্যাসখন। আফ্ৰিকাৰ সাহিত্যত যি ইংৰাজী ব্যৱহাৰ কৰা হয়, তাৰ সলনি স্থানীয় ইগবো ভাষাৰ শব্দবিন্যাস ব্যৱহাৰ কৰি নিজস্ব সত্তাৰ পৰিচয় দাঙি ধৰে। উপন্যাসখনত ইগবোৰ প্ৰবাদপ্ৰবচন, কল্পচিত্ৰ, ঐতিহ্য, আচৰণ আৰু বিশ্বাস আদিৰ স্পষ্ট চিত্ৰ অংকন কৰিছিল। আফ্ৰিকাক পশ্চিমাকৰণ প্ৰক্ৰিয়াৰ দুৰভিসন্ধিৰ বাধা



হিচাপে আচেবে সফলতাৰে আফ্ৰিকানাইজেছন বা আফ্ৰিকাক আফ্ৰিকীয়কৰণৰ প্ৰকল্পক বাস্তবায়িত কৰি তোলে। ইয়াৰ পূৰ্বে বহুকেইজন আফ্ৰিকান লেখকে ইংৰাজীত লেখা-লেখি আৰম্ভ কৰিছিল যদিও *Things Fall Apart* নামৰ উপন্যাসখন প্ৰকাশৰ পিছৰেপৰা আফ্ৰিকান সাহিত্যৰ প্ৰতি বিশ্বৰ পাঠকসকলৰ বিশেষ মনোযোগ দৃষ্টি পৰে। এমোছ তুতুৱলা, পিটাৰ আব্ৰাহাম্স, ছল পস্নাটজি আৰু ছাইপ্ৰিয়ান একৱেনছি আদিয়ে ইংৰাজী ভাষাক আফ্ৰিকীয় সাহিত্যৰ মাধ্যম হিচাপে গ্ৰহণ কৰে। *Things Fall Apart* প্ৰকাশৰ পিছতেই আফ্ৰিকীয় সাহিত্য আৰু আফ্ৰিকাকলৈ বাহিৰৰ দেশসমূহ অতি আকৰ্ষিত হৈ উঠে। আমি আগতেই উল্লেখ কৰিছো আচবেৰৰ আন উপন্যাসকেইখন আফ্ৰিকাৰ ঔপনিৱেশিক যুগৰ পৰা উত্তৰ-ঔপনিবেশিক যুগ বা নতুন ঔপনিবেশিক যুগলৈকে ইতিহাস বিস্তৃত দাপোন। বিষয়বস্তু আৰু নান্দনিকতাৰ দিশৰ পৰা আচেবৰ উপন্যাসবোৰ ইউৰোপীয় আৰু আফ্ৰিকীয় সংস্কৃতিক ফহিয়াই চোৱাৰ বাবে উদ্ভূত টানা -আজোৰা, পৰিচয়সংকট, আত্ম বা নিজা কিদৰে 'আনৰ' আদিত পৰিৱৰ্তিত হৈছে- বহিৰাঙ্গিক, আভ্যন্তৰীণ আৰু মনস্তাত্ত্বিক বিশ্লেষণ অতি জুৰুলাকৈ আৰু ইতিহাসৰ বিশ্বস্তপৰা উপস্থাপনেৰে দাঙি ধৰিছে।

বিষয়-বস্তুৰ দিশৰ পৰা আচেবৰ উপন্যাসবোৰ দুটা ভাগত বিভক্ত। এটা ভাগত অংকিত হৈছে ঔপনিবেশিকসকলৰ আগমনৰ আগতে ইগবো সমাজৰ কাঠামো, স্বদেশী বাৰনা, বিশ্বাস ব্যৱস্থা আৰু সংস্কৃতি, আনটো ভাগত অংকিত হৈছে ঔপনিবেশিক আৰু খিলঞ্জীয়াসকলৰ মাজত দ্বান্দ্বিক সম্পৰ্ক,যাৰফলত খিলঞ্জীয়াসকলৰ ঐতিহ্য-সংস্কৃতিৰ বিশুদ্ধতা নাইকিয়া হোৱাৰ যাতনা-বিশৃংখলাৰ চিত্ৰ-যাৰ প্ৰভাৱত ঔপনিৱেশকাৰীৰ প্ৰস্থানৰ পিছতো স্থানীয় ব্যৱস্থাসমূহৰ ব্যৰ্থতাৰ স্ৰোত প্ৰৱাহিত হৈ থাকে।

ঔপনিবেশকৰ ফলত আফ্ৰিকাৰ সমাজৰ দ্ৰুত গতিত পৰিৱৰ্তন হৈছিল। নিজকে শ্ৰেষ্ঠ বুলি জাহিৰ কৰিবলৈ যাওঁতে স্থানীয় সংস্কৃতিক কুসংস্কাৰ বুলি চিহ্নিত কৰা মানসিকতা অভিশাপ স্বৰূপ হৈ পৰিছিল। পশ্চিমীয়াসকল নাছিল সহাৱস্থানত বিশ্বাসী। তেওঁলোক আছিল এলিমেনেশ্বন বা উৎখাতত বিশ্বাসী। কিন্তু স্থানীয়সকলে নিজৰ সংস্কৃতি বিসৰ্জন দিব কিয়? গঢ়ি উঠে প্ৰতিৰোধ। স্থানীয়সকলৰ ফালৰ পৰা প্ৰতিৰোধ আছিল সম্পূৰ্ণভাবে শাৰীৰিক শক্তিমত্তাৰ নিৰ্ভৰশীল, বুদ্ধিদীপ্ত নহয়। ফলত স্থানী.সকল সফল হোৱা নাছিল। এই অসফল প্ৰতিৰোধৰ এক যথাৰ্থ ছৱি অংকিত হৈছিল *Things Fall Apart* উপন্যাসত। উপন্যাসখন ৱকোনকো নামৰ চৰিত্ৰটোৰ মাজেদি লেখকে ব্যৰ্থ প্ৰতিৰোধৰ এক জীয়া ছৱি অংকন কৰিবলৈ সক্ষম হৈছে। ৱকোনকোৰ সামৰ্থ আছে যুদ্ধক্ষেত্ৰৰ পৰা শত্ৰুৰ মূৰ কাটি নিয়াৰ। এমলিঞ্জ নামৰ লোকজনক ধৰাশায়ী কৰি ওচৰৰ নখন গাঁৱৰ ভিতৰত অদ্বিতীয় বীৰ পুৰুষ হিচাপে খ্যাতি লাভ কৰিছে। নাৰীসুলভ আৰু কপৰ্দহীন পিতৃৰ সন্তান হোৱাৰ পিছতো শূণ্যতাৰ পৰা পূৰ্ণতাৰ অধিকাৰী হৈছে-তিনিগৰাকীকৈ পত্নীৰ ভৰণপোষণ দিছে। কিন্তু ঐপনিবেশিকসকলৰ দুৰ্দমনীয় প্ৰচাৰ আৰু কাৰ্যৰ বিৰুদ্ধে বুদ্ধিৰে প্ৰতিৰোধ গঢ়িতোলাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। ঔপনিবেশিক সমস্যাক দমন কৰিব পৰা নাই, প্ৰসাৰতাৰত হে যেু অৰিহনা যোগাইছে। ইয়াৰ বাহিৰে আন একো কৰাৰ সামৰ্থ নাই। গাঁৱত ঘূৰি ফুৰা মিছ্নেৰীকবোৰক উভাই পঠিয়াবলৈ জ্ঞানতাত্ত্বিক অৱস্থানও তাৰ নাই। আন নালাগে নিজৰ পত্নী নোৱীকো উভাব নোৱাৰে। পত্নীক সপ্তাহৰ পৱিত্ৰ দিনটোত প্ৰহাৰ কৰি ঐতিহ্য ভংগ কৰিছে।নিজৰ বন্ধু ৱবিৰেকাৰ পৰামৰ্শ উপেক্ষা কৰি পালক পুত্ৰ ইকেমুফুনাক হত্যা কৰি প্ৰমাণ কৰিছে যে, তেওঁৰ বাবে ঐতিহ্য মানবিকতাৰ উৰ্দ্ধত। এনেবিলাক স্ববিৰোধিতাৰ চৰম পৰিণতিত আত্মহননৰ পথ সি বাচি ল'ব লগা হৈছে। এই আত্মহননক ট্ৰেজেদি বুলি ক'ব পৰা নাযায়, তেওঁৰ পতনকৰুণা আৰু ভীতিৰ উদ্ৰেক নকৰে সেইদৰে, যিদৰে গ্ৰীক নাটকৰ বীৰে কৰি থাকে। এনেদৰে আচবেয়ে আফ্ৰিকীয় সমাজৰ পৰাজয়ৰ চিত্ৰ অংকন কৰিছে। পৰাজয় ঔপনিবেশিকৰ ওচৰত আৰু নিজৰ মাজত থকা পাৰস্পৰিক অবিশ্বাস আৰু বিচ্ছিন্নতাৰ ওচৰত।

আচেবৰ তেজে তেজ শিৰে শিৰে প্ৰৱাহিত হৈ আছে জাতীয়তাবাদ, মুক্তিৰ চেতনাই সকলো সময়তে আমনি কৰা লেখক গৰাকীয়ে অতি তীক্ষ্ন ভাষাত *The Role of the Writer in a New Nation* শীৰ্ষক প্ৰৱন্ধতলেখিছে যে,

আফ্ৰিকানসকলে প্ৰথমবাৰৰ দৰে ইউৰোপীয়সকলৰ পৰা সংস্কৃতিৰ সম্পৰ্তত যি শুনিছে সেয়া নহয়। প্ৰকৃততে আফ্ৰিকানসকলৰ নিজৰেই অতি সমৃদ্ধ সংস্কৃতি আছে। যদি সেয়াই নহয় তেন্তে কিয় ব্যৰ্থ হ'ল পশ্চিমা সংস্কৃতিৰ আগ্ৰাসনৰ বিৰুদ্ধে থিয় দিয়াত। আত্মসমালোচকৰ ভূমিকা গ্ৰহণ কৰি আচেবে নিজেই উত্তৰ দিয়াৰ চেষ্টা কৰিছে। আফ্ৰিকীয়সকল নিজেই যে শতধাবিভক্ত আছিল নিজৰ ইতিহাস-ঐতিহ্যৰ বিষয়ত, সেয়াও তেওঁ অৱগত আছিল। ৱকোনকোৰ বন্ধু ৱবিৰেৰিকাক অংকন কৰা হৈছে গ্ৰীক নাটকৰ কোৰাছৰ অনুকৰণত। সেয়ে ৱকোনকোক সমালোচনা কৰা হয়। ৱনকোৱে যেতিয়া কোৰ্টৰ সংবাদদাতাক হত্যা কৰে, তেতিয়া যিসকলে তেওঁৰ লগত থকা বুলি সমস্বৰে ঘোষণা কৰিছিল, তেওঁলোকৰ ঘটনাস্থল ত্যাগ বা পলায়ন আফ্ৰিকীয় সংস্কৃতিৰ অভ্যন্তৰীণ বিভেদ বা বিচ্ছেদ চি ত্ৰ অংকন কৰে। তেন্তে ৱকোনকোৰ আত্মহত্যাই কি তেওঁ এই উপলদ্ধিৰ দ্বাৰা ত্বৰান্বিত হৈছিল? সম্ভৱত সেয়া প্ৰধানতম কাৰণ নহয়। এই অভ্যন্তৰীণ বিভাজনে পশ্চিমা ঔপনিবেশিকসকলৰ'বিভাজন কৰা, শাসন কৰা'—নীতিৰ বাস্তৱায়নত সাৰ-পানী যোগায়।

ইতিহাসসচেতন লেখক হিচাপে *Things Fall Apart* ত পিতৃতান্ত্ৰিকতাৰ ক্ষয়িষ্ণু ৰূপ তুলি ধৰিবলৈ পাহৰা নাই। উপন্যাসখনৰ চৰিত্ৰ ৱনকোৱে যি পিতৃতান্ত্ৰিক অৱস্থান উপভোগ কৰি আত্মতৃপ্তি অৰ্জন কৰিছিল সেয়া বহুলাংশই সংকটাপন্ন, সেয়া উপলদ্ধি কৰিছে বহু পলমকৈ। সেই কঠোৰতাক পিতৃতান্ত্ৰিকতাৰ সমাৰ্থক বুলি জ্ঞান কৰা হয়। তেওঁ উপলদ্ধি কৰে, কঠোৰতা হ'ল পুৰুষৰ গুণ আৰু দয়া,মমতা, মাৰ্জনা হ'ল নাৰীৰ গুণ। সেয়ে নিজৰ চৰিত্ৰক 'নাৰী' আৰু 'পুৰুষ' এই দুই মাপকাঠিত ভাগ কৰিবলৈ যাওতে মানবতা বা মানবিকতাৰ বিষয়টো সম্পূৰ্ণৰূপেই বিস্মৃত হৈছে।

আচেবৰ দ্বিতীয় উপন্যাস *No Longer at Ease* প্ৰথম উপন্যাসৰ কাহিনীৰ বৰ্ধিতাংশ। এই উপন্যাসৰ প্ৰধান চৰিত্ৰ *Things Fall Apart* ৰ প্ৰধান চৰিত্ৰ ৱকোনকোৰ নাতি।

১৯৬৪ চনত আচবৰ *Arrow of God* উপন্যাসখন প্ৰকাশ হয়। সেইসময়তঔপনিবেশিকোত্তৰ নাইজেৰিয়ান গণতান্ত্ৰিক চৰকাৰ ব্যৱস্থা নানান সংকটৰ মাজেৰে অগ্ৰসৰ হৈছিল। সামৰিক অভুত্থানৰ মাজেদি ১৯৬৬ চনত নাইজেৰিয়ান গণতান্ত্ৰিক চৰকাৰৰ পতন ঘটে। উপন্যাসখনৰ প্ৰেক্ষাপট এই বিশেষ সময়খিনিৰ।

আচবৰ *A Man of the People* উপন্যাসখনো এখন আত্মসমালোচনামূলক উপন্যাস। ১৯৬০চনত নাইজেৰিয়ান সকলে যেন দাসত্বৰ পৰা মুক্তি লাভ কৰে। কিন্তু স্থানীয়সকল সম্পূৰ্ণৰূপে ব্যৰ্থ হৈ নিজস্ব এক শক্তিশালী ৰাজনৈতিক পটভূমি গঢ়াত। মাত্ৰ ৬ বছৰৰ ভিতৰত দুবাৰ সামৰিক অভ্যুত্থান হয়। গণতন্ত্ৰ ব্যৰ্থতাৰ আন এক অপৰিহাৰ্য ফল। চাৰিওফালে অনিয়ম-অনীতিয়ে ভৰি পৰিছিল। তদুপৰি নাইজেৰিয়ানসকলৰ ৰাজনৈতিক অসচেতনতাৰ বাবেই সামৰিক শাসনৰ শৃংখলত আৱদ্ধ হৈ পৰিছিল। ইয়াৰে ঘাট-প্ৰতিঘাট, পোৱা-নোপোৱা প্ৰতিফলনেৰে আগবাঢ়িছে উপন্যাসখনৰ কাহিনী।

*A Man of the People* উপন্যাসখন প্ৰকাশ হোৱা প্ৰায় একৈশ বছৰৰ পিছত অৰ্থাৎ ১৯৮৭ চনত উপন্যাস *Anthills of the Savannah* প্ৰকাশ হয়। বুকাৰ বঁটাৰে সন্মানিত হোৱা উপন্যাসখনৰ কাহিনী আগবাঢ়িছে পশ্চিম আফ্ৰিকাৰ কাল্পনিক ৰাষ্ট্ৰ কাংগানত সংঘটিত হোৱা ঘটনা প্ৰৱাহৰ মাজেৰে।

মুঠৰ ওপৰত নাইজেৰিয়ানসকলৰ অধিকাৰ আৰু স্বাধীনতাৰ পক্ষত আপোচহীনভাবে সংগ্ৰাম কৰা এজন সঁচা বিপ্লৱী, কলম যাৰ আমোঘ অস্ত্ৰ।

# প্ৰাচীন ভাৰতত সৌন্দৰ্য চৰ্চ্চা

❑ অমিয়া ভট্টাচাৰ্য বৰুৱা

নিজকে সুন্দৰকৈ সজোৱাটো মানুহৰ প্ৰকৃতিগত লক্ষণ। সৌন্দৰ্যস্পৃহা সকলোৰে আছে। প্ৰাচীন ভাস্কৰ্যবিলাক দেখিলেও আমি সৌন্দৰ্যচৰ্চ্চাৰ কথাটো জানিব পাৰো।

নাৰী-পুৰুষৰ মাজত সৌন্দৰ্য চৰ্চ্চা কৰাটো প্ৰকৃতিৰ পৰাই আৰম্ভ হ'ল। বেলেগ বেলেগ ঋতুত প্ৰকৃতিয়ে বেলেগ বেলেগ ৰূপ লয়। বসন্তৰ বা লাগিলে প্ৰকৃতি মোহময়ী হৈ পৰে। নতুন ফুল-পাতে বিভিন্ন ৰঙেৰে প্ৰকৃতিক বিধৌত কৰে। চাৰি ঋতুৱে প্ৰকৃতিলৈ বিভিন্ন সম্ভাৰ কঢ়িয়াই আনে। আদিম অৱস্থাৰপৰাই মানুহে প্ৰকৃতিখন কাষতে পাই আহিছে, প্ৰকৃতিৰ বিচিত্ৰ ৰূপ চাই নিজকে সুন্দৰ কৰিবলৈ মানুহৰ অন্তৰত সৌন্দৰ্যস্পৃহা জাগি উঠিছে। সেয়েহে আমি প্ৰাচীন সাহিত্য, চিত্ৰকলা, ভাস্কৰ্য আদিৰপৰা মানুহৰ ৰূপচৰ্চ্চাৰ বিষয়ে জানিবলৈ পাওঁ।

যদিও পুৰুষ আৰু নাৰী উভয়েই সৌন্দৰ্য চৰ্চ্চা কৰে তথাপি আমি ইয়াত নাৰীৰ সৌন্দৰ্য চৰ্চ্চাৰ উপকৰণৰ বিষয়েহে আলোকপাত কৰিব খুজিছো। আমাৰ প্ৰাচীন ভাৰতীয় সাহিত্য, শিল্পকলাৰ মাজত নাৰীৰ সৌন্দৰ্যচৰ্চ্চাৰ বহুতো উপকৰণ পৰিলক্ষিত হয়। প্ৰাচীন ভাৰতত নাৰীয়ে নিজকে শাৰীৰিক আৰু মানসিকভাৱে সমাজত লাৱণ্যময়ী আৰু ব্যক্তিত্বসম্পন্ন হিচাপে দাঙি ধৰিবলৈ নিত্য নৈমিত্তিক ৰূপচৰ্চ্চা কৰিছিল। এই কথা বিভিন্ন সময়ত খনন কাৰ্য্যত উদ্ধাৰ হোৱা বস্তুসমূহে নিৰ্ণয় কৰে।

৩৫০০ বছৰৰ আগতেই হৰপ্পা, মহেঞ্জোদাৰোৰ যি সভ্যতা খনন কাৰ্য্যৰ মাজেৰে উদ্ধাৰ হৈছিল তাতো সেই সময়ৰ ৰূপচৰ্চ্চাৰ উপকৰণৰ বিষয়ে বহুতো তথ্য লাভ কৰিব পৰা হৈছে। হৰপ্পাত উদ্ধাৰ হোৱা ফনি কেশবিন্যাসৰ বাবেই ব্যৱহাৰ হৈছিল। মহেঞ্জোদাৰোৰ খননত পোৱা ব্ৰঞ্জৰ নৃত্যৰতা মহিলাৰ কেকোৰা চুলিৰ অলকা, হাতত পিন্ধা খাৰুৰ মাজেৰে জনা যায় নাৰীৰ নিজকে ধুনীয়া দেখিবলৈ কৰা সাজসজ্জা। মথুৰাৰ যাদুঘৰত থকা এগৰাকী প্ৰেমিকে প্ৰেমিকাৰ চুলি ফনিয়াই থকা আৰু কাষতে এগৰাকী পৰিচাৰিকাই প্ৰসাধন সামগ্ৰীৰ যোগান ধৰা চিত্ৰও দেখা যায়। বানভট্টৰ কাদম্বৰী আৰু হৰ্যচৰিতত ৰাজকুমাৰীৰ স্নানোৎসৱৰ বৰ্ণনা আছে। পৰিচাৰিকাসকলে তেওঁৰ কেশবিন্যাস কৰিছে। বিভিন্ন ধৰণৰ ফনিৰে কেশবিন্যাস কৰাটো সৌন্দৰ্য চৰ্চ্চাৰ এটা বিশেষত্ব আছিল। বুদ্ধ ঘোষে ফনিক 'ফনক' বুলি কৈছিল। ফনিৰ আকৃতি সাপৰ ফনাৰ দৰে হোৱা বাবে ফনক বুলি কোৱা হৈছিল। 'শিশুপাল বধ'ত কোমল খোপাত ফনি গুজি লোৱাৰ কথা আছে। ই নাৰীৰ দীঘল চুলিক সূচাইছে। অসমতো 'কাকৈ'ৰ ব্যৱহাৰ বহুত পুৰণি। নাৰীয়ে চুলি ভালে ৰাখিবলৈ নাৰিকল তেল সানিছিল। বুদ্ধৰ বিনয় পিটকত ছিত্তিহোলক নামৰ তেলৰ ব্যৱহাৰৰ উল্লেখ আছে। এই তেলত ভৃঙ্গৰাজ আৰু ব্ৰাহ্মী শাক দি উতলাই চেকি ব্যৱহাৰ কৰিছিল। তেওঁলোকে চুলিত আমলখিৰ ৰসো লগাইছিল।

চকুজুৰি উজ্জ্বল আৰু সুন্দৰ কৰিবৰ বাবে কাজল ব্যৱহাৰ কৰাটো পূৰ্বৰে পৰাই চলি আহিছে। 'নৈষধ চৰিত'ত দময়ন্তীৰ চেলাউৰিৰ সুন্দৰ বৰ্ণনা আছে।

বিনয় পিটকতো কাজলৰ ব্যৱহাৰ দেখা যায়। কাজল লগাবৰ বাবে শলা ব্যৱহাৰ হৈছিল। বিশেষভাৱে প্ৰস্তুত কৰা তেলত শলাকানি পুৰি কাজল তৈয়াৰ কৰিছিল। এই প্ৰথা অসমতো আছিল, এতিয়াও ক'ৰবাত থাকিব পাৰে।

গাল গুলপীয়া কৰিবৰ বাবে গালতো ৰং সনা হৈছিল। 'কুমাৰ সম্ভৱ'ত স্বামীয়ে ধৰি থকা আইনা চাই স্ত্ৰীয়ে গালত ৰং সনাৰ বৰ্ণনা আছে। গা শাঁত পেলাবলৈ চন্দনৰ প্ৰলেপ সনাৰ বৰ্ণনাও পোৱা যায়। কালিদাসৰ মেঘদূত কাব্যত অলকাপুৰীৰ এগৰাকী ৰমনীয়ে ৰৌদ্ৰা নামৰ এবিধ মলম গালত ঘঁহাৰ উল্লেখ আছে। মৌ সিতা আৰু আৰ্ক গছৰ চালৰ পৰা তৈয়াৰী ৰঙা ৰং ওঁঠত লগোৱাৰ কথা পোৱা যায়।

জাৰকালি চন্দনৰ লেপন সানি স্তনযুগলকো শীতৰ পৰা ৰক্ষা কৰিবলৈ ৰমনীসকলে চেষ্টা কৰিছিল। এগৰাকী অপৰূপা মহিলাই সাঁতুৰি থকাৰ বৰ্ণনা 'কাদম্বৰী'ত আছে। এই মহিলাগৰাকীৰ স্তনত সানি যোৱা চন্দনৰ লেপনে পানীখিনিকো সুৱাসিত কৰি তুলিছিল।

জেতুকাপাতেৰে তৈয়াৰী লেপন গাভৰুসকলে বিভিন্ন ডিজাইনেৰে হাত, ভৰি আৰু কপালত গৰমকালি লগাইছিল। ভৰিৰ গোৰোহা যাতে শীতল আৰু কোমল হৈ থাকে তাৰ বাবে হৈ প্ৰসাধন লগাইছিল। চৰক সংহিতাত খোজ কাঢ়োতে ভৰিত কষ্ট নাপাবলৈ তেল লগোৱাৰ বৰ্ণনা আছে। নাৰীয়ে সৌন্দৰ্য বৃদ্ধিৰ বাবে ভৰিত আলতা লগোৱাৰ কথাও আছে। নৈষধ চৰিতত দময়ন্তীয়ে ভৰিত সনা ৰঙৰ লগত সূৰ্য্যোদয়ৰ হেঙুল বৰণৰ তুলনা কৰা হৈছে।

মল্লিনাথে মেঘদূতৰ ভাষ্যত দৈহিক সৌন্দৰ্য বঢ়াবৰ বাবে চাৰিটা উপায় দিছে- কচধৰ্ব (চুলিৰ যত্ন), দেহধৰ্ব (দেহৰ যত্ন), পৰিধৰ্ব (পোছাক) আৰু বিলেপন (তেল আদিৰ লেপন)।

সৌন্দৰ্য চৰ্চ্চাৰ বাবে ব্যক্তিগতভাৱে ব্যৱহাৰ কৰা এঘাৰবিধ উপকৰণ আৰু ব্যৱহাৰৰ ধৰণৰ বিষয়ে পালি ব্ৰহ্মজালত উল্লেখ আছে। বৃহদ সংহিতাতো শৰীৰটো সুন্দৰ, শীতল আৰু সুগন্ধিত কৰি ৰাখিবলৈ চৈধবিধ মলমৰ ব্যৱহাৰৰ কথা উল্লেখ আছে। ললিত বিস্তৰ গ্ৰন্থত বিবিধ গন্ধোদক নামৰ এবিধ ঔষধ বিশেষভাৱে দেহৰ বাবে প্ৰস্তুত কৰাৰ কথা পোৱা যায়। বল্লভ দাসে নাৰীৰ সৌন্দৰ্য চৰ্চ্চাৰ নিমিত্তে যোল্লটা উপায় শুভচিত্তাৱলীত বৰ্ণনা কৰিছে।

ভাৰতত নিজকে সজোৱাটো সু-সংস্কৃত বিজ্ঞানৰ ভিতৰত পৰে। এইক্ষেত্ৰত তিনিটা বিষয়ত চকু দিয়া হয়- সাজসজ্জা, প্ৰসাধন আৰু ফুলৰ মালাৰ ব্যৱহাৰ। ফুলৰ মালাবোৰৰ ব্যৱহাৰৰ স্থান অনুযায়ী নাম বেলেগ বেলেগ হয়।

সংস্কৃত, পালি, প্ৰাকৃত আদি সাহিত্যত নাৰীৰ সৌন্দৰ্য চৰ্চ্চাৰ বিভিন্ন বৰ্ণনা আছে। অপভ্ৰংশ ভাষাত ৰচনা কৰা কবি আব্দুল ৰহমানৰ 'সন্দেশ ৰাসক' নামৰ গ্ৰন্থতো নাৰীৰ ৰূপচৰ্চ্চাৰ সুন্দৰ বৰ্ণনা পোৱা যায়। 'সন্দেশৰাসক' ভাৰতীয় সাহিত্যৰ এখন অপূৰ্ব গ্ৰন্থ। মানুহৰ জীৱনৰ বিভিন্ন দিশৰ পৰা বুটলি অনা অভিজ্ঞতাৰ এক জ্বলন্ত সাক্ষৰ হ'ল ই লোককাব্য। ইয়াৰ ভাষা লোকজীৱনৰ ভাষা, ইয়াত ব্যৱহাৰ কৰা উপমাসমূহো গাঁৱলীয়া জীৱনক কেন্দ্ৰ কৰি গঢ়ি উঠা। পতি বিচ্ছেদত থকা এগৰাকী বিৰহিনী নাৰীয়ে এজন পথিকৰ হাতত তেওঁৰ পতিলৈ সন্দেশ পঠাব খুজিছে। এইয়াই মূল কথা হ'লেও ইয়াৰ আলমতে বিভিন্ন ঋতুত প্ৰকৃতিৰ পৰিৱৰ্তন, মানুহৰ ওপৰত ইয়াৰ প্ৰভাৱ, প্ৰতিটো ঋতুতে নাৰীৰ সৌন্দৰ্যচৰ্চ্চাৰ যি পৰিৱৰ্তিত ৰূপ তাক সুন্দৰকৈ বৰ্ণনা কৰিছে। ইয়াতো প্ৰাচীন ভাৰতত গাঁৱলীয়া নাৰীয়ে কৰা সৌন্দৰ্যচৰ্চ্চাৰ আভাস পোৱা যায়।

বৰ্ষাকাল আৰম্ভ হোৱাৰ লগে লগে প্ৰকৃতিৰ বুকুলৈ পৰিৱৰ্তন আহিল। গ্ৰীষ্মত লেৰেলি শুকাই যোৱা প্ৰকৃতি প্ৰাণৱন্ত হৈ উঠিল। নাৰীসকলেও কপালৰ উজ্জ্বল চিকচিকিয়া তিলক ধাৰণ কৰিলে আৰু শৰীৰত কুমকুম আৰু জাতি চন্দনৰ প্ৰলেপ সানি শৰীৰ জুৰ পেলালে। বৰ্ষাৰ পাছত শৰতৰ আগমন হ'ল। স্ত্ৰীসকলে ক'লা বৰণৰ বিভিন্ন বস্ত্ৰ পৰিধান কৰি তেওঁলোকৰ চক্ৰাৱৰ্ত্ত পয়োধৰক মৃগনাভিৰ সুগন্ধি তেলেৰে সুশোভিত কৰিলে। তেওঁলোকে প্ৰতি অঙ্গতে চন্দন লেপন কৰিলে আৰু শিৰত কুমকুম লগালে। কৰ্পূৰ তামোলৰ পিকেৰে ৰাঙলী হোৱা নাৰীসকলৰ ওঁঠবোৰ শৰৎকালৰ পুৱাৰ ৰক্তিম সূৰ্য্যৰ দৰে দেখা গ'ল। যথেষ্ট পৰিমাণে প্ৰসাধন কৰা তেওঁলোকৰ শয্যাসনত কিঙ্কিনীৰ শব্দ শুনিবলৈ পোৱা গ'ল।

সুৰভিৰ গন্ধে ৰমনীয় শৰৎকাল আঁতৰি যোৱাৰ পাছত হেমন্ত আহিল। ঘৰবোৰ তুষাৰেৰে বগা হৈ পৰিলে। সুশীতল জল লাহে লাহে সকলোৰে দ্বাৰা অনাদৃত হ'বলৈ ধৰিলে। আগতে কমল দলেৰে পাতি যোৱা শয্যাৰ পৰা লাহে লাহে কমল দল আঁতৰাই নিয়া হ'ল। দাসীসকলে কৰ্পূৰ-চন্দন পিহিবলৈ এৰি দিলে। কাৰণ এইবোৰ গ্ৰীষ্মকালত গৰমৰ পৰা ৰক্ষা পাবলৈহে প্ৰয়োজন। এতিয়া ওঁঠ, গাল আদি নাফাটিবৰ বাবে মৌ-সিতা ঘঁহিবলৈ ল'লে। মৃগনাভিৰ লগত চম্পাফুলৰ তেল মিহলাই লৈ সেৱন কৰিলে আৰু শৰীৰত চন্দনৰহিত কুমকুমৰ লেপন দিলে। আগতে জাঁইফলৰ লগত কৰ্পূৰ মিহলাই সেৱন কৰিছিল, হেমন্ত অহাৰ লগে লগে এই কাম এৰি ৰমনীসকলে তামোলতো কেতেকীৰ সুবাস নিদিয়া হ'ল।

শীত আহিল। সেয়ে কামিনীসকলে ঘৰৰ ওপৰত থকা শৰ্য্যা শোৱনীকোঠালৈ আনিলে। জাৰকালি গছৰ পাত সৰি গছ উকা হ'ল। ফুল-পাত নোহোৱা গছলৈ চৰাই নহা হ'ল- গাভৰুসকলেও সেমেকা শীতত উদ্যান এৰি জুহালৰ কাষত আশ্ৰয় ল'লে। গতিকে সৌন্দৰ্য চৰ্চ্চাৰ উপকৰণো সলনি হ'ল।

শীতৰ পাছত বসন্ত আহিল। প্ৰকৃতিয়ে ৰূপ সলালে- কেতেকী ফুলিল, নতুন ফুল-পাতেৰে দশোদিশে গছ-বন ৰমনীয় হৈ উঠিল। কামিনীসকলেও বসন্তই সাজ সলোৱাদি বিচিত্ৰ বস্ত্ৰেৰে সজ্জিত হ'ল আৰু ৰঙা, বগা আদি বিভিন্ন ৰঙৰ ফুলেৰে নিজক সজাই পেলালে। বসন্তৰ ৰঙে তিৰোতাসকলৰ মন ৰঙাই পেলালে। ৰমনীসকলে বিবিধ হাৰ পৰিধান কৰিলে। দূৰৰ পৰাই তেওঁলোকৰ মেখেলা আৰু কিঙ্কিনীৰ ৰুণুজুনু শব্দ শুনিবলৈ পোৱা গ'ল।

এইদৰেই প্ৰাচীন ভাৰতীয় ভাস্কৰ্য্য আৰু সাহিত্যত প্ৰকৃতিক অনুসৰণ কৰি মহিলাসকলে সৌন্দৰ্যচৰ্চ্চা কৰাৰ বহুত উদাহৰণ পোৱা যায়।

## 'গুৰু মহীয়ান' আনন্দ কেওঁট সোঁৱৰণী কৃতি শিক্ষক বঁটা

চিনামৰা মহাবিদ্যালয় প্ৰকাশনৰ বাৰ্তালোচনী 'যুগবাৰ্তা'ৰ উদ্যোগত গঠিত ছাত্ৰবন্ধু শৈক্ষিক ন্যাসৰ তৰফৰ পৰা মহাবিদ্যালয়ৰ আন্তঃসান্মাসিক পৰীক্ষাৰ সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত জ্যোতি বৰুৱা, চয়নিকা বৰুৱা আৰু অভিষেক হাজৰিকাক এক হাজাৰ টকাকৈ এককালীন সাহায্য দিয়া হয়। লগতে মহাবিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰা সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ শ্ৰীবিদ্যুত বিকাশ হাজৰিকা (স্নাতক শাখা), ছাত্ৰী চোনিয়া বিৰুৱাক (কনিষ্ঠ শাখা) মহাবিদ্যালয়ৰ সহকাৰী গ্ৰন্থাগাৰিক পল্লৱী বৰাই তেখেতৰ মাতৃৰ নামত প্ৰতি মাহে আঠশ টকাকৈ জলপানি আগবঢ়ায়। এই বৃত্তি যুগবাৰ্তাৰ জৰিয়তে প্ৰদানৰ ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ অন্যতম শুভাকাংক্ষী শিৱসাগৰৰ কোঁৱৰপুৰৰ পানীতোলা গাঁও নিবাসী দম্পতি শ্ৰীৰাজীৱ লোচন বৰুৱা আৰু অঞ্জুমনি বৰুৱাই তেওঁলোকৰ দেউতাক গুৰু মহীয়ান আনন্দ কেওঁটৰ স্মৃতিত প্ৰতি বছৰত শিক্ষক দিৱসৰ উপলক্ষে কৃতি শিক্ষকৰ বঁটা আগবঢ়োৱাৰ কথা চিন্তা কৰি চিনামৰা মহাবিদ্যালয় প্ৰকাশন তথা যুগবাৰ্তাৰ জৰিয়তে ব্যৱস্থা কৰি দুই হাজাৰ টকা খৰছৰ হিচাপত দহ বছৰৰ বাবে বিশ হাজাৰ টকাৰ এটি ন্যাস গঠন কৰি দিয়ে। প্ৰথম বছৰৰ বাবে এই বঁটা লাভ কৰিছে ক্ৰমে মৰিয়নী মহাদেৱ আগৰৱালা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীপ্ৰফুল্ল বৰুৱা আৰু ভেলেউগুৰি হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক শ্ৰীদেবেন চন্দ্ৰ বৰাই। ৫ ছেপ্টেম্বৰ, ২০১৯ তাৰিখৰ বঁটা প্ৰদান অনুষ্ঠানত দাতা পৰিয়ালৰ সদস্যৰ লগতে প্ৰতিষ্ঠাপক অধ্যক্ষ আনন্দ শইকীয়া আৰু ইগন'ৰ উজনি অসম সঞ্চালক ড. অনিল চন্দ্ৰ বৰা উপস্থিত থাকিব। অধ্যক্ষ ড. অঞ্জন শইকীয়াই সভাপতিত্ব কৰিবলগা সভাত উক্ত বঁটা প্ৰদান কৰা হ'ব।

অনুগল্প

❑ ড. গিৰীশ বৰুৱা

## হিন্দী মে ব'ল'

মই কলেজত কাম কৰি থাকোতে এবাৰ ছাত্ৰ-ছাত্ৰীৰ এক্সকাৰচন পাৰ্টী এটা লৈ গুৱাহাটী-শিলঙলৈ গৈছিলো। কিবা স্বৰূপত এৰাতি গুৱাহাটীত থাকিব লগা হৈছিল। আমি গুৱাহাটীৰ পল্টন বজাৰত থকা শিলং হোটেলত চিট বিচাৰি গ'লো। ৰিচেপচন কাউণ্টাৰত বিহাৰী লোক এজন তললৈ মূৰ কৰি বহি আছিল। মই গৈ তেওঁক সুধিলো, 'ইয়াত থাকিবলৈ ঠাই হ'বনে?' মানুহজনে ওপৰলৈ নোচোৱাকৈয়ে ক'লে, 'হিন্দী মে ব'ল'।' মই ইফালে-সিফালে চাই ভাবিলো মই বিহাৰৰ পাটনাত আছোনে নে গুৱাহাটীৰ পল্টনবজাৰত আছো।

## কমিউনিষ্ট বিপ্লৱী

দুজন কমিউনিষ্ট বিপ্লৱীয়ে এদিন হাবি এখনত গছৰ ডালত বহি কথা পাতি আছিল। তেতিয়া কমিউনিষ্ট দলৰ ওপৰত প্ৰতিবন্ধক থকা হেতুকে তেওঁলোক পলাই ফুৰিছিল। কমৰেড দুজনে কথা পাতি থাকোতে দুজন পুলিচে তেওঁলোকক বিচাৰি তলত তহল দি আছিল। কমৰেড এজনে ক'লে, 'বন্ধু, তোমাৰ হাতত থকা ষ্টেনগানটোৰে ইহঁতক মাৰি পেলোৱাহে।' ইজনে ক'লে, 'নাই বন্ধু, সিহঁতক নামাৰো, কাৰণ সিহঁতৰো আমাৰ দৰে ল'ৰা-তিৰোতা আছে। সিহঁতক মাৰিলে ল'ৰা-ছোৱালীকেইটা আলৈ-আথানি হ'ব। সিহঁতে পেটৰ দায়তহে এইদৰে ঘূৰি ফুৰিছে।' সিজন কমৰেড মনে মনে থাকিল। (ছাঁ লৈ)

## ড্ৰাইভাৰ

শ্ৰীমতী ৰাজখোৱা ধনী ঘৰৰ বোৱাৰী। তেওঁ প্ৰায়ে ক্লাৱ আদিলৈ যায়। এবাৰ ক্লাৱলৈ যাওঁতে পৰ-পুৰুষ এজনৰ লগত উদ্দাম নৃত্য কৰিলে। ৰাতি ১২ টা বজাত সেই পৰ-পুৰুষজনৰ লগতে ঢলংপলংকৈ ওলাই আহি গাড়ীৰ ফালে গ'ল। আহোঁতে তেওঁ পুৰুষজনৰ গাত সাৱটি আহিছিল। পুৰুষজনে ক'লে, 'মানুহে দেখিব।' তেতিয়া তেওঁ ক'লে, 'কোনে দেখিব, সি ড্ৰাইভাৰহে, দেখিলে দেখক।' (ছাঁ লৈ)

## দৰ্শন আৰু অসমীয়া ভাষা

মই ১৯৭৭ চনত ৱালটেয়াৰত থকা অন্ধ্ৰ বিশ্ববিদ্যালয়ত গৱেষণাৰ বাবে গৈছিলো। মোৰ লগত ত্ৰিপুৰাৰ এজন বাঙালী ভদ্ৰলোক আছিল। লগত মই অসমীয়াত লিখা দৰ্শনৰ পুথি এখন লৈ গৈছিলো। তেওঁ মোক সুধিলে, 'সেইখন বাংলা ভাষাৰ কিতাপ নেকি?' মই ক'লো, 'নহয়, এইখন মই নিজে অসমীয়াত লিখা দৰ্শনৰ পুথি।' তেওঁ আচৰিত হৈ সুধিলে, 'কি, অসমীয়াতো দৰ্শনৰ কিতাপ লিখিব পাৰিনে?'

## চুপ থাক

'চাৰ, পাহাৰটোৰ তলটো খান্দি দিলে দেখোঁ ওপৰৰ শিলবোৰ ওলমি পৰিব আৰু বৰষুণ দিলে সেইবোৰ খহি পৰি তলৰ মানুহবোৰৰ ঘৰবোৰ হেঁচা মাৰি ধৰিব।' - পাহাৰ খান্দি থকা বনুৱা এজনে ঠিকাদাৰজনক ক'লে।

'এই কথা ভবা তহঁতৰ কাম নহয়। আমি ভাবিম এইবোৰ কথা। তহঁত কাম কৰা মানুহ কাম কৰ। তহঁতক মজুৰিহে লাগে, মজুৰি পাবি। এই ডাঙৰ কথাবোৰ ভাবিব নালাগে। আমি ওপৰৰ মানুহবোৰে এইবোৰ কথা ভাবিম।' - চিগাৰেট হুপি থকা ঠিকাদাৰজনে ক'লে।

'নহয় মানে তলৰ মানুহখিনি মৰে বুলিহে কথাষাৰ কৈছিলো। মানুহবোৰ আওমৰণে মৰিলে আকৌ বেয়া লাগে নহয়।' - বনুৱাজনে ক'লে।

'চুপ থাক, তোৰ দেখোন মুখ বৰকৈ চলিছে। তহঁতে মুখ নচলাবি, হাতহে চলাবি। তহঁতৰ হাতৰহে কাম আছে, মুখৰ নাই। মুখ আমি চলাম।' - ঠিকাদাৰজনে ক'লে।

'হ'ব বাৰু চাৰ, আমি মুখ নচলাওঁ। আমাৰ প্ৰধান প্ৰয়োজনীয় কথা মজুৰি। নহ'লে আমাৰ ল'ৰা-তিৰোতা মৰি থাকিব।' - সেমেনা-সেমেনিকৈ বনুৱাজনে ক'লে।

## পুলিচ

দেৱদত্ত নামৰ পুলিচজন পুখুৰীত গা ধুবলৈ যাওঁতে হঠাৎ দলঙৰপৰা পানীত পৰি গ'ল। তেওঁ সাঁতুৰিব নাজানে। ওচৰতে কাম কৰি থকা বনুৱা এজনে ল'ৰি গৈ তেওঁৰ হাতখন দিবলৈ ক'লে। পুলিচজনে ক'লে, 'হাতখন দিবলৈ কৈছ কিয়, ল'বলৈহে ক'ব লাগে। নাজান নেকি পুলিচে লয়হে, নিদিয়ে নহয়।' বনুৱাজনে সেমেনা-সেমেনিকৈ নিজৰ হাতখন আগবঢ়াই দি পুলিচজনক ভয় ভয়কৈ তুলি আনিলে।

## ৰিক্সাৱালা আৰু অফিচ বাবু

উচ্চশিক্ষা সঞ্চালকৰ উচ্চবৰ্গৰ কেৰাণীজন এখন ৰিক্সাৰে কাহিলীপাৰাৰ ৰাস্তাইদি গৈ আছিল। পাহাৰীয়া ৰাস্তা। ৰিক্সাৱালাজনে অতি ৰিক্সাখন চলাই গৈছিল। মাজে মাজে চলাব নোৱাৰি নামি টানি নিছিল। এনেতে ৰিক্সাৱালাজনে চেমনীয়া ডেকা ল'ৰা এটাই খুন্দিয়াই পেলাই থৈ যোৱা এগৰাকী মহিলাক দেখি ৰিক্সাখন ৰখালে। মানুহগৰাকীৰ মূৰত তেজ বিৰিঙিছিল। অৰ্থাৎ মূৰ ফাটিছিল। ৰিক্সাৱালাজনে বাবুজনক গন্তব্যস্থানলৈ আৰু অকণমান ৰাস্তাহে আছে বাবে খোজকাঢ়ি যাবলৈকে ক'লে। কাৰণ ৰিক্সাৱালাজনে মানুহগৰাকীক চিকিৎসালয়লৈ নিয়াৰ কথা ভাবিলে। যিহেতু কোনো লোকে মহিলাগৰাকীক সহায় কৰিবলৈ আগবাঢ়ি অহা নাছিল। কিন্তু বাবুজন আকোৰগোজ, তেওঁক কাৰ্যালয়লৈ নিবই লাগিব। ৰিক্সাৱালাজনে উপায় নাপাই বাবুজনক লৈ গ'ল।

## দুষ্ট কাউৰী

এদিন এজন চিকাৰী চিকাৰ বিচাৰি ভাগৰি পৰি গছ এজোপাৰ তলত জিৰণি ল'লে। জিৰণি লওঁতে তেওঁৰ টোপনি আহিল। গছ জোপাৰ ওপৰত এটা বগলী আছিল। সি চিকাৰীজনৰ মুখত ৰ'দ পৰা দেখি পাখি দুটা মেলি ছাঁ দি থাকিল। এই কথা চকুচৰহা কাউৰী এটা দেখিব নোৱাৰি উৰি যোৱাৰ চলেৰে চিকাৰীজনৰ মুখত বিষ্ঠা ত্যাগ কৰি থৈ গ'ল। চিকাৰীজনে সাৰ পাই ওপৰত বগলীটো দেখি কাঁড় মাৰি তাক মাৰি পেলালে। (ছাঁ লৈ)

ৰস ৰচনা

# গেৰেলাৰ গদ্য ৰীতি

❑ জীনা পাচোৱান

ফেদেলাৰ পুতেক গেৰেলাৰ সৰ্বমুঠ দাড়ি নডাল। এপৰৰ ওঁঠৰ ওপৰফালে দুয়োফালে তিনিডালকৈ আৰু থুতৰিত আছে তিনিডাল। নাঙলৰ মাটি কিমানযে ঘঁহিলে, দাড়ি হ'লে নগজিল। পিছে সি বহুত ভাল গুণৰ অধিকাৰী। পঢ়া-শুনাতো ভাল। সুন্দৰ কবিতাও লিখে, ফুটবল খেলাতো পাৰ্গত। বাৰ মাইল চাইকেল চলাই কলেজলৈ আহে। আহোঁতে ঘৰৰ পৰা দুখন মোনা ভৰ্তি কৰি শাক-পাচলি আনি অধ্যাপক-অধ্যাপিকাসকলৰ ওচৰত অতি কম দামত বিক্ৰী কৰে। সজ গুণ, লাজকুৰীয়া স্বাভাৱ আৰু পঢ়া-শুনাৰ প্ৰতি গভীৰ আগ্ৰহৰ বাবে গেৰেলা অধ্যাপকসকলৰ মাজত আটাইতকৈ প্ৰিয় ছাত্ৰ। লিখাত ঘৰ ভাল, কোৱাতহে ইফাল-সিফাল হয়। কেতিয়াবা 'তই' বুলি মাতে, কেতিয়াবা 'আপুনি' বুলি মাতে হিচাপ নাই। এদিন তাক ভট্টাচাৰ্য চাৰে 'কমন ৰুম'লৈ মতাই আনিলে। সি শান্তভাৱে কাষত থিয় হৈ সুধিলে- "চাৰ, আপুনি মোক কিয় মাতিছিল কৌ ইতা।"

- শুনা গেৰেলা, তোমাক এটা দায়িত্ব দিব খুজিছো। পাৰিবানে?

- আপুনি কৈছি যিতে পাৰিম দে।

- শুনা, তুমি সাহিত্যৰ ছাত্ৰ। তুমি পাৰিবা বুলি মোৰ বিশ্বাস আছে। তোমালোকে জানা যে আমাৰ কলেজৰ আলোচনীখনৰ এটা সুকীয়া মৰ্যাদা আছে। কেৱল ছাত্ৰ-ছাত্ৰীয়েই নহয়, গুণী-জ্ঞানী লোকেও আলোচনীখন পঢ়ে।

- চাৰ, মোৰ বক্‌খান হম্ হম্ কইৰ্‌বা ধৈইছি। কি কবা লাগা আছে সনকালে কৌ আপুনি।

- শুনা, তুমি অসমীয়া গদ্যৰ বিকাশ বিৱৰ্তনৰ ওপৰত এটা প্ৰবন্ধ লিখি আনিবা। একেবাৰে অংকীয়া নাটৰ গদ্যৰ পৰা আৰম্ভ কৰিবা।

চাৰৰ কথাষাৰ শুনাৰ লগে লগে তাৰ মূৰত যেন আকাশখনহে খহিল। সি আটাইতকৈ ভয় কৰা বিষয়টোয়েই হৈছে পুৰনি অসমীয়া ভাষা। কিন্তু চাৰৰ কথা সি না কৰে কেনেকৈ? সি "হোবো দে চাৰ, চেষ্টা কৰিম" বুলি সৰুকৈ কৈ ওলাই আহিল। লাহে লাহে পেডেল মাৰি সি নগৰৰ সীমা অতিক্ৰম কৰিলে। অংকীয়া নাট, মন্ত্ৰ, কথা-গীতা, বুৰঞ্জীৰ গদ্যই যেন তাৰ গতিবেগত প্ৰচণ্ড বাধাৰ সৃষ্টি কৰিলে। হঠাতে সি কোনোবাই চিঞৰি চিঞৰি কোৱা যেন শুনিলে- "ঐয়ে দানৱকে বেটা ইন্দ্ৰানী, হাসুক আগু জো হাৰি অতৰে বৰাই। হামু পৰম দৰ্শকয় ভোহাৰি পাৰিংৱাত আনল।" হতভম্ব হৈ গেৰেলাই ওপৰলৈ চাই পঠিয়ালে। কি আচৰিত, আকাশত শচী আৰু সত্যভামাৰ প্ৰচণ্ড বাকযুদ্ধ।

"সাৱধানী হত্তি, দুৰ্ঘটনা ঘটি।"

চাইকেলেৰে সৈতে গেৰেলা লাইট-পোষ্টত আছাৰ খাই পৰিল। তাৰ মূৰৰ কোনোবা এটা অংশৰ পৰা তেজ নিগৰি আহিল। তেজ দেখি "মোল্লু এ" বুলি চিঞৰ মাৰি গেৰেলা বেহুচ হৈ পৰিল। এম্বুলেন্সৰ মাতটোও সি শুনা নাপালে।

গেৰেলাই অনুভৱ কৰিলে- সি যেন এক এক অনুপম ৰাজ্যত প্ৰৱেশ কৰিছে। চৌপাশে পাৰিজাত ফুলেৰে জাতিষ্কাৰ হৈ আছে। ফুলৰ মঞ্চতে অপ্সৰাইতে নৃত্য কৰিছে। তৰাৰ পোহৰে গোটেইখন মায়াময় কৰি ৰাখিছে। স্বয়ং দেৱতাগণো উপস্থিত আছে।

- নাৰায়ণ নাআআৰায়ণ।" নাৰায়ণৰ মাত শুনি গেৰেলাই একেজাপে উঠি বহিল। নাৰদে শুধিলে- "ওহে ফোপোলানন্দন, তুহু হামাৰি ধৰণ ৰাজ্যত কিমতে প্ৰৱেশ কয়লি?"

- হামু সেগোলাখন একো নাহি জানলু। অসমীয়াতে বোলহু।

- ওহে মুৰুখমতি, স্বৰগ ৰাজ্যচে কিনতে লোকভাষা বোলব? হামু জেৰ দেৱীগণ ব্ৰজাৱলী কহিতে ঠিক। ওহি তোহাৰি অসম ৰাজ্যৰ প্ৰথম লিখিত পদ্য; সৰ্ব গদ্যৰ বাণ। অব তোহাৰি সুচিবেধন নিমিত্তে ধনন্তৰী আৰব।

সুচিবেধান অৰ্থাৎ ইঞ্জেকশ্যনৰ নাম শুনি গেৰেলাৰ চুলিৰ আগে জীৱ গ'ল। সি সৰগৰ পৰা তললৈ জাপ মাৰি দিলে। নাৰদে ঢেঁকীত উঠি তাৰ পিচে পিচে চোঁচা ল'লে- "ওহে মূৰ-খামতি, সুচিবেধনৰ নাম শুনিতে তোহাৰি কি ভেল?"

- মোল্লু এ, মোক কেনি দিবা খেদি আইছি এ, মোই সেগলা একো নাজানু এ,

(হৰেকৃষ্ণ ভূঞাৰ এটি ৰচনাৰ আলমত)

# ভ্ৰমণৰ আনন্দ

❑ চয়নিকা বৰুৱা

ভ্ৰমণ মানুহৰ জীৱনৰ এক আনন্দৰ থল। কিবা এটা বিষয় পঢ়িলে আমি যেনেকৈ জ্ঞান লাভ কৰিব পাৰো ঠিক



তেনেকৈ আমি ভ্ৰমণৰ যোগেদি বহুত কথা শিকিব পাৰো। ভ্ৰমণ কৰিলে আমি কোনো এখন ঠাই কিহৰ কাৰণে বিখ্যাত সেই সকলোবোৰ জানিব পাৰো। ঠাইসমূহৰ সৌন্দৰ্য আমি গৈহে বেছি ভালদৰে উপভোগ কৰিব পাৰো। ভ্ৰমণ কৰি যিমান আনন্দ আৰু তাৰ পৰা আমাৰ জ্ঞান হয় সেইয়া যিসকলে ভ্ৰমণ কৰিছে তেওঁলোকে বহুত ভালকৈ জানে। সেই অনুসৰি মই ভ্ৰমণ কৰা সেই ঠাইসমূহৰ বিশেষ আকৰ্ষণ আৰু তাৰ পৰা লাভ কৰা অভিজ্ঞতাৰ পৰা ক'ব পাৰো। মইয়ো সঁচাকৈ ভ্ৰমণ কৰাটো আমাৰ বাবে অতিশয় আৱশ্যক। মই ভ্ৰমণ কৰি আনন্দ উপভোগ কৰা সেই ঠাইসমূহ হৈছে- শ্বিলং, ৰাজস্থান আৰু কাৰ্বি আংলংত থকা কাকচাঙ জলপ্ৰপাত।

2017 চনত চিনামৰা মহাবিদ্যালয়ৰ দ্বাৰা পোন প্ৰথমবাৰৰ বাবে নিৰ্বাচিত হৈছিলো। শ্বিলংৰ কথা মানুহৰ



মুখে মুখে সৰুৰে পৰা শুনি মোৰো যোৱাৰ ইচ্ছা হৈছিল আৰু সেই ইচ্ছা পুৰ হৈছিল মহাবিদ্যালয়ৰ দ্বাৰা। সঁচাকৈয়ে ভাল লগা ঠাই আছিল শ্বিলং। শ্বিলংত থকা শ্বিলং পিক, য'ত উঠিলে গোটেই শ্বিলংখন দেখা পোৱা যায় সেই ঠাইখন চাইছিলো। তাৰ পাচত এলিফেনজ জলপ্ৰপাত চাবলৈ গৈছিলো। পোন প্ৰথমবাৰৰ বাবে চাই চকুৰ সন্মুখত বৃহৎ জলপ্ৰপাত দেখিছিলো। তাৰ পাচতে আমি চেৰাপুঞ্জী, ঠাং বাং, সাতভনীৰ জলপ্ৰপাত, গুহা আদি চাবলৈ গৈছিলো। শ্বিলং এখন পৰিস্কাৰ ঠাই আৰু ইয়াৰ জলবায়ু আমাৰ অসমৰ লগত নিমিলে। বহুত ভাল লাগিছিল শ্বিলংৰ সেই জলবায়ু আৰু পাহাৰৰ মাজে মাজে গৈ থকা ৰাস্তা আৰু তাৰ প্ৰাকৃতিক সৌন্দৰ্যই আমাক আকৰ্ষণ কৰিছিল।



আকৌ ঠিক তেনেকৈ 2018 চনতো মই নিৰ্বাচিত হৈছিলো মহাবিদ্যালয়ৰ পৰা ৰাজস্থান যাবলৈ। এই যাত্ৰাও এক মনোৰম আছিল। তিনিদিন তিনিৰাতি ট্ৰেইনত অজস্ৰ মানুহৰ লগত হোৱা কথা-বাৰ্তাই এক শিক্ষা দিছিল। ৰাজস্থানত গৈ আমি আমাৰ অসমীয়া ভাষা এৰি হিন্দীত কথা ক'বলগীয়া হৈছিল, কিয়নো তাৰ মানুহে হিন্দী ভাষাহে বুজি পাইছিল। ৰাজস্থানত থকা জলমহল, হাৱা মহল, যন্তৰ-মন্তৰ আৰু আমিৰ ফৰ্ট এই চাৰিটা স্থান ফুৰিছিলো। ৰাজস্থানত থকা জল মহলটো দেখি আমি আচৰিত হৈছিলো, কিয়নো চাৰিও কাষে পানীৰ মাজত সেই জল মহলটো অৱস্থিত। যন্তৰ-মন্তৰটো আমাক গ্ৰহ-নক্ষত্ৰৰ সম্পৰ্কে অলপ আভাস দিছিল। তাৰ আৰু এখন ঠাই হৈছে আমিৰ ফৰ্ট য'ত ৰজা-মহাৰজাসকলে বাস কৰিছিল। সেইবোৰ প্ৰথম দেখা পাইছিলো। দোষীক বন্দী কৰা কাৰাগাৰ আমি দেখা পাইছিলো কেনেকৈ গোপনভাবে তাত ৰাখে। ৰজাৰ দিনৰ সকলো দেখিবলৈ পাইছিলো। তাৰ সৌন্দৰ্য ভাষাৰে বুজাব নোৱাৰি।

শেষত মই নিজাববীয়াকৈ যোৱা এখন ঠাই হৈছে কাৰ্বি আংলংত থকা কাকচাং জলপ্ৰপাত। প্ৰকৃতিৰ এক অপূৰ্ব সৃষ্টি কাকচাং জলপ্ৰপাত। এই জলপ্ৰপাত যাবলৈ বহুতো মানুহৰ সমাহাৰ ঘটে। উজনি অসমৰ একমাত্ৰ জলপ্ৰপাত কাকচাং বোকাখাতৰ পৰা পূবলৈ কিছু দূৰ হৈ নাহৰজান তিনি আলিৰ পৰা সোঁহাতে প্ৰায় 10 কিলোমিটাৰ সোমাই গ'লেই জলপ্ৰপাতটো পোৱা যায়। গাড়ী জলপ্ৰপাতৰ কাষলৈ নাযায়, প্ৰায় 1-2 কিলোমিটাৰ খোজ কাঢ়িব লাগে। খোজকঢ়াতো সহজ নাছিল কিয়নো ৰাস্তাবোৰ পাহাৰীয়া শিলাময়, বগাই যাব লাগে। 10 টামান নিজৰা পাৰ হ'ব লাগে আৰু মোৰ বাবে ভয়ানক আছিল। কিন্তু যেতিয়াই এটা নিজৰা পাৰ হৈছিলো ভয় লাহে লাহে কমি আহিছিল। সকলো পাৰ হৈ যেতিয়া জলপ্ৰপাতটো দেখিলো তাৰ সৌন্দৰ্য দেখি সকলো ভয় পাহৰি গৈছিলো। অসমতে থকা এই জলপ্ৰপাতটো সঁচাকৈ সুন্দৰ। এই জলপ্ৰপাতৰ কাৰণে সকলো অসমবাসীয়ে গৌৰৱ কৰিব লাগে, অসমৰ প্ৰথমটো জলপ্ৰপাত কাৰ্বি আংলংৰ কাকচাং জলপ্ৰপাত।

ভ্ৰমণৰ যোগেদি যি আনন্দ লাভ কৰিলো সেইসমূহ কেতিয়াও পাহৰিব নোৱাৰো। ভ্ৰমণৰ এই সময়বোৰ মোৰ কাৰণে একো একোটা স্মৃতি। এই সময়বোৰ মোৰ বাবে সদাই চিৰস্মৰণীয় হৈ থাকিব।

## গ্ৰন্থ পৰিচিতি

❑ মনোজ কুমাৰ শৰ্মা

# মোৰ জীৱন- এটি অন্বেষণ

*-মধুনাথ শৰ্মা*




"জীৱনলৈ অহা প্ৰত্যাহ্বানবোৰ স্থায়ী বুলি নাভাবিবা। সেইবোৰক যিমান পাৰি সহজভাৱে ল'বা, তেহে সফলকাম হ'বা।" বুদ্ধদেৱৰ এই মহৎ বাণীষাৰ আখৰে আখৰে মানি চলা যেন লাগে নলবাৰী জিলাৰ এগৰাকী শিক্ষাবিদৰ ক্ষেত্ৰত। তেখেত হ'ল শ্ৰীযুত মধুনাথ শৰ্মা ছাৰ। ছবছৰ বয়সত জ্যেষ্ঠ ককায়েকৰ হাতত ধৰি গাঁৱৰ পাঠশালালৈ যোৱা আৰম্ভ কৰাৰ কিছুদিন পাছতেই সেই ককায়েকজনৰ জ্বৰত আক্ৰান্ত হৈ মৃত্যু হৈছিল। আঠ বছৰ বয়স পৰ্যন্ত এই ককায়েকজনৰ লগতে তিনিজন ভায়েক আৰু এজনী ভনীয়েকৰ জন্মৰ পাছতে মৃত্যু হৈছিল। সৰ্বোপৰি আঠ বছৰ বয়সত মাকৰো মৃত্যু হৈছিল। ঘৰখনত আছিল দেউতাক আৰু তেওঁ। বহুতৰ হেঁচাত দেউতাকে দ্বিতীয় বিবাহ কৰাইছিল যদিও মাহীমাক গৰাকীৰো চাৰি বছৰমান পাছত মৃত্যু হৈছিল। বহু কষ্ট আৰু সমস্যাৰ মাজেৰে নিজে ৰান্ধি-বাঢ়ি খাই পঢ়ি-শুনি তেখেতে এসময়ত সুখ্যাতিৰে এম এ', বি টি পাছ কৰিছিল। বি এ' পৰীক্ষাৰ চল্লিশ টকা মাচুলৰ জোৰা মাৰিবলৈ একো উপায় নথকাত সযতনে ৰখা মাকৰ কাণফুলিযোৰ বিক্ৰী কৰি দিব লগা হৈছিল। মহাবিদ্যালয়ৰ প্ৰবক্তা, জীৱন বীমা নিগমৰ বিষয়া আদি চাকৰিলৈ নগৈ দেউতাকক সংগ দিয়াৰ স্বাৰ্থত ওচৰৰে নিজে পঢ়া শিক্ষানুষ্ঠান গঙ্গাপুখুৰী বৰকুৰিহা উচ্চ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰূপে যোগদান কৰিছিল। পৰৱৰ্তী সময়ত উক্ত বিদ্যালয়ৰে প্ৰধান শিক্ষকৰূপে নিযুক্তি লাভ কৰিছিল। কিন্তু ইয়াতো দেখা দিছিল কিছু প্ৰত্যাহ্বানে। তাকো হেলাৰঙে নেওচি গোপালথান পলিটেকনিকেল ইনষ্টিটিউটলৈ প্ৰধান শিক্ষকৰূপে বদলি হৈ গৈ অৱসৰ গ্ৰহণ কৰিছিল। সম্প্ৰতি তেখেত বিভিন্ন সামাজিক, শৈক্ষিক আৰু ধৰ্মীয় অনুষ্ঠানৰ সৈতে সক্ৰিয়ভাবে জড়িত হৈ আছে। এইগৰাকী নমস্য প্ৰজ্ঞাৰ সাধক, জনপ্ৰিয় ইংৰাজী শিক্ষক, সৰ্বৰাহী সমাজকৰ্মী মধুনাথ শৰ্মাই নিজৰ জীৱনকাল চোৱাৰ অভিজ্ঞতাপুষ্ট বিভিন্ন কথাৰ তথ্যপূৰ্ণ ৰসাল বৰ্ণনাৰে লিখি উলিয়াইছে এইখন গ্ৰন্থ। গ্ৰন্থখনৰ নাম "মোৰ জীৱন- এটি অন্বেষণ"। 2019 বৰ্ষৰ 19 মে'ত এক গাম্ভীৰ্যপূৰ্ণ ৰাজহুৱা সভাত উন্মোচন কৰা গ্ৰন্থখন প্ৰকাশ কৰিছে অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় শ্ৰেষ্ঠ শাখা সেউজী সাহিত্য কানন আৰু লেখকৰ পৰিয়ালবৰ্গই। শিক্ষকতাকেই জীৱনৰ অফুৰন্ত নিচাৰূপে লৈ এজন জনপ্ৰিয় শিক্ষকৰূপে নিজকে প্ৰতিষ্ঠিত কৰাৰ লগতে হেজাৰজনক বিদ্যা-শিক্ষাৰ বাবে অনুপ্ৰাণিত কৰিছিল। এই কৰ্মজীৱনৰো বহু অভিজ্ঞতাৰ কথা গ্ৰন্থখনৰ পাতে পাতে আছে। গ্ৰন্থখনত জন্ম আৰু বংশ পৰিচয়, গাঁওখনৰ ইতিবৃত্ত, পিতৃৰ প্ৰভাৱ, শৈশৱ আৰু শিক্ষা, চাকৰি আৰু সাংসাৰিক জীৱন, ৰাজহুৱা জীৱন, কৰ্মস্থলীৰ স্মৃতি, ভ্ৰমণ অভিজ্ঞতা, সাহিত্য চৰ্চা আদি মুঠ বাৰটা শিতানত সবিশেষ তথ্যসহকাৰে তেখেতৰ জীৱন বৰ্ণনা কৰিছে। লগতে গ্ৰন্থখনত সংযোজন কৰা হৈছে তেখেতে বিভিন্ন স্তানত লাভ কৰা সম্বৰ্ধনা আদি আৰু প্ৰাক্তন ছাৰৰ এটা দলে যুগুতোৱা 'জীৱনালেখ্য' গ্ৰন্থখনৰ 'পুৰোৱাক' নামেৰে লিখা পাতনিটোত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰক্তন মুৰব্বী অধ্যাপক, মীমাংসা ব্যাকৰণ শাস্ত্ৰী ড$^{0}$ ৰাজেন্দ্ৰ নাথ শৰ্মাই লিখিছে- "স্কুলীয়া শিক্ষকতাৰ উপৰিও কলেজীয়া শিক্ষকতাৰো অভিজ্ঞতা অৰ্জন কৰা শৰ্মাদেৱে যথোপযুক্ত শব্দচয়নেৰে সাৱলীল ভাষাত তেখেতৰ জীৱনৰ অভিজ্ঞতা প্ৰকাশ কৰাত সফল হৈছে।" মেধাসম্পন্ন, নিৰ্জু, নিভাজ, মৰমিয়াল, হাঁহিমুখীয়া আদি বহুবোৰ গুণ আৰু বিশাল ব্যক্তিত্বৰ অধিকাৰী আশীতিপৰ মধুনাথ শৰ্মাৰ এই আত্মজীৱনীমূলক গ্ৰন্থখনে তেখেতৰ সংঘাতময় জীৱনৰ লগতে সমকালিন সমাজখনৰ বহু নজনা তথ্য আৰু আঞ্চলিক ইতিহাস তুলি ধৰিছে। সেইবাবে গ্ৰন্থখনে অঞ্চলটোৰ সুধীসমাজৰ পৰা প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। মহান শিক্ষাবিদজনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু প্ৰাৰ্থনা কৰিলো।

# জীৱনৰ গান

*-ড$^{0}$ গোলাপ চন্দ্ৰ হাজৰিকা*




ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড$^{0}$ গোপাল চন্দ্ৰ হাজৰিকা দুকুৰি ভিন্নসুৰী আৰু ভিন্নধৰ্মী কবিতাৰ অনুপম সংকলন হ'ল 'জীৱনৰ গান'। কবিৰ শৈশৱ, যৌৱন তথা সামগ্ৰীক জীৱনৰ বিভিন্ন অভিজ্ঞতা আৰু স্মৃতিৰ ছবিবোৰ অতি বিচক্ষণতাৰে বাচকবনীয়া শব্দৰ চয়ন আৰু বয়নেৰে এই কবিতাৰ শৰাই সজাইছে। ছাত্ৰাৱস্থাৰ পৰা কাব্যচৰ্চা আৰু সৃষ্টিত মনোনিৱেশ কৰি অহা শিক্ষাবিদ হাজৰিকাদেৱে 'আত্মকথা'ত এনে কিছু অনুভৱ ব্যক্ত কৰিছে। বৰ্তমানেও কবিতাৰ চৰ্চা আৰু সৃষ্টিত মনোনিৱেশ কৰি থকা বিশিষ্ট গণিতজ্ঞগৰাকীয়ে চিনামৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড$^{0}$ অঞ্জন শইকীয়াদেৱৰ পৰা তেখেতৰ কিছু কবিতা সংকলিত কৰি পুথি আকাৰে প্ৰকাশ কৰিব খোজা প্ৰস্তাৱটি পাইছিল। ইয়াৰ পাছত অচিৰেই এই চিন্তাই বাস্তৱৰূপ পাইছিল আৰু যোৱা 20 জুলাই, 2019 তাৰিখে আনুষ্ঠানিকভাবে 'জীৱনৰ গান' উন্মোচন কৰা হৈছিল। সংকলনটিত 'এজন কবিৰ জগতত ক্ষন্তেক' নামেৰে লিখা পাতনিটোত বিশিষ্ট সাহিত্যিক ড$^{0}$ নগেন শইকীয়াদেৱে লিখিছে "হাজৰিকাৰ 'জীৱনৰ গান'ত যিবোৰ বিষয় ব্যৱহাৰিক, সামাজিক জীৱন যাত্ৰাৰ লগত জড়িত হৈ আৰু যিবোৰ ভাবানুভৱ মানুহৰ মূল্যবোধ আৰু আচৰণৰ লগত জড়িত হৈ কবিতাৰ ৰূপত ওলাই আহিছে এতিয়া তেনে ভাবানুভৱেৰে কেৱল বৰ্হিজীৱনকে স্পৰ্শ নকৰি নিজৰ অন্তৰ্জীৱনলৈও সোমাই আহিছে আৰু ঐতিহ্যৰ ভেটিত থিয় হৈও এটা আধুনিক মনেৰে নিজৰ যোগেদি সাৰ্বজনীন মানুহটোৰ মনস্তত্বকো উলিয়াই আনিছে। অসমৰ গ্ৰাম্য জীৱন আৰু জীৱনদৰ্শনৰ লগত নিজৰ জীৱনৰ শিপা পোত গৈ থকা কবিয়ে এতিয়া সূৰ্যমুখী হৈ বাঢ়ি অহা গছৰ দৰে 'পুৰণি পৃথিৱীক নকৈ চাই' লোৱাৰ ক্ষমতা আৰু প্ৰতিভা আয়ত্ত কবিছে।" এই কথাখিনিয়ে 'জীৱনৰ গান'ৰ বিষয়বস্তুৰ লগতে সংকলনটিৰ এটি আভাস সুন্দৰকৈ ডাঙি ধৰিছে। এয়া কবিৰ দ্বিতীয়খন কবিতা সংকলন। এই সংকলনটিত অসমীয়া সমাজ-সংস্কৃতি, লোকাচাৰ, জনজীৱন আদিৰে একালৰ বহু আপুৰুগীয়া সম্পদৰ উপযোগিতা আৰু গুণ-গৰিমাৰ আধাৰত ৰচিত কেইবাটাও গুৰুত্বপূৰ্ণ কবিতা সংযোজিত হৈছে। অসমীয়াৰ আখলৰ অপৰিহাৰ্য অংগ পাভতি আৰু হেদালি চাং, গাচোন এবাৰ হাউ টোলোঠা পকা খওঁ, ক'ত হেৰুৱালো, গুৰু-শিষ্য, বাৰিষাৰ গান, ওখ গছত আগতে বতাহ লাগে আদি কবিতা ঐতিহ্য, পৰম্পৰা আৰু জীৱনবোধৰ ছবি নিপোটলকৈ ফুটাই তুলিছে। আকৌ ধৰা ৰুদ্ৰমূৰ্তি, আশাভংগৰ ক্ষোভ, এটা সাপৰ মৃত্যুত আদি কবিতাৰ বিশ্বজনীন আহ্বানে মন টানি ধৰে। নতুন প্ৰজন্মৰ প্ৰতি উৎসৰ্গা কৰা 'ভালপোৱা', 'অতীত', 'তুমিহীন মই', 'প্ৰবেবিলিটি' আদি কবিতাত চিত্ৰিত ভালপোৱাৰ ছবিকেইখন নতুন প্ৰজন্মৰ বাবে পাথেয় হ'ব পাৰে। 'ক্ষুদ্ৰতা' নামৰ কবিতাটিয়ে আধুনিক জীৱনশৈলীয়ে আমাক চিন্তা-চেতনাহীন কৰি কিদৰে ক্ষুদ্ৰতাৰ ফালে লৈ গৈছে তাৰ সুন্দৰ বৰ্ণনা ডাঙি ধৰিছে। 'মোৰ বিয়াখন ভাগিল' নামৰ কবিতাটিয়ে বিবাহযোগ্য যুৱতীসকলক এবাৰ ভাবিবলৈ বাধ্য কৰিব। ভিন্ন আৰু ব্যতিক্ৰম বিষয়বস্তুৰ কেইবাটাও কবিতাৰ ভাৱ-চিন্তা ততা চিত্ৰকলাই কবিৰ কাব্যিক কুশলতাৰ স্বাক্ষৰ বহন কৰিছে।

সাহিত্য যদি ভাষাৰ শিল্পকৰ্ম হয় তেন্তে কবিতা এনে শিল্পৰ চাৰুকলা। কবিতাত কবিয়ে সমাজৰ ঐতিহ্য, পৰম্পৰা তথা সাংস্কৃতিক ধাৰাৰ খণ্ডচিত্ৰ অংকন কৰে। চাক্ষুস সমাজখনৰ পৰম্পৰাৰ আওতাত কবিয়ে অনুভৱৰ খিৰিকিৰে বিশ্ব দৰবাৰত এভুমুকি মাৰে। জীৱন আৰু জগতক অতি সুক্ষ্মভাৱে আৰু ইতিবাচক দৃষ্টিভংগীৰে পৰ্যবেক্ষণ কৰি কবিতাসমূহ ৰচনা কৰি কৰি ড$^{0}$ হাজৰিকাই সৃষ্টিৰ সাৰ্থকতা দাবী কৰিব পৰাকৈ সফল হৈছে। এনেবোৰ কাৰণতে 'জীৱনৰ গান' এখন অন্যতম উৎকৃষ্ট কবিতা সংকলন।

# শিক্ষাগুৰু তোমাক প্ৰণাম

❑ ৰুমী শইকীয়া

জীৱনত লাভ কৰা অভিজ্ঞতাবোৰ গোট খাই এজন ব্যক্তিৰ জীৱন অমূল্য হ'ব পাৰে। এনেজন লোকেই সমাজ, দেশ কিম্বা পৃথিৱীখনৰ বাবে কিবা নহয় কিবা প্ৰকাৰে অৱদান দি থৈ যায়। অতি ন্যুনতম শিক্ষাৰে শিক্ষিত অথচ অভিজ্ঞ তেনে কোনো এজন ব্যক্তিয়ে যদি দেশৰ ভৱিষ্যতৰ শিশুসকলক পোহৰৰ বাটৰ সন্ধান দিব পাৰে, তেন্তে তেওঁ বৃত্তিধাৰী এজন শিক্ষকতকৈ বহু উচ্চ স্থানত বহুৱাব পাৰি। আজি এবৈশ বছৰীয়া শিক্ষকতাৰ জীৱনত আমি হয়তো ছাত্ৰ-ছাত্ৰীসকলৰ লগত হোৱা জ্ঞানৰ আদান-প্ৰদানৰ দ্বাৰা বহুতো অভিজ্ঞতা বুটলিছোঁ। তাৰ আধাৰতে এটা সত্য উদ্ধাৰ কৰিব পাৰিছো। সেয়া হ'ল, এজন ছাত্ৰৰ জ্ঞানৰ পৰিধি জোখ-মাখ কৰি তেওঁৰ দুৰ্বলতাবোৰ উদ্ধাৰ কৰা আৰু সেই দূৰ্বলতা নিৰ্মূল কৰিবলৈ দৰ্কাৰ হোৱা উপায় শিক্ষকে নিজে উদ্ভাৱন কৰিব লাগিব। তাৰ পিছত নিজৰ পাঠ্যক্ৰমক কশোপযুক্ত কৰি ছাত্ৰজনৰ পাঠৰ প্ৰতি আকৰ্ষিত কৰি জ্ঞান দিয়া। এনে কৰাত ছাত্ৰজনৰ যদি জ্ঞানৰ আকৰ্ষণ বাঢ়ে তেন্তে আমি নিজকে সফল অনুভৱ কৰোঁ।

তেনে এজন সফল শিক্ষাগুৰু অথচ নৱমমান শ্ৰেণীলৈকে অধ্যয়ন কৰা ব্যক্তিৰ বিষয়ে মই ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰিব বিছাৰিছো। তেওঁ কিন্তু কোনোবা বিখ্যাত স্কুল বা শিক্ষানুষ্ঠানৰ শিক্ষক নাছিল। তেওঁ আছিল এজন সাধাৰণ কৃষক। ঘৰৰ আৰ্থিক দৈন্যতাৰ বাবে নৱম শ্ৰেণীতে স্কুল এৰি নাঙল ধৰি, পৰিয়াল পোহ-পাল দিয়া এজন সাধাৰণ লোক। আমি প্ৰথম স্কুলত নাম ভৰ্তি কৰাৰ সময়ত তেওঁক মোৰ দেউতাই প্ৰথম বৰ্ণ পৰিচয় কৰাই দিবৰ বাবে অনুৰোধ কৰিছিল। দেউতাৰ কথা ৰাখি তেওঁ পিছদিনা সন্ধ্যা আমাৰ ঘৰ ওলাইছিল। মোৰ বৰদেউতাৰ ল'ৰাটো আৰু মই কিতাপ-ফলি লৈ পঢ়াৰ মেজৰ সন্মুখত বহিলো। প্ৰথমে আমাক কিছুমান ৰেখা টানিবলৈ দি তেওঁ বাহিৰলৈ ওলাই যায়। ঘূৰি আহি দেখে যে মেজত মূৰ থৈ আমি ছাত্ৰদুজন টোপনিত লালকাল দিলো। সেই সময়ত গাঁৱৰ ল'ৰা-ছোৱালীয়ে আন্ধাৰ হোৱাৰ লগে লগে টোপনি যায়। কাৰণ দিনৰ ভাগত স্কুলৰ পৰা ঘূৰি আহি ইমানেই খেলা-ধূলা কৰে যে ৰাতি হ'লে শুব লাগে বুলিহে জানিছিলো। তেওঁ সেইদিনা আমাক যাহঁত বিচনাত শুই থাক বুলি ইমানতে এৰি ঘৰলৈ ঘূৰি গ'ল। দ্বিতীয় দিনা পুনৰ আমাক পঢ়াবলৈ য়থা সময়ত উপস্থিত হ'ল। আমি কিতাপ-ফলি লৈ মেজৰ ওচৰ পালেহি। আমাক আচৰিত কৰি তেখেতে ঘোষণা কৰিলে যে আজি পঢ়াৰ মেজত কিতাপ-ফলি একোৰে দৰ্কাৰ নাই। সেয়ে আমি কিতাপ-ফলি ভিতৰত থৈ বেঞ্চত বহিলোঁ। লগে লগে তেওঁ আৰম্ভ কৰিলে যে আজি আমাক ৰামায়ণৰ সাধু কোৱা হ'ব। আমি আনন্দত আত্মহাৰা হৈ পৰিলো। সহজ-সৰল অথচ সাৱলীল বৰ্ণনাৰে তেখেতে সাধু ক'বলৈ ধৰিলে। কেতিয়ানো এক ঘণ্টা পাৰ হৈ গ'ল আমি গমকে নাপালো। প্ৰায় এক সপ্তাহ এনেদৰে পাৰ হ'ল। এদিন ৰামায়ণৰ সাধুৰ যৱনিকা পৰিল। অন্যহাতে সন্ধ্যাতে যি ঘোৰ অন্ধকাৰে আমাৰ চকু মুদাই দিছিল লাহে লাহে সেই অজ্ঞান আন্ধাৰবোৰ আঁতৰি যাবলৈ ধৰিলে। দ্বিতীয়তে সপ্তাহত আমাক কিতাপ-ফলি আনিবলৈ নিৰ্দেশ দিলে। আমি এতিয়া অতি আগ্ৰহেৰে তেওঁ পঢ়োৱা সকলো কথা আয়ত্ব কৰিব পাৰিলো। অৰ্থাৎ আমাৰ মনৰ অজ্ঞতা লগতে তমসা সকলো আঁতৰি যোৱাত আমি এক সুন্দৰ তথা উজ্জ্বল পোহৰৰ বাট দেখিলো। এই পোহৰৰ বাট দেখাওতা শিক্ষাগুৰুজনৰ দক্ষতাটো যে কিমান প্ৰখৰ আছিল তাক এতিয়া মৰ্মে মৰ্মে উপলব্ধি কৰি থাকো। সেয়ে আজিও পাঁচ চেপ্তেম্বৰ দিনটোত যেতিয়া শিক্ষক দিৱসত অনুষ্ঠিত হয়, তেতিয়াই মনত পৰে সেই আদিপাঠ দিয়া গুৰুজনলৈ, লগতে প্ৰাথমিক স্কুল, হাইস্কুল, উচ্চতৰ মাধ্যমিক, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় এই সকলোবোৰ সময়তে লগ পোৱা গুৰুসকললৈ। আৰু এটা কথা সদায়ে স্বীকাৰ কৰি যাব লাগিব যে প্ৰথম পাঠ দিওতা শিক্ষকজন এইসকলো গুৰুতকৈ শ্ৰেষ্ঠ। কাৰণ, যি জনে "তমসো মা জ্যোৰ্তিগময়" এই বাক্যশাৰীৰ তাৎপৰ্য্য বুজি পাইছিল।

বৰ্তমান উচ্চশিক্ষাৰ জয়জয় ময়ময় অৱস্থাতো আমি শিক্ষা ব্যৱস্থাৰ বহুতো সীমাবদ্ধতা ৰৈ যোৱা দেখিবলৈ পাইছো। কিয় এনে হৈছে বুলি কৰা চিন্তাৰ অন্তত এটা সিদ্ধান্তত উপনীত হৈছো যে আমি শিক্ষা ব্যৱস্থাৰ কেৰোণটো প্ৰাথমিক শিক্ষাতে থাকি গৈছে। "বুঢ়া বাঁহ মোটোকোৱাব নোৱাৰি" সেয়ে প্ৰাথমিক পৰ্য্যায়ত যদি অভিজ্ঞ, দক্ষ তথা ছাত্ৰৰ সমস্যাৰ সমাধান উলিয়াব পৰা শিক্ষকসকলক উচ্চ হাৰত বেতন দি নিয়োগ কৰা হয়, তেতিয়া হয়তো উচ্চ শিক্ষাত কোনো জটিলতা নাথাকিব। কলা, বিজ্ঞান, বাণিজ্য আদি শিক্ষাৰ লগতে মানৱীয় গুণেৰে গুণৱান হৈ উঠিব। ছাত্ৰসকলে তেতিয়া শিক্ষিত আৰু জ্ঞানীৰ পাৰ্থক্য নাথাকিব।

*ভ্ৰাম্যভাষঃ ৯৬৭৮৫ ৬৮২৪৬*

# শিক্ষক দিৱসৰ শ্ৰদ্ধাৰ্ঘ

❑ *অঞ্জুমণি বৰুৱা*

আজি এই সুন্দৰ দিনৰ
সুন্দৰ পুৱা
কিহৰ আয়োজন
ধূপ দীপ নৈবেদ্যৰ
মহা আড়ম্বৰ।
তুমিয়েই নোহোৱানে
তিৰুতানিৰ তিমিৰ নাশি
জ্বলাবলৈ এগছি বন্তি
বিদ্বৎ সমাজত।
বীৰ স্বামী আৰু শিৱকামান্নাৰ
ঔৰসজাত সন্তান তুমি
জ্ঞানৰ সাগৰ ৰাধাকৃষ্ণন।
তুমি নোহোৱানো কি?
শিক্ষা, সমাজ, দৰ্শন, ৰাজনীতি, সংস্কৃতি
সকলোতে তুমি চিৰ বৰ্তমান।
তুমিয়েই আছিলা স্বাধীন ভাৰতৰ
প্ৰথমজন উপ-ৰাষ্ট্ৰপতি
দ্বিতীয়জন ৰাষ্ট্ৰপতি।
জ্ঞানৰ বন্তিৰে ধৰাৰ বুকুত
ৰাখিলা খ্যাতি যুগ যুগান্তৰ,
যুগে যুগে অক্ষয় অব্যয়
হৈ ৰ'বা শিক্ষক সমাজত।
অনিৰ্বাপিত হৈ ৰ'বা
প্ৰজ্ঞাৰ মনীষাৰে
আদৰ্শৰ চানেকিৰে
নিজস্ব গৰিমাৰে।
শিক্ষক দিৱসৰ শুভ ক্ষণত
জনালো তোমালৈ
শত কোটি প্ৰণাম।

১ পৃষ্ঠাৰ পৰা

## বৌদ্ধ দৰ্শন . . .

এগৰাকী সুন্দৰী কন্যাৰ লগত বিবাহপাশত আবদ্ধ কৰি দিয়ে। ঊনত্ৰিশ বছৰ বয়সত তেওঁলোকৰ ৰাহুল নামৰ এটি পুত্ৰ সন্তানৰ জন্ম হয়। ইয়াৰ পিছত পিতাকে কৰা সন্দেহেই কাৰ্যত ফলিয়ালে। ৰাজবংশত জন্মিও সিদ্ধাৰ্থই আমোদ-প্ৰমোদৰ প্ৰতি আসক্ত হোৱা নাছিল। তেওঁ সংসাৰৰ দুখ-দৈন্য, শোক-তাপ, জৰা-মৃত্যু আদি অপ্ৰীতিকৰ শোক-তাপ আদিৰে দৃশ্য দেখি বিহ্বল হৈ পৰিছিল। আৰু এদিন সংসাৰৰ মায়া-মোহ ত্যাগ কৰি প্ৰায় ঊনচল্লিশ বছৰ বয়সত গৃহ ত্যাগ কৰি সন্ন্যাসী হৈ পৰে।

বুদ্ধদেৱে বৌদ্ধ দৰ্শন অনুসৰি জীৱন-যাপনেই মানুহৰ প্ৰধান উদ্দেশ্য হোৱা উচিত। অৰ্থাৎ সংসাৰৰ মায়া-মোহ তথা দুখময় জীৱনৰ দুখ নিবাৰণৰ প্ৰচেষ্টাই মানুহৰ লক্ষ্য হোৱা উচিত। বুদ্ধদেৱে উল্লেখ কৰা চাৰিমাৰ্গ সত্যত দুখ নিবাৰণৰ উপায়ক বা মাৰ্গ আছে বুলি কৈছে। এই মাৰ্গ অনুসৰণ কৰিয়েই দুখৰ পৰা চিৰমুক্তি লাভ কৰিব পাৰি। এই পথত বৌদ্ধ দৰ্শনত অষ্টমাৰ্গ বা অষ্টাংগিক মাৰ্গ বুলি কোৱা হয় যিহেতু এই পথ এফালে উপভোগৰ জীৱন আৰু আনফালে অনাৱশ্যক শাৰীৰিক কৃচ্ছ সাধন বা ৰিপু দমন। এই দুই পথ বা পন্থাৰ মধ্যৱৰ্তী বা মধ্যম পথ বা পন্থা বুদ্ধদেৱৰ উপায়। এই সাধনাত অসংযত ইন্দ্ৰিয় ভোগ নাই, অনাৱশ্যক কৃচ্ছসাধন নাই। ইয়াত আছে সংযম, চিত্তৰ একাগ্ৰতা, সকলো ধৰণৰ পাপকৰ্ম আৰু অসদাচাৰৰ পৰা বিৰত থকা সৎ কৰ্মৰ অনুশীলন। সেয়ে এই দুই চৰম সত্যৰ বিপৰীতে বুদ্ধদেৱে এক মধ্যম পথৰ কথাহে স্বীকাৰ কৰিছেবা মাৰ্গ দৰ্শন কৰিছে। কাৰণ তেওঁৰ মতে চৰম উপভোগ জীৱন হৈছে হীন-ইতৰ-জনভোগ্য আৰু অনাৰ্য। আনহাতে কঠোৰ কৃচ্ছ সাধনৰ পথ দুখময়। অনৰ্থ, সংযুক্ত আৰু দেহ নিৰ্যাতনৰ পথ। এনেদৰে তেওঁ সংযুক্ত নিতায়তত এই চৰম পন্থা দুটাৰ কথা কয়। তেওঁৰ মতে, চৰম উপভোগৰ জীৱন হৈছে হীন-ইতৰ-জনভোগ্য আৰু অনাৰ্য। আনহাতে কঠোৰ কৃচ্ছ সাধনাৰ পথ দুখময়। অনাৰ্য, অনৰ্থ সংযুক্ত আৰু দেহ নিৰ্যাতনৰ পথ। একেদৰে তেওঁ সংযুক্ত নিতায়তত এইচৰম পন্থা দুটাৰ কথা কয়। তেওঁৰ মতে নিৰ্বাণ লাভ কৰিবলৈ হ'লে এই দুটা পথ অৰ্থাৎ ভোগ বাসনাত লিপ্ত হোৱা আৰু শৰীৰক ক্লেশ দিয়া প্ৰশয় দিব নালাগিব। এইদুটাৰ পৰিৱৰ্তে মাধ্যম পন্থা বা পথ গ্ৰহণ কৰিব লাগে যি সম্যক দৃষ্টি দান কৰে, জ্ঞান দিয়ে আৰু প্ৰশান্তি দিয়ে। এইপন্থা গ্ৰহণ কৰিলেহে জ্ঞানৰ লগতে সম্যক দৃষ্টি লাভ হয়। চিত্ৰ, প্ৰশান্ত হয়, অভিজ্ঞতা, সম্বোধন আৰু নিৰ্বাণ লাভ কৰিব পাৰি। এইমাধ্যম পন্থাই হৈছে অষ্টমাৰ্গ বা অষ্টাংগিক।

বৌদ্ধ দৰ্শন অনুসৰি নিৰ্বাণ লাভৰ ক্ষেত্ৰত কৃপা বা কৰুণৰ অৱকাশ নাই। স্ব-জ্ঞান আৰু কৰ্মৰ সহায়তহে মানুহে নিৰ্বাণ লাভ কৰিব। আত্মসংযম আৰু আত্মপ্ৰয়াসেহে নিৰ্বাণ লাভ কৰিব পাৰি। বৌদ্ধ দৰ্শনত দুই প্ৰকাৰৰ নিৰ্বাণৰ কথা কোৱা হৈছে। উপাধিবিশেষ আৰু অনুপাধিশেষ। উপাধিবিশেষ অৱস্থাত মানুহৰ কামনা-বাসনাৰ বিনাশ হয়। অন্যান্য আস্তিক দৰ্শনত ইয়াক জীৱন মুক্তি বুলি কোৱা হয়। আনহাতে অনুপাধিশেষ অৱস্থাত মানুহৰ সমস্ত সত্তাৰেই বিনাশ হয়। অন্যান্য দৰ্শনত এই অৱস্থাত বিদেশ মুক্তি বুলি কোৱা হয়।

বৌদ্ধ দৰ্শন মতে বাস্তৱ দৃষ্টিভংগীৰে তথা মধ্যম পন্থা অৱলম্বন কৰিহে জগত আৰু জীৱনৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰি। বৌদ্ধ দৰ্শন এক নৈতিক দৰ্শন। বৌদ্ধ দৰ্শনৰ নৈতিক মধ্যম পন্থাসমূহ যেনে সম্যক দৃষ্টি, সংযক সংকল্প, সম্যক বাক, সম্যক কৰ্মান্ত, সম্যক আজীৱ, সম্যক ব্যায়াম, সম্যক স্মৃতি, সম্যক সমাধি ইত্যাদিকে অষ্টাংগিক মাৰ্গ বুলি কোৱা হয়।

# কাৰ্ল মাৰ্ক্সৰ অৰ্থনৈতিক অৱদান

*টিনামণি গগৈ*
*ছাত্ৰী, চিনামৰা মহাবিদ্যালয়*

বৈজ্ঞানিক সমাজবাদৰ জন্মদাতা তথা বিখ্যাত গ্ৰন্থ 'Das Capital'ৰ লিখক কাৰ্ল মাৰ্ক্সৰ জন্ম হৈছিল ১৮৪৪ চনৰ এটা ইহুদী পৰিয়ালত। জাৰ্মানীৰ তিনিখন বেলেগ বেলেগ বিশ্ববিদ্যালয়ৰ পৰা তেওঁ আইন, বুৰঞ্জী আৰু দৰ্শনত ডিগ্ৰী লয় আৰু মাত্ৰ 23 বছৰ বয়সতে পি এইচ ডি ডিগ্ৰী লাভ কৰে।

মাৰ্ক্সৰ ধাৰণাবোৰ শৈশৰ কালৰে পৰা বৈপ্লৱিক ধৰণৰ আছিল আৰু সেই কাৰণেই কেথেতে জাৰ্মানীৰ বিশ্ববিদ্যালয়ত শিক্ষকৰ পদ লাভ কৰা নাছিল। সেয়েহে তেওঁ সংবাদ সেৱাৰ জগতখনৰ সৈতে জড়িত হৈ পৰে। কিন্তু বৈপ্লৱিক ধ্যান-ধাৰণা প্ৰকাশ কৰাৰ বাবে তেওঁক জাৰ্মানীৰ পৰা নিৰ্বাসন দিয়া হয় আৰু ফ্ৰান্সত আশ্ৰয় গ্ৰহণ কৰে। এই সময়ছোৱাত তেওঁ ফ্ৰান্সৰ সমাজবাদ আৰু ইংলেণ্ডৰ ৰাজনৈতিক অৰ্থনীতিৰ বিষয়ে অধ্যয়ন কৰে। ইয়াৰ পিছত ফ্ৰান্সৰ পৰাও নিৰ্বাসন দিয়াত কিছুদিনৰ বাবে বেলজিয়ামত আশ্ৰয় লয় যদিও অৱশেষত ইংলেণ্ডত স্থায়ীভাৱে থাকিবলৈ লয়। সেই সময়ছোৱা তেওঁ অতি দুখৰ মাজেৰে পাৰ কৰিছিল যদিও অধ্যয়ন অব্যাহত ৰাখিছিল আৰু বিভিন্ন সংগঠন গঢ়াত সহায় কৰিছিল। তেখেতৰ উদ্যোগতেই 'First International' নামৰ আন্তঃৰাষ্ট্ৰীয় সংগঠন পোন প্ৰথমবাৰৰ বাবে গঠন হয়।

ৰাজনীতি, সমাজবাদ আদি সকলোতে দক্ষ কাৰ্ল মাৰ্ক্সে অৰ্থনৈতিক ক্ষেত্ৰখনতো অনন্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ প্ৰধান অৰ্থনৈতিক তত্ববোধসমূহ এনেধৰণৰ-

(ক) ঐতিহাসিক বস্তুবাদ: বস্তুবাদ হৈছে মানুহ আৰু পাৰিপাৰ্শ্বিক জগতৰ সম্পৰ্কৰ বিষয়ে এক ব্যাখ্যা।

মাৰ্ক্সৰ মতে ইতিহাসৰ কোনো এটা স্তৰেই চিৰস্থায়ী নহয়। সকলোবোৰ স্তৰেই পৰিৱৰ্তনশীল। উন্নয়নৰ উপযোগী একোটা স্তৰৰ বাবে উপযোগী অনুষ্ঠানসমূহ সময়ৰ পৰিবৰ্তনৰ লগে লগে অলাগতীয়াল হ'ব পাৰে। যেনে উৎপাদনৰ কাৰকসমূহৰ পৰিবৰ্তনৰ লগে লগে সেই সময়ত বৰ্তি থকা অৰ্থনৈতিক আৰু ৰাজনৈতিক অনুষ্ঠানসমূহৰ সম্পৰ্কৰো পৰিবৰ্তন ঘটা প্ৰয়োজন।

(খ) শ্ৰেণী সংঘৰ্ষ: মাৰ্ক্সৰ মতে সমাজৰ পৰিবৰ্তনত উৎপাদনৰ নতুন কাৰকসমূহ আৰু পুৰণা অনুষ্ঠানসমূহৰ মাজত দ্বন্দৰ সৃষ্টি হয় আৰু এই দ্বন্দই শ্ৰেণী সংঘাতৰ ৰূপ লয়। তেখেতৰ মতে, বিৱৰ্তনৰ প্ৰত্যেকটো স্তৰতে এনে সংঘাত হোৱা পৰিলক্ষিত হয়।

(গ) শ্ৰমৰ মূল্য তত্ব: দ্ৰব্য উৎপাদন কৰিবলৈ ব্যৱহাৰ কৰা শ্ৰমো দুই প্ৰকাৰৰ- ব্যৱহাৰযুক্ত শ্ৰম আৰু বিমূৰ্ত মানৱৰ শ্ৰম। ব্যৱহাৰযুক্ত শ্ৰমে দ্ৰব্যৰ ব্যৱহাৰিক মূল্য সৃষ্টি কৰে। অৰ্থাৎ ব্যৱহাৰযুক্ত শ্ৰমে এবিধ দ্ৰব্যৰ আকাৰ, গঠন, গুণাগুণ ইত্যাদি মানৱ ব্যৱহাৰৰ উপযোগী কৰি তোলে।

(ঘ) উদ্বৃত মূল্য তত্ব: উদ্বৃত মূল্য তত্ব মূল্যৰ শ্ৰম তত্বৰ আধাৰিত। শ্ৰমৰ উদ্বৃত মূল্য তত্বৰ দ্বাৰা এখন পুঁজিবাদী অৰ্থনীতিত শ্ৰমিকসকল কিদৰে শোষিত হয় তাকে ব্যাখ্যা কৰা হৈছে।

(ঙ) অৰ্থনৈতিক উন্নয়ন তত্ব: ঐতিহাসিক বিৱৰ্তনৰ বিভিন্ন স্তৰৰ মাজেদি পাৰ হৈ দেশ এখনে পুঁজিবাদী ব্যৱস্থা গ্ৰহণ কৰে। এই ব্যৱস্থাক অৰ্থনৈতিক উন্নয়ন, বিশেষকৈ উদ্যোগীকৰণে ক্ষীপ্ৰতা লাভ কৰে। উদ্যোগীকৰণে মূলধন গঠন বৃদ্ধি কৰে আৰু মূধনে উদ্যোগীকৰণৰ মাত্ৰা অধিক বঢ়ায়। যিমানে মূলধন গঠন বৃদ্ধি পায়, মুনাফাও সিমানে বাঢ়ে।

দৰাচলতে, মাৰ্ক্সবাদ আছিল সেই সময়ত প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে এক প্ৰতিবাদ। সেই সময়ত শ্ৰমিকসকলৰ ওপৰত চলা শোষণ, নিষ্পেষণ আৰু নিপীড়ণৰ বিৰুদ্ধে এটা ব্যৱস্থা গঢ়ি তোলাৰ সপক্ষে তেখেতে সমাজবাদী ব্যৱস্থাৰ পোষকতা কৰিছিল।

# ৰমণীয় শৰৎ

❑ *অংকিতা বৰ্মণ*



বৰ্ষাৰ ক'লা ডাৱৰৰ আচ্ছাদন আতৰাই
শৰতে মনে মনে ভুমুকি মাৰিছে।
পুৱাৰ ৰঙা সুৰুযৰ হেঙুলী আভাই
সেউজ প্ৰাকৃতিক উদ্ভাসিত কৰি তুলিছে,
পুৱাৰ নিয়ক সনা মুকুতাৰ দুবৰিত
শুভ্ৰ শেৱালীৰ বুটা বচা দলিচা,
নিয়ৰসিক্ত সেই শেৱালীৰ সুবাসত
ব্যাকুল হৈ মধুকৰে গুঞ্জন তুলিছে,
প্ৰবাতী পখীৰ সুললিত কণ্ঠৰ সুমধুৰ গীতত
হিয়া মন আনন্দত উত্ৰাৱল হৈ পৰে
খাল-বিলত প্ৰফুতিত ভেট, পদুমেও
নাচি-বাগি শৰতৰে জয়গান গায়।
কৃষকৰ গাৰ ঘামত জীপাল হৈ পৰে,
শ্যামলী লক্ষীমীয়েও উল্লাসেৰে সজাল ধৰে
নীলা আকাশৰ চন্দ্ৰমাৰ স্নিগ্ধ জোনাকে
মানুহৰ দেহত জগাই তোলে শিহৰণ
নদীৰ পাৰত শ্বেতবৰ্ণৰ সুকোমল কঁহুৱাবোৰেও
হালি-জালি শৰতক আদৰেৰে জনায় সম্ভাষণ।
এই শৰতৰে অসুয়া অপ্ৰীতি নাশ কৰি,
শান্তিৰ ধ্বজা উৰুৱাবলৈ, মহিষমৰ্দিনী
দেৱী দশভূজা নামি আহে ধৰাৰ বুকুলৈ
সকলো সৌন্দৰ্যৰে আকৰ, তুমি বৰণীয়া শৰৎ
হেপাহেৰে তোমাক জনাও স্বাগতম।।

# এটি নতুন কবিতা

❑ *পলাশ নাথ*

আজি মোৰ এটি নতুন কবিতা লিখিবৰ মন গৈছে
সেই কবিতাত উল্লেখ কৰিবৰ মন গৈছে,
মোৰ জীৱনৰ ছবি।।
অংকিত কৰিবৰ মন গৈছে,
মোৰ জীৱনৰ টোপাল টোপাল চকুপানী।।
যাক মই লুকুৱাই ৰাখিছো মোৰ অন্তৰৰ মাজত
প্ৰকাশ কৰিব নোৱাৰো মই
মই জানো মই যদি প্ৰকাশ কৰো
তাৰ পৰিণাম কি হ'ব?
নিজেই নিজক কষ্ট দিব খোজো
শেষ কৰি দিছো,
এয়া মোৰ নিজৰ ভুল
যাৰ নাই কোনো ক্ষমা
কিয় মই পাহৰি গ'লো
মোৰ সপোনবোৰ
কিয় মোৰ মনলে আহে বাৰে বাৰে সপোনবোৰ

আকৌ এবাৰ জন্ম হ'ব লাগিব মই
আন্ধাৰ আঁতৰাই পোহৰ আনিব লাগিব।
জননীৰ মুখত হাঁহি বিৰিঙাব লাগিব মই
আকৌ এবাৰ সপোন দেখিব লাগিব মই
এয়ে মোৰ ধৰ্ম,
এয়ে মোৰ কৰ্ম।।

১২ পৃষ্ঠাৰ পৰা

# দাৰ্শনিক ভবানন্দ দত্ত স্মাৰক . . . . .

যোগাবলৈ সক্ষম হৈছে বা শিক্ষানুষ্ঠানসমূহৰ কিমানে এই ক্ষেত্ৰত নিজৰ দায়িত্ব নিষ্ঠা, একাগ্ৰতাৰে পালন কৰাত সমৰ্থ হৈছে? এই কথা সত্য যে কেৱল চৰকাৰী কঠোৰ নীতি- নিয়মেৰে এই পৰিবেশে সৃষ্টি কৰাটো সম্ভৱ নহ'ব। কিছু দিনৰ পিছতে সমগ্ৰ দেশত প্ৰযোজ্য হ'ব নতুন শিক্ষানীতি। ইয়াৰ বাবে শিক্ষানুষ্ঠান, বৌদ্ধিক মহল, নাগৰিক সমাজ প্ৰস্তুতনে? নতুন শিক্ষানীতিত অৰ্ন্তভুক্ত দিশসমূহ আমাৰ দৰে ৰাজ্যত প্ৰযোজ্য হোৱাৰ পূৰ্বে আমি বহু প্ৰত্যাহবান নেওচি যাব লাগিব। আমাৰ শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীকেন্দ্ৰিক শিক্ষাৰ গুৰুত্ব 'জ্ঞান আয়োগ' প্ৰয়োগ কৰাৰ পিছৰে পৰা আৰম্ভ হৈছে যদিও এই শিক্ষাত ছাত্ৰ-ছাত্ৰীৰ মন, শৰীৰ, অন্তৰ, আত্মা-ৰ বিকাশৰ পৰিবৰ্তে 'ফলাফল কেন্দ্ৰিক' শিক্ষাইহে অধিক প্ৰাধান্য লাভ কৰিছে। ফলত প্ৰথম শ্ৰেণী প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অভাৱনীয় হাৰত বৃদ্ধি পালেও 'সামাজিক মূলধন' সৃষ্টিৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহে বিশেষ অৰিহণা যোগাব পৰা নাই। অৱশ্যে ইয়াৰ মাজতে অসমৰ বহু কলেজে নিজা উদ্যোগেৰে 'শৈক্ষিক-সামাজিক' নেতৃত্ব প্ৰদানৰ বাবে লোৱা কেতবোৰ ভুমিকা প্ৰশংসনীয়। 29 টা বৰ্ষ গৰকা চিনামৰা মহাবিদ্যালয়ে মোহন চন্দ্ৰ মহন্ত সোঁৱৰণী সমাজ বিজ্ঞানৰ মৌলিক গৱেষণা কেন্দ্ৰ গঠন, দাৰ্শনিক পণ্ডিত ভৱানন্দ দত্ত স্মাৰক বঁটা প্ৰদান মহাবিদ্যালয় শাখা সাহিত্য সভা গঠনৰ দ্বাৰা 200 খন গ্ৰন্থ প্ৰকাশ, যুগবাৰ্তা বাৰ্তালোচনী প্ৰকাশ, মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ দ্বাৰা প্ৰকাশিত ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ জাৰ্ণালক চণ্ডীগড় বিশ্ববিদ্যালয়ৰ দ্বাৰা 2018 বৰ্ষৰ শ্ৰেষ্ঠ সমাজ বিজ্ঞান জাৰ্ণালৰূপে প্ৰদান কৰা স্বীকৃতি আদি আমাৰ সমাজৰ বাবে আশাৰ বতৰা। এনে কৃতিত্বৰ বাবে কলেজৰ অধ্যক্ষ ড০ অঞ্জন শইকীয়া আৰু কলেজৰ পৰিয়ালৰ প্ৰতিজন সদস্য ধন্যবাদৰ পাত্ৰ। উল্লেখ্য মহাবিদ্যালয়খনে পণ্ডিত প্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈৰ জন্ম দিৱসো নিয়মীয়াকৈ উদ্‌যাপন কৰি আহিছে। পণ্ডিত সন্দিকৈয়ে কৈছিল - শিক্ষা ব্যৱস্থাত জ্ঞানতকৈ চৰিত্ৰ আৰু ব্যক্তিত্বৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা উচিত। বিশিষ্ট দাৰ্শনিক ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণেও কৈছিল - 'Ideas are more potent than facts, even though the ideas may be illusions. Every great achievement is a vision in the soul before it becomes a fact in history'. আমাৰ শিক্ষা ব্যৱস্থাত এই কথাবোৰৰ গুৰুত্ব লাভ কৰে জানো?

*ভ্ৰাম্যভাষ: 94350 -55042*

# দাৰ্শনিক ভৱানন্দ দত্ত স্মাৰক বঁটা প্ৰদান, ফলাফল কেন্দ্ৰিক শিক্ষা ইত্যাদি

❑ ড° সৌমাৰজ্যোতি মহন্ত

আজি বহু বছৰ পূৰ্বে কটন কলেজৰ আই এ ক্লাছৰ টাৰ্মিনেল পৰীক্ষাত ছাত্ৰজনে ইংৰাজী বিষয়ত পূৰ্ব প্ৰস্তুতি নোহোৱাৰ বাবে পৰীক্ষা হলত পোৱা প্ৰশ্নকাকতখন লৈ কি কৰিব তাক লৈ কিংকৰ্তব্যবিমূঢ় হৈ পৰিল। প্ৰশ্নোত্তৰ ভুল কৰাতকৈ তেওঁ যিহেতু এঘণ্টা সম্পূৰ্ণ নোহোৱাকৈ পৰীক্ষা হল ত্যাগ কৰিব নোৱাৰে, সেয়েহে সেই সময়খিনি সৎ ব্যৱহাৰ কৰাৰ বাবে এক পন্থাৰ আশ্ৰয় ল'লে। পৰীক্ষাৰ্থীজনে সেই সময়খিনিত মিল্টনৰ প্ৰখ্যাত 'পেৰেডাইজ লষ্ট' কাব্যখন আগৰ পৰা গুৰিলৈকে মুখস্থ লিখি উত্তৰবহী দাখিল কৰিলে। উত্তৰবহী পৰীক্ষা কৰি সংশ্লিষ্ট অধ্যাপকজনে খং কৰাৰ পৰিবৰ্তে ছাত্ৰজনৰ প্ৰতিভাক প্ৰশংসাহে কৰিলে। অদ্ভূত স্মৃতিশক্তি থকা, অতি মেধাৱী সেই ছাত্ৰজন আছিল দাৰ্শনিক পণ্ডিত ভৱানন্দ দত্ত। উল্লেখ্য ভৱানন্দ দত্তৰ প্ৰতিভাৰ বিষয়ে কটন কলেজৰ সেই সময়ৰ ইংৰাজী অধ্যাপক পি চি ৰায়ে প্ৰায়ে উল্লেখ কৰিছিল। কেৱল 'পেৰেডাইজ লষ্ট'য়েই নহয় ৰবীন্দ্ৰ নাথ ঠাকুৰ, সেক্সপীয়েৰৰ কবিতা, নাটক প্ৰায়বোৰেই ভৱানন্দ দত্তৰ কণ্ঠস্থ আছিল। কোনোবাই যদি সেই সকল বিশ্ববৰণ্যে কবি, নাট্যকাৰৰ লেখাৰ বিষয়ে বা বিষয়বস্তুৰ বিষয়ে ভুল উদ্ধৃতি দিয়ে, তেওঁ নৈৰে থাকিব নোৱাৰিছিল। জেষ্ঠই হওক বা কণিষ্ঠই হওক অতি তৎকালীনভাৱে ভৱানন্দ দত্তই তাক শুধৰাই দি অৰ্নগল ভাৱে তেওঁলোকৰ লেখনি আওৰাই গৈছিল। তেওঁৰ এনে প্ৰতিভাৰ বিষয়ে সোঁৱৰণ কৰি বিশিষ্ট পণ্ডিত ড° মহেশ্বৰ নেওগে কৈছিল -- 'যদি কেতিয়াবা ৰবীন্দ্ৰনাথৰ 'সঞ্চয়িতা'খন হেৰাই যায় আমাৰ কোনো চিন্তাৰ কাৰণ নাই কিয়নো ভৱানন্দ দত্তই সলসলীয়াকৈ সকলো মনত ৰাখি থৈছে'। সমকালীন কাব্য-সাহিত্য অনুৰাগীয়ে ভৱানন্দ দত্তক 'স্মৃতিধৰ' বুলি উল্লেখ কৰিছিল। 1936 চনত প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত অসমীয়া বিষয়ত লেটাৰ লৈ উত্তীৰ্ণ হোৱা ভৱানন্দ দত্তই কটন কলেজৰ পৰা দৰ্শন শাস্ত্ৰত স্নাতক পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ উত্তীৰ্ণ হৈছিল। 1944 চনত স্নাতকোত্তৰ পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা দৰ্শন শাস্ত্ৰত প্ৰথম শ্ৰেণী লৈ উত্তীৰ্ণ হোৱাৰ পিছত নলবাৰী কলেজত প্ৰবক্তা ৰূপে 1947 চনলৈকে সেৱা আগবঢ়ায়। সেই বৰ্ষতে ভাৰত চৰকাৰৰ পৰা এক স্কলাৰছিপ লাভ কৰি দত্তই লণ্ডন বিশ্ববিদ্যালয়ত 'শিশু মনস্তত্ব'ক বিষয়ৰূপে লৈ গৱেষকৰূপে যোগদান কৰে। কিন্তু তেওঁৰ গৱেষণা সম্পূৰ্ণ নহ'ল তদানীন্তন অসম চৰকাৰৰ সৈতে হোৱা এক সংঘাতৰ বাবে। ইউনেস্ক'ৰ দ্বাৰা কমিনিউষ্ট দেশ চেকশ্ল'ভেকিয়াৰ ৰাজধানী প্ৰাগ-ত অনুষ্ঠিত এক আন্তঃৰাষ্ট্ৰীয় ছেমিনাৰত যোগদান কৰাক লৈ অসম তদানীন্তন মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ সৈতে তেওঁৰ মতানৈক্য ঘটিল। ফলশ্ৰুতিত 1949 চনত গৱেষণা সম্পূৰ্ণ নকৰাকৈয়ে ভৱানন্দ দত্তই অসমলৈ ঘূৰি আহি কটন কলেজত দৰ্শন বিভাগত অধ্যাপকৰূপে যোগদান কৰে। ইয়াৰ পিছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগত অধ্যাপকৰূপে যোগদান কৰি একাত্মভাৱে শিক্ষকতা, বৌদ্ধিক চিন্তা-চৰ্চাত ব্ৰতী হৈ পৰে। উল্লেখ্য অসমৰ এজন শ্ৰেষ্ঠ দাৰ্শনিক পণ্ডিত, প্ৰগতিশীল সাহিত্য-চিন্তাৰ কাণ্ডাৰীজনে জীৱন যাত্ৰাত সহযোদ্ধা ৰূপে লাভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন শাস্ত্ৰ বিভাগৰ অধ্যাপিকা নীলিমা হাজৰিকাক। সংখ্যাৰ জোখেৰে ভৱানন্দ দত্তই বহু সৃষ্টি কৰা নাছিল যদিও তেওঁৰ প্ৰতিটো ৰচনাতে প্ৰতিফলিত হৈছিল সূক্ষ্ম বৌদ্ধিক চিন্তা, গভীৰ তত্ব, যুক্তি সম্বলিত সমালোচনাত্মক দৃষ্টিভংগীৰ। জয়ন্তী, আৱাহন, ৰামধেনু, অসমবাণী, প্ৰৱাহ আদিত প্ৰকাশিত প্ৰৱন্ধৰাজি, 'Philosophy and India'(1959), 'ৰবীন্দ্ৰ প্ৰতিভা'(1960), 'দৃষ্টি আৰু দৰ্শন'(1963, 1991), অসমীয়া কবিতাৰ কাহিনী (1969, 1988), অনুদিত গ্ৰন্থ 'দৰ্শন আৰু ভাৰতবৰ্ষ', 'অসমৰ জাতীয় সমস্যাৰ বিৱৰ্তন', 'সাম্যবাদী ঘোষণাপত্ৰ' আদি গ্ৰন্থসমূহে তেওঁৰ বিৰল প্ৰতিভা, বুদ্ধিমত্তা, সাম্যবাদী চিন্তাক প্ৰতীয়মান কৰিছে। বেদ, উপনিষদ, গীতা, বৌদ্ধধৰ্মক গভীৰভাৱে অধ্যয়ন কৰি তাত নিহিত দাৰ্শনিক তত্ত্বক সুন্দৰভাৱে বিশ্লেষণ আগবঢ়াইছিল ভৱানন্দ দত্তই। উপাচাৰ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈয়ে তেওঁৰ পাণ্ডিত্যৰ প্ৰতি শ্ৰদ্ধাশীল আছিল আৰু সেইবাবেই তেওঁ কটন কলেজৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়লৈ আহিবলৈ বাধ্য হয়। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ, হুমায়ুন কবীৰৰ সান্নিধ্য লাভ কৰি ভৱানন্দ দত্তই বহু দিশত নিজৰ দাৰ্শনিক মত সম্পৰ্কে আলোচনা কৰিছিল আৰু তেওঁ দুয়োৰে মনত সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। মাৰ্ক্সীয় দৰ্শনৰ দ্বাৰা প্ৰভাৱিত ভৱানন্দ দত্তই সেই দৰ্শন তত্ত্বক বৌদ্ধিকভাৱে প্ৰতিপন্ন কৰাতেই সীমাবদ্ধ কৰি ৰখা নাছিল, চি পি আই দলত যোগদান কৰি তেওঁ সমাজ পৰিবৰ্তনৰ বাবে অহোপুৰুষাৰ্থও কৰিছিল। বিশ্ববিদ্যালয়ত পৰীক্ষাত শ্ৰেষ্ঠত্ব অৰ্জন কৰাৰ বাবে লাভ কাৰ সোণৰ পদকটোও আনকি তেওঁ চি পি আই দলক দান কৰি নিজৰ মহানুভৱতা, দায়বদ্ধতাৰ নিদৰ্শন দাঙি ধৰিছিল। দুবাৰকৈ লোকসভা নিৰ্বাচনত তেওঁ প্ৰতিদ্বন্দিতা আগবঢ়াইছিল যদিও তেওঁ দুয়োবাৰেই পৰাজিত হৈছিল। কোৱা বাহুল্য এজন দাৰ্শনিক পণ্ডিত, বিশিষ্ট সমালোচক, সাম্যবাদী চিন্তাধাৰাৰ এজন প্ৰতিভূৰূপে খ্যাতি অৰ্জন কৰা ভৱানন্দ দত্তই ছাত্ৰাৱস্থাতে নিজৰ মেধাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। কটন কলেজত ভৰ্ত্তি হোৱাৰ সময়ত কেইবাজনো সাহিত্যনুৰাগী বন্ধুক লৈ তেওঁৰ উদ্যোগতে এক সংস্থা গঠন কৰা হৈছিল -- নাম দিয়া হৈছিল 'প্ৰগতি সমিতি'। বিহগী কবি ৰঘুনাথ চৌধুৰীৰ বাসগৃহত প্ৰগতি সমিতিৰ বৈঠক অনুস্থিত হৈছিল। তাত হোৱা সাহিত্য চৰ্চাৰ কাৰ্যসূচীসমূহ আছিল বিশেষ ধৰণৰ। প্ৰথমতে কোনো এজন লেখকৰ এখন গ্ৰন্থ সমিতিৰ সদস্য সকলৰ মাজত আলোচনা মৰ্মে বাছি লোৱা হয়। প্ৰতিজন সদস্যই উক্ত গ্ৰন্থখন অধ্যয়ন কৰি পৰৱৰ্তী বৈঠকত নিজস্ব মতামত পোষণ কৰে আৰু কোনো এজন সদস্যই সেই আলোচনাৰ ভিত্তিত এটা সমালোচনামূলক প্ৰবন্ধ লিখে। উক্ত প্ৰবন্ধটো বৈঠকত আলোচনা কৰি প্ৰয়োজন সাপেক্ষে তাত হাত ফুৰোৱা হয় বা আন কোনো সদস্যক এই দায়িত্ব অৰ্পণ কৰা হয়। প্ৰগতি সমিতিত এনেদৰে হোৱা চিন্তাৰ ফচলসমূহ 'চিন্তাধাৰা' নামেৰে এক পুথিত প্ৰকাশ কৰি উলিওৱা হয়। 'আমাৰ ঘৰ' নামেৰে এক চিন্তন বৈঠকৰ যোগেদিও বহুবোৰ সমকালীন সাহিত্য-সংস্কৃতিৰ আলোচনা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত উদ্যোগ গ্ৰহণ কৰিছিল ভৱানন্দ দত্তই। আজিৰ যুগত তথাকথিত শৈক্ষিক ব্যৱস্থাৰ ধামখুমিয়াত হেৰাই গৈছে বৌদ্ধিক উৎকৃষ্টতা, মৌলিক চিন্তাক প্ৰতিফলিত কৰিব পৰা পৰিবেশৰ। ভৱানন্দ দত্তৰ দৰে ব্যক্তিসকলে কৰা এনে কেতবোৰ চিন্তাৰ বাবেই সুস্থ, সৰল, যুক্তিপূৰ্ণ চিন্তাৰ এক পৰিবেশ সৃষ্টি কৰিছিল। উল্লেখ্য দত্তৰ মতাদৰ্শৰ সৈতে সেই সময়ৰ কেইবাজনো লেখক, বন্ধুৰ সৈতে মিল নাছিল যদিও তেওঁৰ বিৰল প্ৰতিভা, পাণ্ডিত্য, যুক্তিপূৰ্ণ আলোচনাৰ প্ৰতি লেখক বন্ধুসকল শ্ৰদ্ধাশীল নোহোৱাকৈ নাছিল।

ভৱানন্দ দত্তৰ দাৰ্শনিক পাণ্ডিত্য, তাত্ত্বিক আলোচনাসমূহ এই লেখাত সামৰি লোৱা নাই আৰু এই লেখকৰ সেই সামৰ্থ্যও নাই। কিন্তু এনে এজন ব্যক্তি সম্পৰ্কে বিস্তৃতভাৱে যি আলোচনা হ'ব লাগিছিল বা তেওঁৰ গুণৰাজিক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ বাবে যি উদ্যোগ হ'ব লাগিছিল বৌদ্ধিকমহল বা অন্য অনুষ্ঠানৰ দ্বাৰা লোৱা পদক্ষেপ নিচেই সীমিত। অৱশ্যে এই ক্ষেত্ৰত এক আশাৰ বতৰা কঢ়িয়াই আনিছে যোৰহাট জিলাৰ চিনামৰা মহাবিদ্যালয়ে। মহাবিদ্যালয়খনিৰ শাখা সাহিত্য সভা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত আৰু গুৱাহাটীস্থ সৰ্বানন্দ দত্ত স্মৃতি ৰক্ষা সমিতিৰ সহযোগত যোৱা 20 জুলাই তাৰিখে ভৱানন্দ দত্ত স্মাৰক বঁটা প্ৰদান অনুষ্ঠানটি সম্পন্ন কৰা হয়। যোৰহাট ৰাধাকান্ত সন্দিকৈ ভৱনত শিক্ষাবিদ আনন্দ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰভাত চন্দ্ৰ মহন্ত, ড° বীণাপাণি দেৱী, ড° ভূপেন্দ্ৰনাথ গোস্বামী, মাধৱ মহন্ত প্ৰমূখ্যে ব্যক্তি সকলৰ উপস্থিতিত ভৱানন্দ দত্ত স্মাৰক বঁটাটি প্ৰদান কৰা হয় বিশিষ্ট দাৰ্শনিক, শিক্ষাবিদ ড° গিৰীশ বৰুৱাক। 'Dadhi Mohanta - a man of the masses' শীৰ্ষক গ্ৰন্থখনিৰ বাবে ড° বৰুৱাক এই সন্মানেৰে বিভূষিত কৰা হয়। উল্লেখ্য 'Sankardeva, a critical appraisal of his philosophy and Religion', 'The Bhagavatgita - a philosophical Analysis', পৃথিৱীত বিভিন্ন ধৰ্ম, অসমৰ জাতি সমস্যা আৰু জ্যোতি-বিষ্ণুৰ শিক্ষা, ধৰ্ম কি আৰু কিয় আদি বিভিন্ন গ্ৰন্থৰ লগতে বহু মননশীল প্ৰৱন্ধৰে সাহিত্য জগত সমৃদ্ধ কৰাৰ লগতে প্ৰগতিশীল চিন্তাৰ প্ৰসাৰতা, সমালোচনাত্মক সাহিত্যৰ উত্তৰণৰ ক্ষেত্ৰত ড° গিৰীশ বৰুৱাই বিশেষ অৰিহণা যোগাই ছে। উল্লেখ্য উক্ত অনুষ্ঠানতে তেখেতৰ "Bhabananda Dutta and Some Indian Philosophical Ideas" শীৰ্ষক সৰ্বানন্দ দত্ত স্মৃতি ৰক্ষা সমিতি, গুৱাহাটীৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনৰ শুভ উন্মোচন কৰা হয়। অসমৰ এজন দাৰ্শনিক পণ্ডিতৰ নামত বঁটা প্ৰদানৰ সময়ত তেখেতৰ চিন্তা, কৰ্মৰাজিৰ প্ৰসাৰৰ উদ্দেশ্যে এনে এখন গ্ৰন্থ প্ৰকাশ কৰাটো প্ৰশংসাৰ যোগ্য। উক্ত অনুষ্ঠানটি এই লেখকক মূখ্য অতিথিৰূপে অংশ গ্ৰহণ কৰিবলৈ সুযোগ দি উদ্যোক্তা সকলে কৃতাৰ্থ কৰিলে।

উচ্চ শিক্ষাই শিক্ষাৰ্থীৰ উচ্চ চিন্তা, বিশ্লেষণাত্মক দৃষ্টিভংগী, অনুসন্ধিৎসু মনৰ বিকাশ সাধন কৰি সংশ্লিষ্ট সমাজ, দেশৰ বাবে প্ৰয়োজনীয় মানৱ সম্পদ বা সামাজিক মূলধন সৃষ্টি কৰাটো অতি গুৰুত্বপূৰ্ণ। সমাজবিজ্ঞান, সাহিত্য, বিজ্ঞান, প্ৰযুক্তি, বাণিজ্য, পৰিচালনা যি বিষয়তে নহওক সকলো ক্ষেত্ৰতে প্ৰকৃত মানৱ সম্পদৰ সৃষ্টি হোৱাৰ অন্তৰালত আছে সংশ্লিষ্ট দেশৰ শিক্ষা ব্যৱস্থা। সময় যিমানে বাগৰিছে সিমানেই আৰ্থ-সামাজিক গতি, প্ৰকৃতি, সমস্যাৰ ৰেহ ৰূপো সলনি হৈছে। তেনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত গুণগত শিক্ষা উত্তৰণ তথা নতুন চিন্তা, যুক্তিবাদী মনত অধিকাৰী সৃষ্টি কৰাটো অতি প্ৰয়োজন। এটা জাতিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ ক্ষেত্ৰত বৌদ্ধিক উৎকৃষ্টতাৰ কোনো বিকল্প নাই। কিন্তু প্ৰশ্ন হ'ল সাম্প্ৰতিক কালৰ ব্যৱস্থাটোৱে শিক্ষানুষ্ঠানসমূহৰ দ্বাৰা এনে দিশত গুৰুত্ব দিব পৰাকৈ পৰিবেশ সৃষ্টিত কিমান ইন্ধন

১১ পৃষ্ঠাত...

# মুদ্ৰাৰ ক্ৰমবিকাশ

❑ *অংকিতা ভৰালী*
ছাত্ৰী, চিনামৰা মহাবিদ্যালয়

অৰ্থ ব্যৱস্থাত মুদ্ৰাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যিকোনো বস্তু বা সামগ্ৰীৰ দাম মুদ্ৰাৰ মানত প্ৰকাশ কৰা হয়। সকলো বানিজ্যিক লেনদেন মুদ্ৰাৰ মাধ্যমেৰে সাধিত হয়। মুদ্ৰাক ইংৰাজীত Money বোলা হয়। Money শব্দটো লেটিন শব্দ 'Moneta'ৰ পৰা আহিছে। জিয়ফ্ৰি ক্ৰাউথাৰৰ (Geoffrey Crowther) মতে সাধাৰণ গ্ৰহণযোগ্যতা থকা, মূল্যৰ মাপকাঠি আৰু সঞ্চয়ৰ ভাণ্ডাৰ হিচাবে কাম কৰা বিনিময়ৰ মাধ্যমকে মুদ্ৰা বোলে।

বৰ্তমান সময়ত দ্ৰব্য-সামগ্ৰী ক্ৰয় কৰিবলৈ আমি অতি সহজতে এ'টিএম (ATM) বা ডেবিট কাৰ্ড ব্যৱহাৰ কৰো অথবা অনলাইন শ্বপিং কৰিবলৈ Paytm, Google Pay আদি অনেক এপছ্ৰ জৰিয়তে লেনদেন কৰিব পাৰো। কিন্তু এই ব্যৱস্থা সহজলভ্য হোৱাৰ বৰ বেছিদিন হোৱা নাই। অৰ্থনীতিৰ ছাত্ৰ হিচাপে আমি জনা দৰকাৰ মুদ্ৰাৰ প্ৰচলন তথা ক্ৰমবিকাশ হ'ল কেনেকৈ তথা সময়ৰ লগে লগে ইমান পৰিৱৰ্তন কেনেকৈ হ'ল?

(ক) বিনিময় প্ৰথা (খ্ৰী.পূ. 9000):

প্ৰাচীন কালত প্ৰকৃতিত উপলব্ধ মূল্যৱান সামগ্ৰী যেনে ঘেঁহু, পশুধন, শংখ আদিক মানুহে বিনিময়ৰ মাধ্যম হিচাৰে ব্যৱহাৰ কৰিছিল। সেয়া আছিল মানৱ সমাজত প্ৰচলিত বানিজ্যৰ প্ৰাথমিক মাধ্যম। কিন্তু এনে সামগ্ৰীবোৰক বিনিময় মাধ্যম হিচাপে বা মুদ্ৰা হিচাপে ব্যৱহাৰ কৰাত বহুতো অসুবিধা আছিল।

(খ) মূল্যবান ধাতুৰ মুদ্ৰা (খ্ৰী.পূ. 4000):

দুটা প্ৰাচীন জনগোষ্ঠীৰ মাজত বাণিজ্যৰ মাধ্যম হিচাপে মূল্যৱান ধাতুৰ মুদ্ৰাই আত্মপ্ৰকাশ কৰে এই সময়ত। ইয়াৰ কাৰণ আছিল এনে ধাতুসমূহৰ মহাৰ্যতা। পূৰ্বৰ পশুধন বা শস্যৰ তুলনাত এৱে ধাতুৰ মুদ্ৰাসমূহৰ ব্যৱহাৰ সহজ আছিল। সেইবোৰ নষ্ট হৈ যোৱাৰ ভয় নাছিল, জমা কৰি থ'বলৈ বা কঢ়িয়াই নিবলৈ সুবিধা হৈছিল।

(গ) কাগজী মুদ্ৰা (1000 খ্ৰীষ্টাব্দ):

কাগজৰ মুদ্ৰাৰ জন্ম কাহিনী অতি আমোদজনক। যিবোৰ মানুহৰ হাতত মূল্যৱান ধাতু যেনে- সোণ জমা হৈছিল, তেওঁলোকে সেই সোণৰ চুৰি-ডকাইতি ৰোধ কৰিবলৈ সোণাৰীৰ হাতত তাক জমা কৰি থৈছিল। বিনিময়ত সোণাৰীয়ে উক্ত সোণৰ গৰাকীক একোখন কাগজৰ ৰচিদ দিছিল। সোণাৰীসকলেই তেতিয়া আৰু আজি-কালিৰ বেংকৰ দৰে ভূমিকা পালন কৰিছিল আৰু তেওঁলোকে প্ৰদান কৰা কাগজৰ ৰচিদবোৰ মুদ্ৰাৰ কাম কৰিছিল। ৰচিদখন এজনৰ পৰা দ্বিতীয় এজনৰ হাতলৈ যোৱাৰ অৰ্থ আছিল ৰচিদৰ সম পৰিমাণৰ সোণ প্ৰথম ব্যক্তিৰ পৰা দ্বিতীয়জন ব্যক্তিলৈ হস্তান্তৰ হোৱাৰ নিচিনা। যিকোনো মূহুৰ্তত ৰচিদখন ঘূৰাই দি দ্বিতীয় ব্যক্তিজনে হস্তান্তৰ হোৱাৰ নিচিনাকৈ সোণাৰীৰ পৰা সোণখিনি ঘূৰাই ল'ব পাৰিছিল। কালক্ৰমত মানুহে বাস্তৱিকতে সোণৰ লেন-দেন কৰাৰ পৰিৱৰ্তে কাগজৰ ৰচিদৰ লেন-দেন আৰম্ভ কৰিছিল। সেয়াই আছিল আজিৰ বহুল প্ৰচলিত কাগজী নোটৰ প্ৰচলনৰ আদিৰূপ।

(ঘ) ফিয়াত মুদ্ৰা (1900 খ্ৰীষ্টাব্দ):

প্ৰায় এশ বছৰৰ পূৰ্বে সোণৰ পৰিৱৰ্তে ৰচিদ দিয়া প্ৰথাৰ ঠাইত ফিযাত মুদ্ৰাৰ প্ৰচলন হয়। এইবোৰো কাগজী মুদ্ৰাই আছিল। ফিয়াত মুদ্ৰাসমূহত সোণ জড়িত হৈ নাথাকিছিল। সোণ জড়িত হৈ নাথাকিলেও ফিয়াত মুদ্ৰাৰ সৈতে জড়িত আছিল চৰকাৰীভাৱে আৰোপ কৰা মূল্য। এখন কাগজৰ মুদ্ৰাত যেতিয়া চৰকাৰে মূল্য আৰোপ কৰিছিল, তেতিয়া আৰু দেশখনৰ সকলোৱেই মানি লৈছিল। সকলো দেশৰে নিজ নিজ চৰকাৰে পৃষ্ঠপোষকতা কৰা ফিয়াত মুদ্ৰা প্ৰচলিত হৈ পৰিল।

(ঙ) ইলেকট্ৰনিক মুদ্ৰা (কুৰি শতিকাৰ শেষচোৱা):

এতিয়ালৈকে যিমানবোৰ মুদ্ৰাৰ উদ্ভাৱন হ'ল সেইবোৰৰ ক্ষেত্ৰত মুদ্ৰাৰ ভৌতিক বা বাস্তৱিক লেন-দেন সম্ভৱ হৈছিল বা তেনে লেন-দেনৰ ক্ষেত্ৰত মুদ্ৰাৰ বাস্তৱিক লেন-দেন কৰাৰ প্ৰয়োজনীয়তা নোহোৱা হ'ল। তাৰ পৰি ৱৰ্তে তৃতীয়টো পক্ষ অৰ্থাৎ এই ক্ষেত্ৰত বেংকৰ সহায়ত প্ৰয়োজন হ'ল। ধনৰ বৈদ্যুতিক লেন-দেন আধুনিক জীৱনশৈলীৰ এক প্ৰধান উপাদান। ক্ৰেডিট কাৰ্ড, ডেবিট কাৰ্ড, ই-বেংকিং আদিৰ জৰিয়তে লেন-দেন কৰা হয়।

এনেদৰেই কালক্ৰমত আৰু আধুনিকতাৰ গ্ৰাসত পৰি মুদ্ৰাৰ ক্ৰমবিকাশ হৈ বৰ্তমান অৱস্থা পাইছেহি।

# ভাৰতৰ কেন্দ্ৰীয় বাজেট (২০১৯-২০): এক চমু সমীক্ষা

❑ *সঞ্চয়িকা কলিতা*
ছাত্ৰী, চিনামৰা মহাবিদ্যালয

গাঁও, দৰিদ্ৰ, কৃষককে ধৰি প্ৰতিজন নাগৰিকৰ জীৱনক অধিক সৰল কৰাৰ লক্ষ্যৰে 2019 বৰ্ষৰ 5 জুলাই তাৰিখে বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে লোকসভা সংসদত 2019–20 বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰে।

সীতাৰমণে পেট্ৰল আৰু ডিজেলত উপ-কৰ বৃদ্ধি কৰাৰ লগতে সোণৰ আমদানি কৰ বৃদ্ধিৰ প্ৰস্তাৱ কৰে। এতিয়াৰ পৰা ধনাঢ্যসকলে অধিক হাৰত কৰ পৰিশোধ কৰিব লাগিব। 2019–20 বিত্তীয় বৰ্ষৰ বাজেটত মন্ত্ৰীয়ে বাৰ্ষিক ডেৰ কোটি টকাতকৈ কম লেন-দেন কৰা তিনি কোটি ক্ষুদ্ৰ ব্যৱসায়ীক প্ৰধানমন্ত্ৰী কৰ্মযোগী মানধন আঁচনিৰ অধীনত পেঞ্চন দিয়াৰ কথা ঘোষণা কৰে। তেওঁ কয় যে যোৱা বিত্তীয় বৰ্ষত বিদেশী প্ৰত্যক্ষ বিনিযোগৰ পৰিমাণ আগৰ বিত্তীয় বৰ্ষৰ তুলনাত 6í বৃদ্ধি পাই 64.37 লাখ কোটি টকা হয়। তেওঁ ভাৰতত প্ৰত্যক্ষ বিদেশী বিনিয়োগ অধিক আকৰ্ষণীয় কৰাৰ প্ৰস্তাৱ কৰে।

চৰকাৰৰ প্ৰতিটো কাম তথা আঁচনিৰ লক্ষ্য 'গাঁও, দৰিদ্ৰ আৰু কৃষক' বুলি দাবী কৰি বিত্ত মন্ত্ৰীয়ে কয় যে 2022 চনৰ ভিতৰত প্ৰতিটো গ্ৰামীন পৰিয়ালক বিদ্যুৎ আৰু ৰন্ধন গেছৰ সংযোগ দিয়া হ'ব। চলিত বিত্ত বৰ্ষত প্ৰায় 80,250 কোটি টকা ব্যয়েৰে দেশত 1,25,000 কিলোমিটাৰ পথ নিৰ্মাণ কৰা হ'ব।

বাজেটত উচ্চ শিক্ষাত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ বাবে প্ৰায় 400 কোটি টকা আবণ্টন দিয়াৰ প্ৰভাৱ কৰা হৈছে। ইয়াৰোপৰি চিগাৰেট, ধঁপাত, জৰ্দা, পান মচলাত 0.5í কৰ আৰোপৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ লগতে কাজু বাদাম, পি ভি চি, মটৰ বাহনৰ অংশ-পাতি, অপ্টিকেল ফাইবাৰ কেবল, চি চি টিভি কেমেৰাত সীমা শুল্ক বৃদ্ধি কৰা হৈছে। ইয়াৰ উপৰি চাবোন, চেম্পু, টুথপেষ্ট, বিদ্যুতৰ সামগ্ৰী, চচমাৰ ফ্ৰেম, চেনিটেৰি নেপকিন, ম'বাইল ফোনৰ চাৰ্জাৰ ইত্যাদিৰ দাম হ্ৰাস পাব। বৰ্তমান ভাৰতৰ অৰ্থনীতি 3 লাখ কোটি ডলাৰ বুলি উল্লেখ কৰি বিত্তমন্তৰীয়ে ইয়াক 5 লাখ কোটি ডলাৰ কৰাৰ প্ৰয়োজনীযতাৰ বিষয়ে বাজেটত উল্লেখ কৰে।

১ পৃষ্ঠাৰ পৰা

## টাবুৰাম টাইদৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি ..

অলংকৃত কৰিছিল। টাবু টাইদৰ উল্লেখযোগ্য পুথিসমূহ হ'ল মিচিং ভাষাৰ বানান পদ্ধতি, ড. বাণীকান্ত কাকতি: ব্যক্তি আৰু তেওঁৰ কৰ্ম, পমান মমান, লেকুডা লিগাং, A Dictionary of Missing Language য়াংয়ক দঃহিং, An Introduction of Missing Phonology Grammar আদি মিচিং শব্দকোষৰ বাবে ২০১২ চনত তেখেতে সাহিত্য অকাডেমি বঁটা লাভ কৰে। কেৱল মিচিং ভাষা-সংস্কৃতিয়েই নহয়, অসমৰ সমগ্ৰ জনগোষ্ঠীৰ উজ্জীৱিত কাৰকসমূহক বিজ্ঞানমনস্ক চিন্তা-চৰ্চাৰে জাতিটোলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। অসমৰ এগৰাকী প্ৰখ্যাত সাহিত্যিক শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি ছাৰে এটা লেখাত অতি সাৰগৰ্ভ মন্তব্য কৰিছে- 'টাবু টাইদ মিচিং সমাজৰ এটি উজ্জ্বল ৰত্ন। কিন্তু তেওঁক কেৱল মিচিং সমাজৰ ৰত্ন বুলি ক'লে ভুল কোৱা হ'ব। তেওঁ আধুনিক যুগৰ অসমীয়া সমাজৰ এটা উজ্জ্বল ৰত্ন, অসমৰ গৌৰৱ।'

এইজন বহুমুখী প্ৰতিভাসম্পন্ন অসমীয়া সমাজৰ বৰেণ্য ব্যক্তি টাবু টাইদৰ জন্ম হৈছিল লক্ষীমপুৰ জিলাৰ অন্তৰ্গত বানপানীৰে আক্ৰান্ত ঘুণাসুঁতিৰ পাৰৰ এখন পাচপৰা গাঁৱৰ এটা দৰিদ্ৰ পৰিয়ালত। জন্মৰ সাত বছৰৰ পাছত ১৯৫০ চনৰ ভূমিকম্প আৰু ১৯৫৫ চনত তেখেতৰ পিতৃ বিয়োগ। বানপানী, পিতৃ বিয়োগ, ভূমিকম্প, সৰ্বোপৰি বৰ্ণনাতীত দৰিদ্ৰতা। কৈশোৰ জীৱনত চাৰি বিপদৰ সন্মুখীন হৈ সেই বিপদকেইটাক পৰাভূত কৰি জীৱনত সফলতা দেখুৱাই জাতীয় জীৱনলৈ তেখেতৰ যি মহান বৰঙণি - সেয়া নজিৰবিহীন, অতুলনীয়। আমাৰ সমাজখনৰ উত্তৰ পুৰুষৰ বাবে তেখেতৰ আদৰ্শ দিৰপ্ৰবাহমান হৈ থাকক।

# ১৫০ সংখ্যক গান্ধী জয়ন্তী

❑ *পুৰণা চুড়ী*
ছাত্ৰী, চিনামৰা মহাবিদ্যালয়



জাতিৰ পিতা মহাত্মা গান্ধীৰ পৰিচয় দিয়াৰ কোনো প্ৰয়োজন নাই। তেওঁ প্ৰতিজন ভাৰতীয়ৰ হৃদয়ঙ্গম। তেখেতৰ জন্ম দিৱসটো 2 অক্টোবৰত গান্ধী জয়ন্তী হিচাপে পালন কৰা হয়। 2007 চনৰ 15 জুন তাৰিখে গান্ধীৰ জন্ম দিনটোক আন্তজাতিক অহিংসা দিৱস হিচাপে পালন কৰিবলৈ ঘোষণা কৰে।

এইবাৰৰ গান্ধী জয়ন্তী সকলোৰে বাবে এক বিশেষ। কাৰণ এইবাৰ গান্ধী জয়ন্তীৰ 150 সংখ্যক বৰ্ষপুৰ্তি। এই বৰ্ষপুতি বিশেষ হোৱাৰ আন এক কাৰণ হৈছে স্বচ্ছতা। 2014 চনৰ 15 আগষ্ট তাৰিখে ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই গান্ধী জয়ন্তী উপলক্ষ্যে স্বচ্ছ ভাৰত অভিযান নামৰ এলানি জনপ্ৰিয় অভিযান সম্প্ৰচাৰ কৰাৰ কথা উল্লেখ কৰিছিল আৰু দেশৰ সকলো বৰ্গৰ মানুহক এই অভিযানত অংশ ল'বলৈ আহ্বান জনাইছিল আৰু 2019 চনৰ 150 সংখ্যক গান্ধী জয়ন্তীত সমগ্ৰ দেশ স্বচ্ছাতাৰ দিশত সফল হ'ব বুলি আশা প্ৰকাশ কৰিছিল।

৪ পৃষ্ঠাৰ পৰা

## বাজেটত গ্ৰামীণ ভাৰত ...

এই বাজেটত বিত্তমন্ত্ৰীয়ে শূন্য বাজেট কৃষিৰ ক্ষেত্ৰত (Zero budget farming) ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

তেওঁৰ মতে শূন্য বাজেট কৃষিয়ে কৃষকৰ আয় আগন্তুক দিনত দুগুণলৈ বৃদ্ধি কৰিব। শূন্য বাজেটত কৃষি আৰ্হিৰ প্ৰধান লক্ষ্য হ'ল কৃষি ক্ষেত্ৰত হোৱা ব্যয় ব্যাপক হাৰত হ্ৰাস কৰা, যাৰ পৰিণামস্বৰূপে কৃষকৰ ঋণৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিব। এই ব্যৱস্থাই কৃষকৰ ঋণগ্ৰস্ততাৰ সমস্যা লাঘৱ কৰিব। এই ব্যৱস্থাই কৃষকক থলুৱাভাৱে উপলব্ধ বীজ আৰু প্ৰাকৃতিক সাৰ ব্যৱহাৰৰ বাবে অনুপ্ৰেৰণা যোগায় যাৰ ফলত ব্যয়বহুল ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পায়।

বাজেটত ঘোষণা কৰা এই আঁচনিসমূহ যদি প্ৰণালীৱদ্ধভাৱে আৰু পূৰ্ণাংগভাৱে কাৰ্যকৰী কৰা হয় তেতিয়া নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাটো অসম্ভৱ নহ'ব। কিন্তু আমাৰ দেশৰ প্ৰধান সমস্যা হ'ল বাজেটত অনেক আঁচনি গ্ৰহণ কৰা হয়, ইয়াৰে অনেক কাগজে-পত্ৰই থাকি যায় আৰু আন কিছুমান ফলপ্ৰসূভাৱে কাৰ্যকৰী নহয়গৈ। এনে হ'লে ৫ ত্ৰিলিয়ন ডলাৰৰ অৰ্থনীতিৰ লক্ষ্য কেৱল সপোন হৈয়ে থাকিব।

১ পৃষ্ঠাৰ পৰা

# উল্লেখযোগ্য বাৰ্তা . . .

বিন ইছা আল খালিফাৰ ওপৰত বাৰুকৈয়ে পৰিল। মোদীক লৈ প্ৰভাৱিত হৈ মুকলি কৰি দিলে 250 জন ভাৰতীয় কয়দী।

**ৰাষ্ট্ৰীয় বাৰ্তা**

**ভাৰত ৰত্ন ২০১৯**

দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ‘ভাৰত ৰত্ন’ বঁটা এই বৰ্যত প্ৰক্তন ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জী আৰু মৰণোত্তৰভাৱে সামাজসেক নানাজী দেশমুখ আৰু গায়ক তথা সংগীত প্ৰযোজক ড$^{0}$ ভূপেন হাজৰিকালৈ আগবঢ়োৱা হয়।

**বিশ্ব বেডমিণ্টনৰ খিতাপৰ সোৱাদ প্ৰথমবাৰলৈ লভিলে ভাৰতে**

ইতিহাস সৃষ্টিৰে বিশ্ব বেডমিণ্টনৰ খিতাপ প্ৰথমবাৰলৈ কোনো ভাৰতীয়ই দখল কৰিবলৈ সক্ষম হৈছে। ভাৰত গৌৰৱ পি ভি সিন্ধুৱে ন’জমি অখুৰাক 21–9, 21–7 ব্যৱধানত হৰুৱাই এই সন্মান দখল কৰিছে। লগতে সিন্ধুৱে অন্য এক ৰেকৰ্ডো গঢ়ে। তেওঁ হৈছে বিশ্বৰ দ্বিতীয়গৰাকী খেলুৱৈ যি পাঁচটা বিশ্ব খিতাপ নিজৰ জোলোঙাত ভৰাবলৈ সক্ষম হৈছে।

**চন্দ্ৰযান ২: ভাৰতৰ সফলতা**

2019 বৰ্ষৰ 22 জুলাই, সোমবাৰে দিনটো সমগ্ৰ ভাৰতবাসীৰ বাবে এক উল্লেখযোগ্য আৰু তাৎপৰ্যপূৰ্ণ দিন হিচাপে ইতিহাসৰ পাতত খোদিত হৈ ৰ’ব। ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ISROৰ বিজ্ঞানী আৰু কাৰিকৰী সহযোগীসকলৰ নেৰানেপেৰা আৰু দ্ৰুতগামী প্ৰচেষ্টাৰ বলত আমাৰ স্বদেশ বিশ্বৰ চতুৰ্থখন দেশ হিচাপে পৰিগণিত হয়, যি নিজ দেশৰ থলুৱা বিজ্ঞান আৰু প্ৰযুক্তি কৌশলৰ জৰিয়তে পৃথিৱীৰ পৰা 3,84,000 কিলোমিটাৰ দূৰত্বত থকা পৃথিৱীৰ একমাত্ৰ উপগ্ৰহ চন্দ্ৰৰ পৃষ্ঠত নিজাকৈ এখন মহাকাশযান অৱতৰণ কৰোৱাত সক্ষম হ’ব 7 চেপ্তেম্বৰ, 2019ত।

**সুষমা স্বৰাজ: ৰাজনীতিৰ এক সোণালী অধ্যায়ৰ সমাপ্তি**

1952 চনৰ 14 ফেব্ৰুৱাৰীত জন্ম গ্ৰহণ কৰা ৰাজনীতি ক্ষেত্ৰৰ এক ভোটা তৰা সুষমা স্বৰাজে 6 আগষ্ট, 2019 তাৰিখে সকলোকে কন্দুৱাই মেলানি মাগে। 26 মে’ 2014ৰ পৰা 2019 লৈকে ভাৰত চৰকাৰৰ বিদেশ মন্ত্ৰীৰ দায়িত্বত থকা সুষমা স্বৰাজে ইয়াৰ পূৰ্বে লোকসভাত বিৰোধী দলৰ সভানেত্ৰী (21 ডিচেম্বৰ, 2009-26 মে’, 2014), ভাৰতৰ স্বাস্থ্যমন্ত্ৰী (29 জানুৱাৰী, 2013-22 মে’, 2004), ভাৰতৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী (30 চেপ্তেম্বৰ, 2000 -29 জানুৱাৰী, 2013) আৰু দিল্লীৰ পঞ্চম মুখ্যমন্ত্ৰী (13 আক্টোবৰ, 1998 - 3 ডিচেম্বৰ, 1998)ৰ দায়িত্বত আছিল। সুষমা স্বৰাজ ৰাজনীতিৰ সক্ৰিয় মহিলা সদস্যা আছিল।

**প্ৰাক্তন বিত্তমন্ত্ৰীৰ দেহাৱসান**

2019 বৰ্ষৰ আগষ্ট মাহ, বিজেপিৰ বাবে যেন বৰ দুখৰ মাহ। সুষমা স্বৰাজৰ বিয়োগৰ চকুপানী শেষ নহওঁতেই 1952 চনৰ 28 ডিচেম্বৰত জন্ম গ্ৰহণ কৰা ভাৰতবৰ্ষৰ প্ৰাক্তন বিত্তমন্ত্ৰী অৰুণ জেটলীয়েও 24 আগষ্ট, 2019 তাৰিখে পৰলোকপ্ৰাপ্তি হয়। উল্লেখযোগ্য যে তেওঁৰ দিনতেই GST, Demotitization আদি চমকপ্ৰদ পদক্ষেপ হাতত লোৱা হৈছিল আৰু ফলপ্ৰসূ হৈছিল।

**দেশৰ প্ৰথম মহিলা উইংগ কামাণ্ডাৰ**

পুনৰবাৰ মহিলাই পুৰুষক চেৰ পেলাই দেশৰ সামৰিক বাহিনীত নিজৰ আধিপত্য স্থাপন কৰে। উইংগ কামাণ্ডাৰ শেলিজা ধামী ভাৰতীয় বায়ু সেনাৰ চেতক হেলিকপ্তাৰ বিভাগৰ ফ্লাইট কামাণ্ডাৰ হোৱা দেশৰ প্ৰথম মহিলা হিচাপে বিবেচিত হয়।

**৩৭০ নং অনুচ্ছেদৰ পৰা মুক্ত হ’ল কাশ্মীৰ**

দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ সপোন বাস্তৱায়িত কৰি মোদীৰ সৰল নেতৃত্বত কাশ্মীৰ এতিয়া 370 নং অনুচ্ছেদৰ পৰা মুক্ত হ’ল। দেশৰ ৰাজনৈতিক ইতিহাসৰ বাবে ই এক বলিষ্ঠ পদক্ষেপ।

**ৰাজ্যিক বাৰ্তা**

**বিহপুৰীয়াৰ প্ৰকাশ শইকীয়াৰ অভিনৱ প্ৰচেষ্টা**

বিহুক আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত জিলিকাই তুলিবলৈ বিহপুৰীয়াৰ এজন যুৱকে অভিনৱ প্ৰচেষ্টা হাতত হৈছে। সেয়া হৈছে অসমীয়া বিহুগীতক ইংৰাজীত নিৰ্মাণ। সম্পূৰ্ণ 11 বছৰৰ পিছত প্ৰথমটো ইংৰাজীত বিহুগীত নিৰ্মাণ কৰে। তেওঁৰ মতে অসমীয়াৰ বিহুগীত ইংৰাজীত নিৰ্মাণ হ’লে ইয়াৰ অৰ্থ সম্পূৰ্ণ বিশ্বৰ বোধগম্য হ’ব। যুৱকজনৰ নাম প্ৰকাশ শইকীয়া। ইয়াৰ পূৰ্বে বনমানৱ যাদৱ পায়েংক লৈ তেওঁ ইংৰাজী গীত নিৰ্মাণ কৰিছিল যি আমেৰিকাৰ সংবাদ মাধ্যমত প্ৰকাশ পাইছিল।

**বিশিষ্ট কথাশিল্পী পূৰবী বৰমুদৈৰ মৃত্যু**

দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত বিশিষ্ট কথাশিল্পী পূৰৱী বৰমুদৈৰ 15 জুলাই, 2019ত পুৱা 6 বজাত GMCHত মৃত্যু বৰণ কৰে। কেইবাখনো অনবদ্য উপন্যাসৰ স্ৰষ্টা বৰমুদৈয়ে অসমীয়া সাহিত্য জগতলৈ অনন্য বৰঙণি আগবঢ়াই যায়। 1950 চনত জন্ম গ্ৰহণ কৰা তথা গৱেষণালব্ধ আৰু মনোজ সৃষ্টিৰে পঢুৱৈক মুগ্ধ কৰা বৰমুদৈৰ বিখ্যাৎ উপন্যাস কেইখনমানৰ নাম হৈছে ‘গজৰাজ’, ‘প্ৰেম আৰু বন্দিত্ব’, ‘শান্তনুকুলনন্দন’, ‘এটা আলিবাটৰ কথা’, ‘ৰূপোৱালী নৈ সোণোৱালী ঘাট’। 2007 চনত সাহিত্য একাডেমি বঁটা লাভ কৰাৰ লগতে ‘অসম উপত্যকা সাহিত্য বঁটা’ৰেও সন্মানিত হৈছিল। লেখিকাৰ অন্তিম ইচ্ছা অনুসৰি তেওঁৰ চকু আৰু দেহ দান দিয়া হয়।

**২০১৯ বৰ্ষৰ আনন্দৰাম বৰুৱা একাডেমি বঁটা**

2019 বৰ্ষৰ আনন্দৰাম বৰুৱা একাডেমী বঁটা অসমৰ বনমানৱখ্যাত প্ৰকৃতিপ্ৰেমী যাদৱ পায়েঙলৈ আগবঢ়োৱা হয়।

**ড° ভূপেন হাজৰিকালৈ ভাৰত ৰত্ন**

অসমবাসীৰ বাবে গৌৰৱৰ বিষয় যে সুৰৰ যাদুকৰ অসমীৰ মান-অভিমান ড$^{0}$ ভূপেন হাজৰিকালৈ মৰনোত্তৰভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন আগবঢ়োৱা হয়। তেওঁৰ হৈ এই বঁটা গ্ৰহণ কৰে পুত্ৰ তেজ হাজৰিকাই।

# শৰতৰ কুজ্বটিকাসিক্ত শেৱালি

❑ *ৰূপজ্যোতি হাজৰিকা দত্ত*

“প্ৰিয়া মোৰ, তোমাৰেই চাই ৰওঁ আগমনি
সকলো ঋতুৰ মাজে তুমিয়ে সপোন।”

কঁহুৱা ফুলৰ শুভ্ৰ দলিচা গুঠি আহিনৰ ভৰুণ পথাৰখন গাভৰু কৰি, শৰতৰ সুনীল আকাশৰ তলত আকৌ ফুলি উঠিল নিয়ৰ তিতা শেৱালি।

শৰৎ মানেই তলভৰা শেৱালিৰ উষ্ম সুৱাস। জিলমিল জোনাকত দুবৰিৰ কোলাত নিয়ৰসিক্ত দেহাৰে ওৰে ৰাতি মেলমৰা খিলখিলোৱা হাঁহি। হঠাতে মেঘাছন্ন আকাশখন ফৰকাল হৈ পৰিছে। গুজৰি গুমৰি বাদল বজোৱা ঘনঘোৰ বৰষুণজাক শান্ত হৈ পৰিছে। প্ৰকৃতিয়ে ন-বোৱাৰী সাজ পিন্ধি নীলা আকাশৰ তলত জিৰজিৰকৈ নাচি উঠিছে। ৰাজহাঁহ, কাম, কোঢ়া, শৰালিয়ে বিলৰ পানীত সাঁতুৰি-নাদুৰি ৰঙৰ মেলা পাতিছে। আনফালে ৰজনীগন্ধা, হাচনাহানাৰ তীব্ৰ গন্ধত শৰতৰ নিশাবোৰ হৈ পৰিছে অভিসাৰী প্ৰেমিকা।

কুঁৱলীৰ মায়াসনা আচলেৰে লুকুৱাই বোৱাৰীপুৱাতে দুবৰি দলিচাত উমলি থকা কোন বাৰু সেয়া- ধৰাৰ বুকুত হৃদয় জীপাল কৰা এযা যেন শৰৎ, শেৱালি, নিৰ্মল আকাশৰ মিঠা আলিংগন।

এই শৰতেই দিয়ে বিমল আনন্দ। জীৱনক জীৱন হিচাপে উপভোগ কৰাৰ। সেই কাৰণেই চাগে সকলোৰে প্ৰিয় ঋতু শৰৎ। এই শৰৎ ঋতুতেই লুইতৰ পাৰৰ কঁহুৱা ফুলে শুভ্ৰ দলিচা গুঠি, শ্যামলী পথাৰক গাভৰু কৰি চৌপাশে সঞ্চাৰ কৰে নতুন আশা।

নদীৰ পানীৰ প্ৰলংকৰী বানৰ সম্ভাৱনা যেন এতিয়া অন্ত পৰিল। তেল হালধীয়া চৰাই জাকৰ দেওলগা নাচৰ সৈতে আহিনৰ গা-ভাৰী পথাৰখনৰ চাৰিওফালে আমোলমোল সুবাস। চাৰিওফালে যেন হিয়া উতলোৱা, হৃদয় জুৰোৱা, শান্তিৰ অমিয়া ঢলা মনোৰম দৃশ্য। সন্ধিয়া জোনাকী চোতালত তলভৰা শেৱালি সুৱাসেৰে অযুত প্ৰতিশ্ৰুতি।

সেই কাৰণে চাগে কল্পনাৰ কবিয়ে শৰতৰ সন্ধিয়া প্ৰিয়াৰ আগমনলৈ বাট চাই কৈছে-

“আকৌ আহিবা
শৰতৰ দোভাগ নিশা
ওৰে ৰাতি কথা হ’ম
ৰূপহী জোনাকৰ তলত।”

সংগীতসূৰ্য ড$^{0}$ ভূপেন হাজৰিকায়ো শাৰদী প্ৰকৃতিক তেওঁৰ প্ৰেয়সীৰ লগত ৰিজাইছে-

“তোমাৰ উশাহ কঁহুৱা কোমল
শেৱালি কোমল হাঁহি
হাঁহিৰে হৃদয় ভৰিলে শুনায়
এটি কিবা মিঠা বাঁহী।”

এই শৰতেই হৈছে প্ৰেম আৰু সৌন্দৰ্যৰ প্ৰতীক, মায়াময় জোৎস্নাময়ী পূৰ্ণিমা ৰাতি যমুনাৰ তীৰত ৰাধীজনী কৃষ্ণক পাবলৈ উগুল-থুগুল মন-

“শৰৎ কালৰ ৰাত্ৰি Û অতি বিতোপন
ৰাসক্ৰীড়া কৰিতে Û কৃষ্ণৰ ভৈলা মন।” (ভাগৱত)

আনহাতে শৰতৰ প্ৰাকৃতিক পৰিৱেশ যিদৰে মনোৰম সামাজিক ক্ষেত্ৰতো উৎসৱমুখৰ এই শৰততে শ্ৰী ৰামচন্দ্ৰই লংকাৰ ৰজা ৰাৱণক নিধন কৰিবলৈ শক্তি লাভ কৰিবৰ কাৰণে অকালতে ব্ৰহ্মাৰ হতুৱাই দুৰ্গাদেৱীৰ বোধন কৰাই পূজা কৰিছিল বুলি এটি প্ৰবাদ চলি আহিছে আৰু সেই অনুসৰি শক্তিৰ উপাসকসকলে সৌৰ আহিনত দুৰ্গাপূজা উদ্‌যাপন কৰি আহিছে।

মন্ত্ৰোচ্ছাৰণে আকাশে-বতাহে শান্তিৰ বাণী বিয়পি পৰিছে-

“যা দেৱী সৰ্বভূতেষু শক্তিৰূপেন সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।”

তাৰ উপৰি এই শৰততে কাতি বিহু, দিপাৱলী, লক্ষ্মী পূজা পালন কৰা হয়। শৰত কাল সঁচাকৈয়ে অনুপম। শ্ৰীমন্ত শংকৰদেৱ বিৰচিত ভাগৱত দশম স্কন্ধতো মধুময় শৰতৰ বৰ্ণনা দিছে-

“পক্ষী কৰৈ ধ্বনি সৰোবৰ ছানি
বিকশিত পুস্পবন।
যেন যোগভষ্টে দুনাই অভ্যাসিয়া
কৰিলা নিৰ্মল মন।।”

এয়ে শৰৎ য’ত সন্ধ্যাৰ চোতালৰ শেৱালিজোপাই বিলাই যায় নতুন সুগন্ধ- জীৱনৰ আনন্দ।

# অসহযোগ আন্দোলন

❑ *কুসুম লিম্বু*

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত অসহযোগ আন্দোলন এক গুৰুত্বপূৰ্ণ অধ্যায়। ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত এই আন্দোলনে 1920 চনৰ পৰা 1922 চনলৈ চলিছিল। গান্ধীৰ সৰল নেতৃত্বত এই আন্দোলনে অহিংসা পথেৰে বৃটিছ শাসনৰ পৰা ভাৰতবৰ্ষক মুক্ত কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈছিল। আন্দোলনকাৰীসকলে বৃটিছৰ সামগ্ৰী কিনিবলৈ অমান্তি হৈছিল আৰু থলুৱা কুটীৰ শিল্পৰ সামগ্ৰীহে ব্যৱহাৰ কৰিছিল।

তেওঁলোকে সুৰাৰ বিপনীসমূহ বন্ধ কৰিছিল। এই আন্দোলনৰ মূখ্য লক্ষ্য আছিল ভাৰতবৰ্ষৰ মৰ্যাদা আৰু অখণ্ডতা শান্তিপূৰ্ণভাৱে অটুট ৰখা। হেজাৰ হেজাৰ সাধাৰণ মানুহ এই উদ্দেশ্যেৰে আন্দোলনত নামিছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰামত ইতিহাসত এইটোৱে প্ৰথম সৰ্ববৃহৎ আন্দোলন হিচাপে পৰিগণিত হৈছিল। অসহযোগ আন্দোলনত বিভিন্ন কাৰকে বিভিন্ন অৰিহণা যোগাইছিল। ইয়াৰ কিছুমান উল্লেখযোগ্য কাৰক হ'ল-

1। প্ৰথম বিশ্বযুদ্ধত ভৰতীয়সকলৰ অসন্তুষ্টি, কিয়নো ইয়াৰ ফলত ভাৰতৰ অৰ্থনীতি আৰু ইয়াৰ মানৱ সম্পদত বিৰূপ প্ৰভাৱ পৰিছিল।

2। 1919 চনৰ ৰাওলাট এক্টৰ জৰিয়তে বৃটিছৰ বৰ্ধিত দমনমূলক নীতি গ্ৰহণ। এই আইনে সন্ত্ৰাসবাদৰ সন্দেহত যিকোনো লোকক দুবছৰ বিনা বিচাৰে কাৰাগাৰত নিক্ষেপ কৰাৰ কতৃত্ব বৃটিছ চৰকাৰক প্ৰদান কৰিছিল। গান্ধীৰ নেতৃত্বত এই আইনৰ বিপক্ষে এক সৰ্বব্যাপি প্ৰতিবাদী আন্দোলন গঢ়ি উঠিছিল।

3। 1919 চনৰ জালিয়ানৱালাবাগৰ হত্যাকাণ্ড।

4। বৃটিছসকলৰ দ্বাৰা ভাৰতবৰ্ষৰ অৰ্থনৈতিক শোষণ।

5। ভাৰতীয় মুছলমানসকলৰ দ্বাৰা আৰৱ সাম্ৰাজ্যৰ সুৰক্ষাৰ হকে আৰম্ভ হোৱা খিলাফৎ আন্দোলন।

জাতীয় নেতাসকলে এইটো বুজি উঠিছিল যে সাংবিধানিক সংশোধনৰ দ্বাৰা ভাৰতীয়সকলক ন্যায্য প্ৰদান কৰাটো পৰ্যাপ্ত নাছিল। সেইবাবে তেওঁলোকে 9 আগষ্ট, 1920 চনত কলিকতাত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ এখন বিশেষ সভাত গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন আৰম্ভ কৰিবলৈ সিদ্ধান্ত লৈছিল। এই আন্দোলনে সাংঘাতিক ধৰণে বৃটিছৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতাৰ ওপৰত প্ৰত্যাহ্বানৰ কৃষ্টি কৰিছিল।

অসহযোগ আন্দোলনে মানুহৰ আৱেগক উজ্জীৱিত কৰি তুলিছিল। হিন্দু-মুছলমানৰ একতা বৃদ্ধি হৈছিল আৰু ওকেলগে আন্দোলনত অংশগ্ৰহণ কৰিছিল। নানান ঠাইত বিদেশী বস্ত্ৰ জ্বলাই দিয়া হৈছিল। বিদেশী বয়-বস্তু আৰু সুৰা বিক্ৰী কৰা দোকানবোৰ বৰ্জন কৰা হৈছিল। বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী বিদ্যালয়-মহাবিদ্যালয় ত্যাগ কৰিছিল। বংগদেশৰ মেদিনীপুৰৰ কৃষকসকলে কৰ-কাটল নিদিয়াৰ সপক্ষে প্ৰচাৰ কাৰ্যসূচী ৰূপায়ন কৰিছিল। কংগ্ৰেছে সেই সময়ছোৱাত কাশী বিদ্যাপীঠ, বেনাৰস বিদ্যাপীঠৰ দৰে জাতীয় শিক্ষানুষ্ঠান গঢ়ি তুলিছিল। শেখ ৰমনলাল বাজাজে কাছাৰী ত্যাগ কৰা উকীলসকলৰ পৰিয়ালৰ ভৰণ-পোষণৰ বাবে বছৰি এক লাখকৈ টকা দিয়াৰ কথা ঘোষণা কৰিছিল। কংগ্ৰেছে প্ৰায় চল্লিশ লাখ স্বেচ্ছাসেৱকক সদস্যভুক্ত কৰিছিল। বিশ হাজাৰ চৰখা (যঁতৰ) নিৰ্মাণ কৰা হৈছিল। নানান ধৰণৰ ব্যক্তিগত আৰু ৰাজহুৱা বিবাদবোৰৰ সমাধান ৰাইজৰে আদালতত কৰা হৈছিল। অসহযোগ আন্দোলনৰ খৰচ-পাতিৰ বাবে গঢ়ি তোলা তিলক স্বৰাজ পুঁজিয়ে খুব কম সময়ৰ ভিতৰতে এক কোটিতকৈয়ো অধিক টকা সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। মহিলাসকলে সক্ৰিয়ভাৱে আন্দোলনত অংশ গ্ৰহণ কৰিছিল। জনসাধাকণৰ মাজত জাগৰণ আনিবলৈ গান্ধীজীয়ে প্ৰায় গোটেই দেশখন ভ্ৰমণ কৰিছিল।

অসহযোগ আন্দোলনৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশেই আছিল। অসহযোগ আন্দোলনৰ ফলত হাতেৰে সূতা কটা আৰু তাঁতবোৱা শিল্পৰ উন্নতিৰ জৰিয়তে স্বদেশী আন্দোলন গঢ়ি উঠিছিল। হিন্দুসকলৰ মাজত প্ৰচলিত অস্পৃশ্য দূৰীকৰণৰ প্ৰচেষ্টা। হিন্দু-মুছলমানৰ ঐক্য সাধন, মাদকদ্ৰব্য নিবাৰণ আদি কিছুমান সামাজিক উৎকৰ্ষ সাধন অসহযোগ আন্দোলনৰ অৱদান। স্বৰাজ্য পুঁজি হিচাপে তিলক স্বৰাজৰ বাবে কোটি কোটি টকাৰ দান-বৰঙণি সংগ্ৰহো ইয়াৰ ফলত সম্ভৱ হৈছিল।

বিধান মণ্ডল, আদালত আৰু চৰকাৰী শিক্ষানুষ্ঠান- এই তিনি ধৰণৰ কাৰ্যক অসহযোগ আন্দোলনৰ নেতিবাচক দিশ হিচাপে আঙুলিওৱা হয়। এইদৰে বৃটিছ চৰকাৰৰ পৰা পোৱা নানান বঁটা-বাহন আৰু উপাধি প্ৰয়োগ কৰাৰ দৰে কাৰ্যসূচীসমুহো অসহযোগ আন্দোলনৰ অংশ স্বৰূপ আছিল। সেইদৰে নেতিবাচক দিশবোৰে কিছুমান ইতিবাচক সংস্কাৰ সাধনো কৰিছিল। ৰাজহুৱা বিচাৰ সভাৰ ব্যৱস্থা, জাতীয়তাবাদী ভাৱধাৰাৰ বিদ্যালয়-মহাবিদ্যালয় স্থাপন কৰি চৰকাৰী স্কুল ত্যাগ কৰা ছাত্ৰ-ছাত্ৰীক অধ্যয়নৰ সুবিধা প্ৰদান কৰা ইত্যাদি তেনেধৰণৰ সংস্কাৰ সাৰ্যসূচী আছিল। অসহযোগকাৰীসকলে যাতে অহিংসা নীতি সকলো ক্ষেত্ৰতে কঠোৰভাৱে মানি চলে আৰু যিকোনো পৰিস্থিতিত যাতে তেওঁলোকে সত্যক বিসৰ্জন নিদিয়ে, সেই কথা স্পষ্ট কৰি দিয়া হৈছিল।

1920 চনৰ ডিচেম্বৰ মাহত কংগ্ৰেছৰ নাগপুৰ অধিৱেশনে গান্ধীজীয়ে আৰম্ভ কৰা এনই আন্দোলনৰ পৰা আনুষ্ঠানিক মান্যতা প্ৰদান কৰিছিল। অধিৱেশনে ঘোষণা কৰিছিল যে ভাৰতীয় জাতীয় কংগ্ৰেছ উদ্দেশ্য হৈছে সকলো বৈধ আৰু শান্তিপূৰ্ণ উপায়েৰে জনতাৰ দ্বাৰা স্বৰাজ লাভ কৰা। ভাৰতৰ স্বাধীনতা সংগ্ৰাম এক পূৰ্ণ পৰিক্ৰমালৈ আগবাঢ়িছিল। কংগ্ৰেছে পোন প্ৰথমবাৰৰ বাবে স্বাধীনতাৰ বাবে এক প্ৰত্যক্ষ কাৰ্যনীতি হাতত ল'বলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এনেদৰে কংগ্ৰেছ এটা গণভিত্তিক সংগঠনত পৰিণত হৈছিল।

# মাজুলীৰ সাংস্কৃতিক ঐতিহ্য

❑ *প্ৰণামিকা কছাৰী*
*ছাত্ৰী, চিনামৰা মহাবিদ্যালয়*

অসমৰ সত্ৰীয়া সংস্কৃতি সমন্বয়ত মাজুলী অসমীয়া সংস্কৃতিৰ এক ক্ষুদ্ৰ সংস্কৰণ।

মাজুলীৰ সংস্কৃতি সত্ৰীয়া সংস্কৃতি। মাজুলীত সত্ৰসমূহে এক সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰি নৃত্যৰ প্ৰশিক্ষণ, গায়ন প্ৰশিক্ষণ, বায়ন প্ৰশিক্ষণ লগতে শিশু অৱস্থাৰ পৰাই আধ্যাত্মিক বিষয়ৰ অনুকৰণেৰে একোজন সাংস্কৃতিক মানুহ গঢ়ি তোলাৰ প্ৰয়াস কৰে। ঠিক সেইদৰে অভিনয় প্ৰশিক্ষণ, গায়ন প্ৰশিক্ষণ, ভাওনাৰ লগত জড়িত ৰং, মুখা, অস্ত্ৰ-শস্ত্ৰ আদিৰে শিল্প চৰ্চা আজিও অব্যাহত ৰাখিছে। আধ্যাত্মিক উৎকৰ্ষ সাধনৰ স্থান সত্ৰানুষ্ঠানত সাহিত্য, সংস্কৃতি, নৃত্য কলাৰ ব্যাপক পৰিশীলনেৰে বৰ্তমানেও সংৰক্ষিত হৈ আছে। গীত-মাত, সুৰ-তাল, নাট যিসমূহে সংস্কৃতিৰ বৰভেটি বান্ধি অসমৰ সাংস্কৃতিক ঐতিহ্যৰ গৌৰৱ বহন কৰি আছে।



সত্ৰসমূহৰ নামঘৰত চৈধ্য প্ৰসংগৰ মাজেৰে নাম প্ৰসংগত বিশেষ নামৰ প্ৰচলন আছে। নামসমূহ হৈছে বৈৰাগী নাম, পাল নাম, বিয়া নাম, দিহা নাম আদি। ইয়াৰ উপৰি বিভিন্ন উৎসৱ- বিহু, ৰাস, পাল নাম, জন্মাষ্টমী, ফাকুৱা, ভাদ মাহৰ গুৰুসকলৰ তিথি, সত্ৰাধিকাৰসকলৰ তিৰোভাৱ তিথি, অভিষেক বা নিৰ্মালি দিয়া অনুষ্ঠান, হৰিকীৰ্তন আদি প্ৰধান। মাজুলীৰ সাংস্কৃতিক প্ৰবাহত মিচিং, দেউৰী, কায়স্থ আদি জাতি-জনজাতিৰ কৃষি উৎসৱসমূহে অৰিহণা আগবঢ়ায়। আনহাতে মাজুলীৰ জনজাতিয় লোকসকলৰ মাজত স্বকীয় পৰম্পৰাৰে পালন কৰা লোক উৎসৱ, নৃত্য-গীতসমূহেও মাজুলীৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ অপৰিসীম অৱদান আগবঢ়াইছে। এই অঞ্চলত বসবাস কৰা মিচিংসকলৰ মাজত পালিত হৈ অহা আলি-আই-লৃগাং, পঃৰাগ, নৰাছিগা, আলৌং পূজা, শ্ৰদ্ধাদি বিভিন্ন উপলক্ষত পালন কৰে। অসমৰ অন্যান্য জনগোষ্ঠাৰ দৰে দেউৰীসকলে বিহু পালন কৰি আহিছে। তেওঁলোকে বহাগ বিহুক বৰ বিচু, কাতি বিহুত লখিমীক সন্তুষ্ট কৰাৰ উদ্দেশ্যে লখিমী পূজা পাতে আৰু মাঘ বিহুত দেৱালয় বা গোঁসাইশালত মাঘ পূজা পালন কৰে।

ইয়াৰোপৰি দেউৰীসকলে বিহু উৎসৱ পালন কৰিলেও পূজা পতাতো নিয়ম, কাৰণ দেউৰীসকলে পূজা নপতাকৈ বিহু পাতিব নোৱাৰে। শাওনীয়া পূজা, মাঘ পূজা, মিদিদেৰুৱা পূজা, মেতুৱা পূজা পাতে। মাজুলীৰ সোণোৱাল কছাৰীসকলে তেওঁলোকৰ ধৰ্মীয় পৰম্পৰাৰে বাইথ দেৱতাক পূজা কৰে যদিও বহুকাল সত্ৰীয়া সংস্কৃতিৰ মাজত সোমাই পৰাত সত্ৰীয়া পৰম্পৰাৰে জীৱন যাপন কৰি আহিছে।

মাজুলীৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ নৃত্যৰ ভূমিকা কম নহয়। মাজুলীৰ জনজাতীয় আৰু অজনজাতীয় লোকসমাজে কেতিয়াবা ধৰ্ম সাধনত আৰু কেতিয়াবা কৃষি কাৰ্যৰ অংগস্বৰূপে লোক নৃত্য-গীতক গঢ় দি লৈছে। আনহাতে শংকৰদেৱে শাস্ত্ৰীয় নৃত্যৰ উপাদানৰ লগত থলুৱা উপাদানৰ সংযোগ ঘটাই এক নৱ নৃত্যধাৰাৰ সৃষ্টি কৰে। সিয়েই হৈছে সত্ৰীয়া নৃত্য। এই সত্ৰীয়া নৃত্য মাজুলীৰ প্ৰায়বোৰ সৰল আৰু শক্তিশালী পৰম্পৰাৰে ৰক্ষিত হৈ আছে। ইয়ে মাজুলীৰ সাংস্কৃতিক জীৱনৰো পৰিচয় বহন কৰি আহিছে।

সত্ৰ সমাজ আৰু সামাজিক প্ৰেক্ষাপটত গঢ় লোৱা মাজুলীৰ যি ঐতিহ্য আৰু বিভিন্ন জনগোষ্ঠীৰ সামাজিক সাংস্কৃতিক সমন্বয়ত গঢ়ি উঠিছে যিয়ে মাজুলীৰ ঐক্য সংহতিৰ সাকো ৰচনা কৰিছে। সেয়ে অসমৰ সামাজিক সাংস্কৃতিক নৈতিক আৰু আধ্যাত্মিক চৰিত্ৰ গঠনত মূখ্য ভূমিকা গ্ৰহণ কৰা মাজুলী সাংস্কৃতিক সম্পদৰাজিৰ প্ৰকৃত মূল্যায়ণে বৰ্তমান সমাজৰ অস্থিৰ মানসিকতাক নিশ্চয় স্থিতপ্ৰজ্ঞ কৰাত অৰিহণা যোগাব।

# মহাবিদ্যালয়ত আগষ্ট মাহত আয়োজিত বিভিন্ন অনুষ্ঠানৰ কিছু মুহূৰ্ত








**DIBRUGARH UNIVERSITY**
**DODL**
**CINNAMARA COLLEGE STUDY CENTRE**
**Courses Offered:**

1. **BA** (Major course): Assamese, Political Science, Sociology, Economics
2. **BA** (Pass Course): Education, Economics, Political Science, Economics
3. **MA** (Economics, Education, English, Political Science, Sociology) **Contact No: 90853 39300 / 81348 15096**



**KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY**
**কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়**
**CINNAMARA COLLEGE STUDY CENTRE**
**চিনামৰা মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰ**
তলত দিয়া পাঠ্যক্ৰমসমূহৰ বাবে নামভৰ্তি প্ৰক্ৰিয়া চলি আছে
**Last Date of Admission is 30th September, 2019**

- **BA** (Pass course and Major course) (6 Semesters),
- **BA** in Journalism and Mass Communication (6 Semesters),
- **BBA** (6 Semesters),
- **BCA** (6 Semesters)
- **BCom** (6 Semesters),
- Bachelor of Social Works (**BSW**) (6 Semesters)
- **MA** (Assamese, English, Political Science, Sociology) (4 Semesters)
- **MBA** (4 Semesters),
- **MCom** (4 Semesters)
- Post Graduate Diploma in Computer Application (**PGDCA**)
- Post Graduate Diploma in Business Management (**PGDBM**)
- Post Graduate Diploma in Human Resource Management (**PGDHRM**)
- Diploma in Journalism & Mass Communication (**DJMC**)(1 Year)
- Diploma in Creative Writing (1 Year)

নামভৰ্তিৰ অন্তিম তাৰিখ ৩০ ছেপ্টেম্বৰ, ২০১৯

**Contact No: 9435247949 / 8638245341**

মুখ্য উপদেষ্টা ঃ আনন্দ শইকীয়া

ড° অঞ্জন শইকীয়াৰ ব্যৱস্থাপনাত চিনামৰা মহাবিদ্যালয় প্ৰকাশনৰ হৈ আনন্দ শইকীয়াৰ দ্বাৰা প্ৰকাশিত আৰু পি, জি, ইণ্ডিয়া প্ৰাইভেট লিমিটেড, পুলিবৰ, যোৰহাট-৬ মুদ্ৰিত ঃ মুখ্য কাৰ্যালয় ঃ চিনামৰা মহাবিদ্যালয়, চিনামৰা, যোৰহাট-৮,
ফোন ঃ ৭৫৭৬৮৬৫৭০৮, ৯৪৩৫৭৩৮৬৪৫, ৮৬৩৮০৭৯৮৩২, ৯৪৩৫২৪৭৯৪৯
E-mail : editoryogabarta@gmail.com.

সম্পাদক ঃ ড° দ্বীপেন নাথ (অবৈতনিক)
কাৰ্যবাহী সম্পাদক ঃ তৰুণ শইকীয়া (অবৈতনিক)
সীমান্ত বৰা (অবৈতনিক)
সহঃ সম্পাদক ঃ তাপস কুমাৰ বৰুৱা, মনোজ কুমাৰ শৰ্মা, প্ৰতাপ চন্দ্ৰ শৰ্মা, বিপিন বড়া, (অবৈতনিক)